# Assam
# Legislative Assembly
# Debates

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

## *OFFICIAL REPORT*

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENT GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. VII**

No. 9

**The 19th March, 1985**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1989*

# Assam Legislative Assembly Debates

## *OFFICIAL REPORT*

SEVENTH SESSION CF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENT GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC RE-PUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. VII**

No. 9

**The 19th March, 1985**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1989*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

( *Budget Session* )

Volume—VII

No. 9

**Dated the 19th March, 1985**

Contents


| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Voting on Demands for Grants | 24 |
| 3. | Callinng Attention Notice | 99 |
| 4. | Matter Under Rule 301 | 101 |
| 5. | Adjournment | 103 |

Proceedings of the Seventh Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday the 19th March, 1985 with the Hon. Speaker in the Chair, 17 (Seventeen) Ministers, 11 (Eleven) Ministers of State, and 46 ( Fortysix ) Members present.

## STARRED

Questions and Answers

( To which oral replies were given )

Date : 19th March, 1985

Re : Cabinet Sub-Committee

Shri Silvius Condpan asked—

*58. Will the Minister, Welfare of P. T. & B. C. be pleased to state :

(a) Whether it is a fact that a Cabinet Sub-Committee has been constituted to examine and recommend the case of Tea & Ex-Tea Labour community for lifting

area restriction to facilitate them to enjoy previleges as S. C./S. T. ?

(b) If so, who are the members of the Sub-Committee and when it was constituted ?

Shri Ranendra Narayan Basumatari ( Minister, Welfare of P. T. & B. C. ) replied :

58. (a)—Yes. The Cabinet Sub-Committee is constituted to look into the matter of comprehensive revision of the list of SC/ST in the State, for final inclusion in the list, deletion from the existing list, transfer of certain communities from the list of SC/ST and vice Versa and deletion of certain deregatory terms.

(b)—The Cabinet Sub-Committee was constituted in pursuance of the Cabinet decision vide WPT & BC 169/83 item 18, dated 23-7-83.

The Members are—

1. Shri R. N. Basumatari, Minister, WPT & BC etc.
2. Shri Dhaniram Rangpi, Minister, Forest.
3. Shri Rameswar Dhanowar, Minister, Labour.
4. Shri Raghunath Pamegam, Minister, Rural Development etc.

and 5. Shri G. C. Langthasa, Minister, Hill Plan etc.

Shri Silvius Condpan—Mr. Deputy Speaker, Sir. May I know from the Hon'ble Minister how many times this Cabinet Sub Committee met ever since it was constituted ?

Shri Ranendra Narayan Basumatari ( Minister )—Sir, meet-

ings of the Cabinet Sub-Committee were convened for four times but due to just inconvenience of some Members of the Sub-Committee the meeting could not sit for whole time. So, the recommendations submitted earlier by the Cabinet Sub-Committee were again discussed, in the Cabinet and the Cabinet wanted that this Cabinet Sub-Committee should hear the memorialists and the matter is being again taken up. So, Sir, we have decided to sit on 7, 8 and 9 April for finalisation of the matter.

Shri Bakat Ullah—Sir, may I know from the hon. Minister what were the terms of reference of this Sub-Committee ?

Shri Ranendra Narayan Basumatari (Minister)—Sir, the term of reference is that this Cabinet Sub Committee will hear the representationists. The representationists are (1) The Assam Garo Sahitya Sabha, (2) The Garo National Zonal Council of Action, (3) Hmar National Union, Assam, (4) All Assam Koch Rajbanshi Khatriya Sanmilan, (5) Adivasi Council of Assam, (6) Co-ordintion Committee of Tea & Ex. Tea Garden Tribes, Assam, (7) Chutia Sanmilan, and (8) Matak Sanmilan and others. So, Sir this Cabinet Sub Committee will hear all these representationists and then submit its views to the Cabinet.

Shri Silvius Condpan—Sir, the case of Tea Garden and and Ex. Tea Garden Labour Community of Assam stands on different footing. Sir, so far as my question

is concerned it is for lifting area restriction and not for inclusion. Sir, hon. Minister has given a big list of memorialists which we have never known about it I want to know from the hon. Minister whether this Cabinet Sub-Committee which has been constituted will only go into the affairs of the Tea and Ex. Tea Labour Community for lifting area restriction to facilitate them to enjoy previleges as SC/ST.

Shri Ranendra Narayan Basumatari ( Minister )—Sir, Tea and Ex. Tea Garden Labour Communities have not so far been recognised as S. T. in the State of Assam; so also the case of Plains Tribals and Hill Tribals living in the two Hill Districts of Assam is there. So, these questions are tagged together and the Cabinet Sub-Committee will go into this matter for final inclusion in the list of SC/ST in the State.

Shri Benoy Kumar Basumatari—Sir, the Minister has stated that the meeting of the Cabinet Sub Committee was convened for four times but it did not take place. Now, may I know from the hon. Minister who made the decision to hear the memorialists ?

Shri Ranendra Basumatari ( Minister )—Sir, this is a Cabinet decision. The Cabinet directed its Sub-Committee to sit again and hear the representationists.

Shri Harendra Nath Talukdar—Sir, the hon. Minister has said that Govt. has received represntations from various Associations and Organisations. Now, may I know from

the hon. Minister as to what are the demands of these representationists and whether they want to be included as SC and ST.

Shri Ranendra Narayan Basumatari ( Minister )—Sir, most of the representationists have demanded inclusion as ST.

শ্ৰীপ্ৰমোদ চন্দ্ৰ দলৈ—আমাৰ যিখন কেবিনেট চাব কমিটি গঠন কৰিছে, সেই কেবিনেট চাব কমিটি খনত অনুসূচিত সম্প্ৰদায়ৰ মন্ত্ৰীৰ নাম নুশুনিলো। অনুসূচিত জাতিৰ কিছুমান সমস্যা আছে, মঞ্জুৰী আদি ক্ষেত্ৰত সেই বিলাক টি, এ, ডি, বিভাগে নিয়ন্ত্ৰণ কৰে। গতিকে এই কমিটিত অনুসূচিত সম্প্ৰদায়ৰ এজন মন্ত্ৰী লোৱাৰ ব্যৱস্থা কৰিবনে ?

Shri Renendra Narayan Basumatari ( Minister )—Sir, this is a case which is to be decided by the Cabinet. The business of the Cabinet Sub Committee, as I have already stated, is that the Sub-Committee will hear the representationists and examine the matter and submit its report to the Cabinet.

Shri Prasad Chandra Doloi—Sir, may I know from the hon. Minister whether the problems faced by the people of S. C. community will also be discussed in the meeting of the Cabinet Sub Committee ?

Shri Ranendra Narayan Basumatari ( Minister )—Sir, it is not the question of discussing any problems of SC/ST. Sir, it is the problem relating to the inclusion of some categories of people who have claimed inclusion as ST.

Shri Prasad Doloi—Sir, there must be some problem of

SC/ST. Therefore, may I know from the hon. Minister whether Govt will consider inclusion of one member from SC community in this Cabinet Sub-Committee ?

Shri Ranendra Narayan Basumatari, ( Minister )—Sir, there is no question of exclusion of scheduled castes people. Only those memorialists who have submitted representations claiming for inclusionin Scheduled Tribes category those memorialists will be heard.

Shri Silvius Condpan– Sir. May I know from the Hon'ble Minister whether the Government is aware that so far as the tea garden and ex-tea gardens communities' demand is concerned, it is not exclusion but it is the demand for leaving the area of restriction so that they will be able to enjoy the facilities their counterparts in West Bengal and Tripura are enjoying right from the inception of the Constitution.

Shri Ranendra Narayan Basumatari, ( Minister )—Even then Sir. it is related to the provisions of the Constitution. As I have already said, that even within Assam the Plains Tribal people living in the Hills Districts areas are not recognised as tribals in the Hills areas and in the same manner Hills people living in the plains areas are not recognised as tribals.

Shri Binoy Kumar Basumatari—In Bodo language Sir, I was asking him is he going to include the people who have demanded to be recognised as Scheduled Tribes but do not have the characteristics of tribals ? That is what I had asked him.

Shri Ranendra Narayan Basumatari, ( Minister ,—In Bodo

Mr. Deputy Speaker—The Hon'ble Members will kindly speak in a language recognised in this House.

Shri Ranendra Narayan Basumatari, (Minister)—The question is not this that those people who do not bear the characteristics of the tribals should be included in the category of Scheduled Tribes—that is not the question. The question is that the Sub Committee will go through the memoranda submitted by the memorialists.

বি ঃ গুৰমৌ গাঁৱৰ খোৱা পানী যোগান ।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ

* ৫৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গুৰমৌ গাৱৰ খোৱা পানী যোগান আঁচনিৰ যোগেদি পানী যোগান ধৰা কাম কেতিয়াৰ পৰা বন্ধ ৰখা হৈছে ?

(খ) পুনৰ কেতিয়াৰ পৰা এই আঁচনিৰ যোগেদি খোৱা পানী যোগান ধৰা হব ?

শ্ৰীজগদীশ চৌধুৰী ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৫৯। (ক)—১০।৪।৮৩ তাৰিখৰ পৰা পানী যোগান ধৰা কাম বন্ধ হৈ আছে ।

(খ)—চলিত ( মাৰ্চ ৮৫ ) মাহৰ ভিতৰতে আঁচনি খন পুনৰ চালু কৰি পানী যোগান ধৰিবলৈ চেষ্টা কৰা হৈছে ।

শ্ৰীপূৰ্ণ বড়ো—উপাধ্যক্ষ মহোদয়, এই পানী যোগান আঁচনি ১০।৪।৮৩ তাৰিখৰ পৰা বন্ধ হৈ আছে । তাৰ আগলৈকে বাৰু এই পাইপ ওৱাটাৰ স্কীমৰ যোগেদি গুৰমৌ গাওঁৰ কিমান সংখ্যক লোকক খোৱা পানী যোগান ধৰা হৈছিল ?

শ্ৰীদৰসিং তেৰাং ( ৰাজ্যিক মন্ত্ৰী )—আমাৰ হিচাব মতে পাইপ ওৱাটাৰ স্কীম বেয়া নোহোৱালৈকে ২ হাজাৰ ১৪৫ লোকক পানী যোগান দিয়া হৈছে। ইয়াৰ উপৰিও আমি ৪ হাজাৰ ৭৫ জন ইয়াৰ বাহিৰৰ জনসাধাৰণক পানী যোগান ধৰিছো।

শ্ৰীপূৰ্ণ বড়ো—পাইপ ওৱাটাৰ স্কীমৰ যোগেদি গুৰমৌ গাওঁৰ ৪ হাজাৰ ৭৫ জন মানুহক ১০।৪।৮৩ চনলৈকে পানী যোগান দিয়া হৈছে বুলি কৈছে। এতিয়া যিহেতু পানীযোগান বন্ধ হৈ আছে সেই গাওঁৰ মানুহে এতিয়া কৰ পৰা পানী খাইছে। এতিয়া তেওঁলোকৰ হাঁহাকাৰ হোৱা নাইনে?

শ্ৰীদৰসিং তেৰাং ( ৰাজ্যিক মন্ত্ৰী )—এইটো ১৯৮৩ চনত ঠিক কৰাৰ পাচত আকৌ ১০।৪।৮৩ তাৰিখে বেয়া হোৱাৰ পাচত পানী যোগান বন্ধ হৈ আছিল। এতিয়া সেইটো সোনকালে ঠিক কৰি এইমাহৰ ভিতৰতেই পানীযোগান ধৰাৰ কাৰণে চেষ্টা কৰি আছো।

শ্ৰীপূৰ্ণ বড়ো—ৰাইজে এতিয়া ক'ৰ পৰা পানী খাইছে? এই পানীৰ হাঁহাকাৰ টো কিহেৰে পূৰণ কৰিছে?

শ্ৰীদৰসিং তেৰাং ( ৰাজ্যিক মন্ত্ৰী )—ৰাইজে নিজে নিজেই পানীৰ ব্যৱস্থা কৰিছে, এই আঁচনিখন নোহোৱাৰ আগতে যেনেকৈ ব্যৱস্থা কৰিছিল তেনেকৈয়ে কৰিছে।

শ্ৰীপূৰ্ণ বড়ো—এই পাইপ ওৱাটাৰ স্কীমখন যে বাৰে বাৰে নষ্ট হৈ আছে এইখন এখন ডিফেক্টিভ স্কীম নেকি? যিহেতু ৰাইজে পানী খোৱাৰ পৰা বিৰত থাকিবলগীয়া হৈছে।

শ্ৰীদৰসিং তেৰাং ( ৰাজ্যিক মন্ত্ৰী )—এইখন ডিফেক্টিভ স্কীম নহয়। মাননীয় সদস্য সকলে জানে যে যোৱা আন্দোলনৰ সময়ত আন্দোলনকাৰীয়ে বহুতো দলং ইত্যাদি নষ্ট কৰিছে। এই স্কীমতো তাৰ ভিতৰতে পৰে।

শ্ৰীমথুৰা ডেকা—আমি জনাত আন্দোলনকাৰীয়ে নষ্ট কৰা দলং বিলাক ইতিমধ্যে মেৰামতি কৰা হৈ গ'ল কিন্তু এইটো কিয় আজিলৈকে নহ'ল। এইটো ডিফেক্টিভ বা অচল স্কীম নেকি আমাক জনাব লাগে।

শ্ৰীদৰসিং তেৰাং ( ৰাজ্যিক মন্ত্ৰী )—আন্দোলনকাৰীয়ে এই পাইপ ওৱাটাৰ স্কীম-টো দুবাৰকৈ নষ্ট কৰিছে।

Re: Tax Payable by India Carbon Ltd.

Shri Harendra Nath Talukdar, asked:

*60. Will the Minister, Municipal Administration be pleased to state—

(a) The amount of tax to be paid by India Carbon Limited Noonmati to the Guwahati Municipal Corporation per year?

(b) Whether the said tax has been regularly paid in the years.

(i) 1981-82
(ii) 1982-83
(iii) 1983-84
(iv) 1984-85?

(c) If not, the balance amount yet to be paid in each year as mentioned above?

Shri Sadhan Ranjan Sarkar (Minister, Municipal Administration) replied—

60. (a)—M/S India Carbon Limited, Noonmati Guwahati is required to pay property Tax of Rs. 67,509·52 and Urban Tax of Rs. 15,310·35 per year.

(b)—M/S India Carbon Ltd. has three holdings, namely, Holding No. 1, 2 and 2-A in ward No. 31. Against Holding No. 1 and 2, taxes have been paid upto second quarter of 1984-85 on 19.9.84. Therefore, arrear taxes for the last two quarters viz. Oct.-Dec '84 and

Jan.—March' 85 are yet to be paid. Against Holding No. 2-A, upto date taxes upto March' 85 is paid on 13.3.85.

(c)—There is no arrear balance amount to be paid for the years 1981-82, 1982-83, 1983-84. Only balance amount of Rs. 30,084·26 are yet to be paid for the 3rd and 4th quarters of 1984-85 for Holding Nos. 1 and 2 only.

Shri Harendra Nath Talukdar—Sir, may I know from the Hon'ble Minister when it was due for Holding No. 1 and 2 to pay the remaining revenue of Rs. 30,084.26 p ?

Shri Sadhan Ranjan Sarkar ( Minister )—There is no arrear balance for the year 1981-82, 1982-83, 83-84. only balance amount of Rs. 30,084·26 p are yet to be paid for the the 3rd and 4th quarters of 1984-85 for holding Nos. 1 and 2.

Shri Harendranath Talukdar—That is the arrear. I have requested the Minister to clarify when was it due ?

Shri Sadhan Ranjan Sarkar ( Minister )—That information is not with me. However, only for two quarters due for which notice has been given.

Shri Harendranath Talukdar—Whether there is any representation for remission of this tax ?

Shri Sadhan Ranjan Sarkar ( Minister )—I not remember to have received any representation.

Shri Harendranath Talukdar—Sir, I want to know either

'Yes' or 'No'. There is no question of remembering.

Shri Sadhan Ranjan Sarkar ( Minister )—It is a separate question, I need notice for it.

Shri Hemen Das—It is in relation to the question and so he is to answer it, Sir.

Shri Sadhan Ranjan Sarkar ( Minister )—From the report, it seems that there is no mention about any representation. There is no record also.

ৰি : ধাত্ৰী নিয়োগ ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

৬১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ সমূহ মেডিকেল চাবচেণ্টাৰত ধাত্ৰী নিয়োগ কৰা হৈছে নে ?

(খ) ধাত্ৰী সকলক যি সমূহ আচবাৰ দিব লাগে, সেই বিলাক যোগান ধৰা হৈছে নে ?

(গ) মেডিকেল চাব চেণ্টাৰ সমূহ মেৰামতি কৰাৰ ব্যৱস্থা আছে নে আৰু যদি আছে সেইবিলাক নিয়ম মতে মেৰামতি কৰা হৈছে নে ?

(ঘ) মেডিকেল চাব চেণ্টাৰত কোনো চকিদাৰ নিয়োগৰ ব্যৱস্থা হৈছে নেকি ?

ডাঃ ভুমিধৰ বৰ্মণ ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৬১। (ক) – সম্পূৰ্ণ কৈ এতিয়াও কৰিব পৰা হোৱা নাই ।

(খ)—সৰহ ভাগকে দিয়া হৈছে ।

(গ)—আছে, পুঁজি অনুসাৰে গড়কাপ্তানী নাইৰা জনস্বাস্থ্য কাৰিকৰী বিভাগে ব্যৱস্থা হাতত লয় ।

(ঘ)—নাই ।

শ্ৰীমথুৰা ডেকা—মাননীয় উপাধ্যক্ষ মহোদয়, এই ধাত্ৰী সকলক আচবাব দিয়া

হৈছে নেকি বুলি সোধাত সৰহ ভাগেই দিয়া হৈছে বুলি কৈছে কিন্তু জানিব পাৰোনে এই সৰহ ভাগ বুলিলে কিমান ভাগ বুজায় চাৰি ভাগৰ এভাগ নে চাৰি ভাগৰ তিনি ভাগ নে কিমান ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—এ, এন, এম ট্ৰেইনিং চেণ্টাৰ নতুনকৈ কৰা হৈছে। এওঁলোকক আচবাব দিয়া হৈছে। আৰু কববাত অৱশ্যে এতিয়াও দিয়া হোৱা নাই। আমি এতিয়া সেই বিলাক ঠাইত দিবলৈ ক্ৰমাগতঃ ভাবে চেষ্টা কৰি আছো।

শ্ৰীমথুৰা ডেকা—মই জনাত সোণাপুৰতেই পোৱা নাই।

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—আমি কোনোবা ঠাইত দিব নোৱাৰো কথাটো মই আগতেই কৈছো। তাত যদি পোৱা নাই আমি নিশ্চয় ক্ৰমে ক্ৰমে দিবলৈ চেষ্টা কৰিম।

শ্ৰীপ্ৰসাদ দলৈ—এই মেডিকেল চাবচেণ্টাৰ বিলাক সাধাৰণতে পিচ পৰা ঠাই বিলাকত প্ৰতিষ্ঠা কৰা হয়। এই চাব চেণ্টাৰ বিলাকত বছৰি কিমান টকাৰ ঔষধ পাতি দিয়া হৈছে।

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—প্ৰতিটো চাব চেণ্টাৰত ২ হাজাৰ টকাৰ ঔষধ দিয়া হৈছে।

শ্ৰীপ্ৰসাদ দলৈ—এই ২ হাজাৰ টকাৰ ঔষধেৰে কিতো হব। এটা টেবলেটৰ দামও নোলাৰগৈ। গতিকে ইয়াক বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব নে ?

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—বৃদ্ধি কৰাৰ কাৰণে চেষ্টা চলাই থকা হৈছে।

শ্ৰীআফাজুদ্দিন আহমেদ—অসমত বৰ্ত্তমানলৈকে কিমান চাবছেণ্টাৰ আছে আৰু চলিত বছৰত কিমান চাব চেণ্টাৰ কৰিছে ?

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—বৰ্ত্তমান ১৭১৪ টা চাবচেণ্টাৰ আছে আৰু ৬৬০ টা এই বছৰ চেন্‌চন্ দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা—মেৰামতি হোৱা নাই। ফলত তাত মানুহ থাকিব নোৱাৰা হৈছে। গতিকে এই মেডিকেল চাবচেণ্টাৰ বিলাক মেৰামতি কৰিব লাগে। বিশেষকৈ সোনাপুৰ মেডিকেল চেণ্টাৰত বৰষুণ দিলে থাকিব নোৱাৰি।

বি : জনজাতি অঞ্চলৰ বাবে আঁচনি।

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে :

৬২। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা জাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জনজাতি সংৰক্ষিত অঞ্চল সমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন বিভাগত ধাৰ্য্য কৰা আঁচনি সমূহ ৰূপায়িত কৰা হৈছেনে ?

(খ) এই আঁচনি সমূহ সকলো জনজাতি লোক সকলৰ বাবে জনসংখ্যাৰ ভিত্তিত ৰূপায়িত কৰা হৈছেনে ?

(গ) এই আঁচনি সমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৯৮২-৮৩, ১৯৮৩-৮৪, ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনত কিমান টকা আগবঢ়াইছিল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা জাতিৰ কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৬৩। (ক)—হয়, যথাসম্ভৱ কৰা হৈছে।

(খ)—১৯৭১ চনৰ লোকপিয়ল অনুসৰি মুঠ ১৩.৪৪ লাখ জনজাতি লোক সংখ্যা ভিতৰত জনজাতি সংৰক্ষিত অঞ্চলত (TSP) বসতি কৰা মুঠ ১০.৮৩ লাখ জনজাতিৰ মাজত এই আঁচনি সমূহ ৰূপায়িত কৰা হৈছে।

(গ)—কেন্দ্ৰীয় চৰকাৰে বিশেষ বিত্তীয় মঞ্জুৰী ( S. C. A. ) উক্ত বছৰ কেইটাত তলত দিয়া ধৰণে আগবঢ়াইছিল—

| | |
|---|---|
| ১৯৮২-৮৩ চনত— | ৪১১.০০ লাখ টকা |
| ১৯৮৩-৮৪ চনত— | ৪৭৭.৩৩ লাখ টকা |
| ১৯৮৪-৮৫ চনত— | ৫৩৩.৫৮ লাখ টকা |

১৯৮৫-৮৬ চনত—বৰ্ত্তমানলৈ কেন্দ্ৰীয় চৰকাৰে কোনো বিত্তীয় মঞ্জুৰী অনুমোদন কৰা নাই।

Shri Binoy Kumar Basumatary—The Minister had replied that out of the 13·44 lakhs only 10·83 lakhs were covered by the TSP. Why it is no ?

Shri Ranendra Narayan Basumatary ( Minister )—Sir, the plains tribal population according to the 1971 Census is 13·44 lakhs. It has covered almost 81 percent of the tribal population. The total population covered in TSP is 10.83 lakhs and the rest 2.61 lakhs remained outside the TSP.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—এই দুই লাখ ৬১ হাজাৰ মানুহক চাব প্লেনৰ পৰা কিয় বাদ দিয়া হ'ল ?

Shri Ranendra Narayan Basumatary ( Minister )—While constituting the TSP area, the Planning Commissions earmarked certain norms. These norms are Tribal Population area must be residing in a compact area and the percentage of the tribal population should be 50% and above and not below that. Accordingly we have constituted TSP areas numbering 19 Nos. In the existing TSP the Tribal population ranges from 50% to 62%

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—উন্নয়ন খণ্ড হিচাবে মানুহখিনি নিৰ্দ্ধাৰণ কৰা হৈছে নেকি যিবিলাক উন্নয়ন খণ্ডৰ শতকৰা ৫০ ভাগ নাই আৰু যিবিলাক গাওঁ পঞ্চায়তত শতকৰা ৮০ ভাগ আছে সেই বিলাক অন্তর্ভূক্ত কৰা হব নেকি ?

Shri Ranendra Narayan Basumatari ( Minister )– টি. এচ. পিৰ বাহিৰেও যি সকল আছে ২ লাখ ৬১ হাজাব. থাকিলে—To take care of the people, there is a separate provision. As our Hon. Members are aware, there is a sector called the Backward classes sector. So, under this backward classes sector, there is some provision. i. e. for education,

medical treatment and for other economic purposes. Out of this amount, though it is not adequate, the tribals living outside the Sub-Plan area are taken care of.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—উপাধ্যক্ষ মহোদয়, মই প্ৰশ্নটোৰ এটা স্পষ্টীকৰণ বিচাৰিছো। মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে জনজাতী সকলৰ উন্নয়ণৰ কাৰণে টি, এচ, পি, ৰ অন্তৰ্ভূক্ত কৰা হৈছে। মই সুধিব বিচাৰিছো গাওঁ পঞ্চায়তৰ এৰিয়া হিচাবে বিবেচনা কৰি চাব নেকি ?

শ্ৰীবণেন্দ্ৰ বসুমতাৰী ( মন্ত্ৰী )—গাওঁ পঞ্চায়ত হিচাৰেই বিবেচনা কৰা হয়।

শ্ৰীপুষ্প পেগু—মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা স্পষ্টকৈ জানিব বিচাৰিছো। টি, এচ, পি, আৰু টি, ডি, এ, ৰ এৰিয়াৰ মানুহেই এই সুবিধা গ্ৰহণ কৰে। মই জানিব বিচাৰিছো ইয়াৰ বাহিৰত থকা মানুহে এই সুবিধা পাবনে ?

শ্ৰীবনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—টি, এচ, পি, এৰিয়াৰ মানুহৰ সুবিধাৰ কাৰণেই এইটো কৰা হৈছে। টি, ডি, এ, টো এইটো আলোচনা কৰা হৈছে। মাননীয় সদস্য গৰাকী নিজেই ইয়াৰ মাননীয় সদস্য। ১৯৮৪-৮৫ চনত ১৯ টা প্ৰজেক্ট গঠন কৰা হৈছে। ইয়াৰ উপৰিও ১৯ খন গাওঁ পঞ্চায়ত আছে। য'ত জনজাতীৰ সংখ্যা বেছি সেইবিলাক অঞ্চলৰ মানুহৰ উন্নতিৰ কাৰণেই কাম কৰা হয়। for socio-economic development in this development sector.

শ্ৰীপুষ্প পেগু—মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো টি, এচ, পি, আৰু টি, ডি, এ, ৰ ফাণ্ডৰ টকাৰ পৰা টি, এচ, পি, ৰ বাহিৰত থকা মানুহে সুবিধা পাবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—টি, ডি,এ, ৰ সংবিধানত এই বিষয়ে লিখাই আছে। টি, এচ, পি মানুহৰ কাৰণেই টি, ডি, এ, গঠন কৰা হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো টি, এচ, পি, ৰ কাৰণে যি টকা ধাৰ্য্য কৰা হয় সেইবিলাক জনসংখ্যা ভিত্তিত বিতৰণ কৰা

হয় নেকি ?

শ্রীৰনেন্দ্র নাৰায়ণ বসুমতাৰী ( মন্ত্রী )—জনসংখ্যাৰ ভিত্তিতেই বিতৰণ কৰা হয়। দ্বিতীয়তে যি অঞ্চল একেবাৰে পিচপৰা সেইবিলাক অঞ্চলৰ উন্নতিৰ কাৰণে অগ্ৰাধিকাৰ ভিত্তিত বিতৰণ কৰা হয়।

শ্রীজগত পাটগিৰি—মন্ত্রী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যি ১৩'৪৪ লাখ জনজাতি লোকৰ সংখ্যা কৈছে সেইটো ১৯৭১ চনৰ লোকপিয়লৰ হিচাব। কিন্তু এতিয়া জনজাতিৰ সংখ্যা বহুত বাঢ়িছে। গতিকে টি, এচ, পিৰ, সংখ্যা বঢ়োৱাৰ ব্যৱস্থা কৰিব নেকি ?

শ্রীৰনেন্দ্র নাৰায়ণ বসুমতাৰী—১৯৮০-৮১ চনত পিয়ল নহলে ৰেজিষ্টাৰ জেনাৰেল অৱ চেনচাচে এটা হিচাব দিছে সেই মতেই কৰা হৈছে।

Shri Binoy Kumar Basumatari—Sir, the question relates to the area adjacent to the TSP area or the fringe area. There are many tribal pocket areas which have been left out. This is actually a mis-calculation of the department. Whether Government will propose inclusion of complex area which have been left out, adjacent to to the area ?

Shri Ranendra Narayan Basumatari ( Minister )—Sir, I agree with the Hon. member. This will have to be taken up again and this will have to be taken up in the Plains Tribal Advisary Council also.

শ্রীবৰকত উল্লাহ—উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব পাৰোনে ? যিবিলাক টি, এচ, পি, এৰিয়াৰ বাহিৰত ট্ৰাইবেল মানুহ আছে তেওঁলোকক সন্নিবিষ্ট কৰিবৰ কাৰণে এখন কমিটি গঠন কৰিব নে ?

শ্রীৰনেন্দ্র নাৰায়ণ বসুমতাৰী—তেনেকুৱা কমিটি গঠন কৰাৰ প্ৰশ্ন নুঠে। কিয়নো পৱিত্ৰ সদনত এই বিষয়ে বোবাবো আলোচনা হৈছে। গতিকে সেই মতেই কাম কৰা হৈছে।

## Re: Dangarkuchi-Kaljar Road.

Shri Amir Hamcha Talukdar asked:

* 63. Will the Minister, P. W. D. be pleased to state:

(a) Whether the Govt. have any proposal to make motorable the Dangarkuchi Kaljar P. W. D. Road by repairing the damages caused by the last flood within this financial year?

Smti Syeda Anowara Taimur (Minister, P. W. D.) replied:

63. Yes.

শ্ৰীআমিৰ হামচা তালুকদাৰ—উপাধ্যক্ষ মহোদয়, দাঙ্গাৰকুছি-কালঝাৰ ৰাস্তাটো বানপানীয়ে নষ্ট কৰাৰ আগতে বাছ, গাড়ী আদি চলাচল কৰিছিল। এতিয়া সেইটো মেৰামতি কৰাৰ বাবে কিমান টকা লাগিব আৰু এতিয়া লৈকে কিমান টকা দিয়া হৈছে?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—এইটো বৰ জৰুৰী ৰাস্তা আৰু ৩১ নং ৰাষ্ট্ৰীয় পথৰ লগত সংযোগ হৈছে। ৰাস্তাটোৰ কিছুমান ঠাইত দলঙো ভাঙিছে। ইয়াৰ মেৰামতি কৰাৰ কাৰণে ৬৫ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। প্ৰথম কিস্তিত ৩০ হাজাৰ টকা আৰু দ্বিতীয় কিস্তিত ৩৫ হাজাৰ টকা দিয়া হৈছে। কাম খিনি হ'লেই বাছ, গাড়ী আদি চলাচল কৰিব পাৰিব।

## Re: Dam at Longai River.

Shri Main Uddin asked:

* 64. Will the Minister, Flood Control be pleased to state:

(a) Is there any plan to construct a dam at the origin of Longai river to save life and property of the huge

population settled in the Longai Valley ?

(b) If so, when it is expected to come up ?

Shri Ranendra Narayan Basumatary (Minister, Flood Control) replied :

64. (a) At present there is no proposal for construction of a dam on the river Longai.

(b)—Does not arise in view of (a) above.

শ্রীমৈনুদ্দিন—উপাধ্যক্ষ মহোদয়, যদি এই ধরনের কোন প্রস্তাব সরকারের না থাকে তবে করিমগঞ্জ জেলার জনসাধারনকে লঙ্গাই নদীর বন্যা থেকে রক্ষা করার জন্য সরকার কি চিন্তা করছেন ?

Shri Ranendra Narayan Basumatari ( Minister )–Sir, as to this question, we are all aware that the Longai embankment was very badly damaged in the first flood of 1984. So, Sir, this embankment required raisng and strengthening and we have taken it up for raising and strengthening of the embankment. Of course, there may be necessity of dam in future but this requires investigation. Our department, in particular, does not take up investigation for construction of dam. So, Sir, the Barhmaputra Flood Control Board of Govt. of India was investigating into this and, they will, perhaps, survey it. But it will take some time to materialise.

বি : বানপানী ক্ষতিগ্ৰস্ত অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা ।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

৬৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বানপানীত ক্ষতিগ্ৰস্ত অঞ্চলৰ য'ত ৰবি শস্যৰ খেতি কৰা হৈছে সেই খেতিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে নে ?

(খ) যদি হৈছে, ক'ত ক'ত কৰা হৈছে ?

(গ) যদি হোৱা নাই, কিয় ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৫। (ক)—১৯-৪ চনত জলসিঞ্চন আঁচনিৰ উপকৃত খেতিপথাৰত ১৩৪৫৪ হেক্টৰ মাটিত গম খেতিৰ বাবে পানী যোগানৰ কাৰ্য্যক্ৰম তৈয়াৰ কৰা হৈছিল।

(খ) – কম বেচি পৰিমাণে অসমৰ আটাই কেইটা মহকুমাতেই কৰা হৈছে।

(গ) —প্ৰশ্ন নুঠে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, বানত ক্ষতিগ্ৰস্ত অঞ্চলত ঘেহু খেতিৰ কাৰণে, গম খেতিৰ কাৰণে বা ৰবি শস্যৰ খেতিৰ কাৰণে জলসিঞ্চনৰ ব্যৱস্থা ৰঙিযাত দেখা নাই যাৰ ফলত ৰবি শস্য ঠিক ধৰণে হোৱা নাই। ক'ত ক'ত ব্যৱস্থা কৰা হৈছে ? মোৰ প্ৰশ্ন আছিল বানপানীত ক্ষতিগ্ৰস্ত অঞ্চলত পানী যোগান সম্পৰ্কত। নলবাৰী, ৰঙিয়া অঞ্চলত বহু পৰিমাণে বানত ক্ষতি হৈছিল আৰু সেইবিলাক অঞ্চলত ৰবি শস্য কৰা হৈছিল। সেইবিলাক অঞ্চলত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে নেকি ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী)—অকল বানপানীত ক্ষতিগ্ৰস্ত হোৱা অঞ্চলতেই নহয়, য'ত য'ত জলসিঞ্চনৰ সুবিধা আছে, সেইবিলাকত কৰা হৈছে। ৰঙিয়া অঞ্চলত আছে। ক'ত ক'ত পানী দিয়া হৈছিল সেইটো কম-পাইল কৰা হৈছিল। ডিচেম্বৰলৈকে ৰঙিয়াত ঘেঁহু খেতিৰ কাৰণে ১২৬'৪৮ হেক্টৰ মাটিত পানী দিয়া হৈছিল।

শ্ৰীমথুৰা ডেকা – ৰঙিয়া মহকুমাত পানীত ক্ষতি হৈছে আৰু ট্ৰেকৰাইজেচনৰ ব্যৱস্থা কৰিছিল। কিন্তু কতো পানী নাপালে। গতিকে যিটো হিচাব দিছে সেইটো মিছা তথ্য বুলি কব পাৰো।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী)—মই নিজে গৈছো ৰঙিয়াত পানী দিয়া দেখিছো।

শ্ৰীমথুৰা ডেকা—গাওঁ কেইখনৰ নাম কওঁক ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী )—লিফ্‌ট পইণ্টৰ পৰা দিয়া হৈছে। কেমেৰা জি ফটো আনিছো।

শ্ৰীপূৰ্ণ বড়ো—একজিচটিং দিপ টিউবওৱেল, লিফ্‌ট ইৰিগেচন আছে, সেই এৰিয়াৰ পৰা ২-১ বিঘা গম খেতিত জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। বানপানীত ক্ষতি কৰা অঞ্চল সমূহত য'ত গম খেতি কৰা হৈছে তাত অস্থায়ী পানী যোগানৰ ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী )—১৫ অশ্ব শক্তি সম্পন্ন প্ৰায় ২২৭ টা দিজেল পাম্প চেট আছে, টকা নথকাৰ কাৰণে দিব পৰা নাই। কৃষি বিভাগ, ৰাজহ বিভাগলৈ লিখিছিলো আৰু দিজেল, অপাৰেচনৰ খৰচ বিচাৰিছিলো, কিন্তু টকা নোপোৱাৰ কাৰণে দিব পৰা নাই।

## Re : Anti-erosion measures

Shri Amir Hamcha Talukdar, asked :

* 66. Will the Minister Flood Control be pleased to state—

(a) Whether the Anti-erosion measures of Pahumara river has been taken to save Bhowkamari, village under Barpeta District ?

(b)—If so, the amounts proposed for the scheme ?

(c)—How the proposal stands at present ?

Shri Ranendra Narayan Basumatari (Minister, Flood Control) replied—

66. (a) No such scheme has so far been taken up.

(b)—The estimated amount of the proposed scheme is Rs. 3,65,00·00.

(c)—The Scheme is under consideration.

শ্ৰীআমিৰ হামচা তালুকদাৰ—মই জনাত এইখন সৰু স্কিম আৰু টেকনিকেল

এডভাইজৰি বৰ্ডত পাছ কৰিছে। এই বছৰৰ এনুৱেল প্লেনত ধৰা হৈছে। হিচাব মতে ৩ লাখ ৬০ হাজাৰ আঁচনি। গতিকে এই সৰু আঁচনিখন অগ্ৰাধিকাৰ ভিত্তিত ধৰা হবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—টকাৰ নাটনিৰ কাৰণে এতিয়ালৈকে এডমিনিষ্ট্ৰেটিভ এপ্ৰ্ভেল দিয়াটো সম্ভৱ হোৱা নাই। এই আঁচনিখন বৰ জুৰুৰী আৰু অতি প্ৰয়োজনীয়। এইটো মঞ্জুৰীৰ বাবে বিবেচনা কৰি আছে।

শ্ৰীমতী মৃদুলা চহৰীয়া – বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে দৰঙৰ উত্তৰ অঞ্চলৰ নদীসমূহৰ খহনীয়া সম্পৰ্কত ভালদৰে জানে। এই নদীসমূহৰ খহনীয়া বন্ধ কৰিবৰ কাৰণে তেখেতে কি ব্যৱস্থা লৈছে ? ননৈ, শুকলাই, কালানদী আদিয়ে টংলা টাউনকে ধৰি আশে পাশে থকা বাগানসমূহ ভাবুকিৰ সন্মুখীন হৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে ?

মাননীয় উপাধ্যক্ষ—বিষয়টো পহুমাৰা নদী সম্পৰ্কত।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—দৰং জিলাৰ উত্তৰে ভুটানৰ পাদদেশলৈ পৰিভ্ৰণ কৰিছো। আমাৰ বিভাগীয় এক্সপাৰ্ট, সচিব, চিফ্ ইঞ্জিনিয়াৰ আদিয়ে পৰিভ্ৰমণ কৰিছে। গোটেই কথাটো জানো। টেকনিকেল এডভাইজৰি কমিটিত বিবেচনা পাইছে। তাৰোপৰি আমাৰ অসম ষ্টেট ব্ৰহ্মপুত্ৰ ভেলি বৰ্ড আছে। গতিকে মাননীয় সদস্য গৰাকীৰ কথাটো চেষ্টা কৰা কৈছে। সেই বিলাক বান নিয়ন্ত্ৰণ মিটিঙলৈ আহিব আৰু বিবেচনা হব।

শ্ৰীচিলভিয়াচ কন্দপান—অসম ৰাজ্যত বৰষুণৰ ফলত বিভিন্ন অঞ্চলৰ নদীসমূহ পানীৰে ওপচি পৰি বানপানীৰ সৃষ্টি কৰি ওচৰ চুবুৰীয়া গাওঁবিলাক ক্ষতিগ্ৰস্ত কৰে। এই সমস্যাটো সদায় হৈ আছে। এই বোৰ ক্ষতি ভালকৈ জৰিপ কৰি বিভাগীয় অফিচাৰ সকলে প্ৰতি বানপানীৰ পিছত চৰকাৰক ৰিপোৰ্ট দিয়াৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—এইটো ব্যৱস্থা আছে। টকাৰ অভাৱৰ কাৰণে গোটেই আঁচনিবিলাক লোৱাটো সম্ভৱপৰ হোৱা নাই। ৬৫ কোটি

টকাৰ আঁচনি লোৱাটো সম্ভৱপৰ নহয়।

শ্ৰীঅলিত বড়ো – কেইখন আঁচনিৰ এডমিনিষ্ট্ৰেটিভ এপ্ৰভেল হোৱা নাই? কিমান আঁচনি এপ্ৰভ হৈছে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) – তালিকা মোৰ হাতত নাই। ৬৫ কোটি টকাৰ স্কিম হাতত আছে। কেইটামান আঁচনিত এডমিনিষ্ট্ৰেটিভ এপ্ৰভেল দিব পাৰিছো।

Re : Subsidiary Health Centre at Rangmahal.

Shri Purno Boro, asked :

*67. Will the Minister, Health be pleased to state–

(a) Whether it is a fact that Govt. has a proposal for establishing a Subsidiary Health Centre at Rangmahal under Goreswar Revenue Circle ?

(b) If so, when the Subsidiary Health Centre would be established ?

Dr. Bhumidhar Barman ( Minister, Health ) replied :

67. (a) & (b)—It has been decided to establish Primary Health Centre at Rangmahal during the Seventh Five year Plan period subject to the availablity of funds.

শ্ৰীপূৰ্ণ বড়ো—এই পি, এইচ, চিটো ৭ ম পাচবছৰীয়া পৰিকল্পনাত হব বুলি কৈছে। গতিকে পৰিকল্পনাৰ আৰম্ভণি বছৰত পতাৰ ব্যৱস্থা হবনে ?

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী )—এইটো কব নোৱাৰো। মই কথাটো চেষ্টা কৰি চাম।

শ্ৰীচিলভিয়াচ কন্দপান—স্বাস্থ্য বিভাগত পি, এইচ, চি, চাবচিদিয়েৰি হেলথ্ চেণ্টাৰ আৰু হেলথ্ চাব চেণ্টাৰ, এই তিনিবিধ চেণ্টাৰ আছে। এই তিনি বিধ চেণ্টাৰত কেনে ধৰণৰ চিকিৎসাৰ ব্যৱস্থা দিয়া হব ?

ডঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)—চাৰ মই আগতেই কৈছো চাব চেণ্টাৰত এ, এন, এম থাকে আৰু সাধাৰণ চিকিৎসা বিলাক দিয়া হয়। গৰ্ভৱতী তিৰোতা শিশু, পানী লগা জ্বৰ, শৌচ, কাটিলে বেন্দেজ দিয়া /আদি চিকিৎসাৰ ব্যৱস্থা থাকে। তাৰোপৰি সপ্তাহত সেইবিলাকত দুদিন পি, এইচ, চিৰ ডাক্তৰ আহি এটেন্দ কৰাৰ নিয়ম আছে। বহু ঠাইত পি, এইচ, চিত ৰোগীৰ সংখ্যা বেছি থাকে, যাতায়তৰ অসুবিধা বাবে যোৱাটো কিছুমান ক্ষেত্ৰত সম্ভৱপৰ নহয়। কিন্তু যোৱাৰ নিয়ম আছে। চাবচিদিয়েৰি হেলথ্ চেণ্টাৰত অৱজাৰভেটৰি বেদ থাকে ৰোগী থকাৰ ইনদৰ বেদ নাই। পি, এইচ, চিত ইন্দৰ আউটদৰৰ ব্যৱস্থা আছে আৰু ইন্দৰ বেদ আছে।

শ্ৰীপূৰ্ণ বড়ো—উপাধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নটো আছিল গোৰেশ্বৰ ৰেভিনিউ চাৰ্কোলৰ অন্তৰ্গত ৰংমহলত আৰু সেই একে চাৰ্কোলৰ অন্তৰ্গত চেনিগাওঁত চাবচিদিয়াৰি হেলথ্ চেণ্টাৰ হব বুলি প্ৰচাৰ হৈছিল। মন্ত্ৰী মহোদয়ে এদিন খবৰ দি তালৈ গৈছিল আৰু নদী পাৰ হব নোৱাৰি উভটি আহিল। মন্ত্ৰী মহোদয়ে এই কথাটো বোধকৰো প্ৰচাৰ কৰিছে যে তাত এটা চিকিৎসাৰ ব্যৱস্থা কৰা হব। চাবচিদিয়াৰি হেলথ্ চেণ্টাৰেই হওক বা প্ৰাইমেৰী হেলথ্ চেণ্টাৰেই হওক কি সিদ্ধান্ত লোৱা হৈছে ?

শ্ৰীভূমিধৰ বৰ্মণ (মন্ত্ৰী)—ৰাইজৰ ফালৰ পৰা দাবী আহিছে কিন্তু এতিয়ালৈকে সিদ্ধান্ত লোৱা হোৱা নাই। মই এবাৰ গৈ নদী পাৰ হব নোৱাৰি ঘূৰি আহিব লগা হ'ল।

শ্ৰীপূৰ্ণ বড়ো—উপাধ্যক্ষ মহোদয়, ভিতৰুৱা অঞ্চলত চিকিৎসাৰ ব্যৱস্থা কৰা অতি প্ৰয়োজন। মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কিবা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী)—ভিতৰুৱা অঞ্চলৰ চিকিৎসাৰ প্ৰয়োজন উপলব্ধি কৰিয়েই সপ্তম পৰিকল্পনাত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ওলাইছে।

শ্ৰীপূৰ্ণ বড়ো—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৰং মহলত হব বুলি কৈছে। কিন্তু চেনিগাঁৱত মন্ত্ৰী মহোদয়ে কৰিবনে নাই ?

শ্ৰীভূমিধৰ বৰ্মণ (মন্ত্ৰী)—চেনিগাঁৱত চাম। ৰং মহলত নিৰ্মান কৰিম বুলি মাননীয় সদস্য গৰাকীক কোৱা হৈছে আৰু এই মন্ত্ৰীত্বৰ দিনতেই এবাৰ তাৰ পৰা টুৰ কৰি অহাও হৈছে।

Mr. Deputy Speaker—Now item No. 2. Grant No. 31. Shri Mukut Sarma, Minister. Education to move.

Shri Mukut Sarma ( Minister, Education )—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 2,10,11,26,000/- be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986, for the administration of "Education".

Mr. Deputy Speaker—There are three Cut Motions. First one moved by Shri Benoy Kumar Basumatary, Shri Alit Chandra Boro, Shri Md. Hussain and Shri Tazmul Ali Laskar. Second one By Shri Mathura Deka and third one by Shri Hemen Das and Shri Purna Boro.

Before taking up Cut Motion, I would like to inform the Hon'ble Members that we have only four hours time. So, no Hon'ble Member will be allowed to speak more than fifteen minutes.

Now Shri Benoy Kumar Basumatary to move.

Shri Benoy Kumar Basumatary—Mr. Deputy Speaker, Sir, I beg to move that the total provision of Rs. 2,10,11,26,000/- I under Grant No. 31 in respect of "Education", at pages 1-92 of Volume II, Part VIII of the Budget be redued to Re. 1·00 i.e. the amount of the whole grant of Rs. 2,10,11,26000 do stand reduced to Re. 1·00.

Mr. Deputy Speaker—Now Shri Mathura Deka to move.

শ্ৰীমথুৰা ডেকা—উপাধ্যক্ষ মহোদয়, মই ৩২ নং মজুৰীৰ ২১০ কোটি ১১ লাখ ২৬

হাজাৰ টকাৰ ১-৯২ খন্দৰৰ উপধাৰামতে কৰ্ত্তন কৰি এই ২১০ কোটি ১১ লাখ ২৬ হাজাৰ টকালৈ হ্ৰাস কৰা হওক।

Mr. Deputy Speaker—Now Shri Purna Boro to move.

Shri Purna Boro—Mr Deputy Speaker, Sir, I beg to move that the total provision of Rs. 2,10,11,26,000/- under Grant No. 31 in respect of "Education" at pages 1-92 of Volume II, Part VIII of the Budget, be reduced to Re. 1 i.e. the amount of the whole grant of Rs. 2,10, 11,26,000/-, do stand reduced to Re. 1·00.

Mr. Deputy Speaker—Now all the Cut Motions have been moved. Mr. Benoy Kumar Basumatary to speak now.

Shri Benoy Kumar Basumatary—Sir, in support of our Cut Motion, I rise to speak in the matter of policies because ours is a policy cut. Sir, if we study the Budget, we see that this Government has unreasonably burdened the people. For instance. Sir, if we observe the policy that has been taken by the Government in the State since Independence, we will see that every institution, every educational institution has been started by people. When the people realised the necessity for institutions, for instance, if we go to the primary school, we know, it is the people who started these primary schools and these primary schools are named and termed as venture primary schools and remained as venture for many years before Government decides to take them over. Now, Sir, the Government also requires certain fulfillment of conditions of

the people. For instance, when we feel the necessity of a primary school and people starts, it is the people who appoint the teachers, select land, build the houses and ask their children to go there and it is the people to man the venture L. P. Schools for any number of years say atleast for 5 to 15 years. But Sir, in case of tribals this period is lengthened and we can never expect or hope that our venture schools in tribal areas will be provincialised before ten fifteen years. Sir, when these venture schools are established the people are not aware of the rules and regulations. Then the Govt. tells them you must have land and qualified teachers and required number of students and then only the school is taken over. Even after that it depends upon the budgetary allocation. This tells of the the insensibility of the Govt. to the educational need of the people of the State. Not only this—this very system is followed in taking up the high schools and most of the colleges. This procedure, this venture procedure, is followed not only in the case of L. P. schools but upto college level. In this budget at page 5 in primary education itself for administration and direction we require more than Rs. 22 lakhs 70 thousand. Therefore, we see that most of money that is allocated in this budget is spent towards the administrative machinery of the departm-ent, If we go ahead and try to locate about the secondary education then also we find for secondary

inspector all Rs. 11,90,000/- for Plan area and Rs. 47,95,000/- for Non-Plan area. For Sixth Schedule areas it is Plan Rs. 60,000/- and Non Plan Rs. 11,02,000/-. Therefore, Sir, we see that huge amount of money is spent in inspection. But what happens to the inspection at secondary level ? In this House I have repeatedly brought the charge that Inspectors do not visit the schools on their own. It is the people who are to request and also please the Inspectors and D. Is. But what happens after that ? If you ask for an inspection report which is very essential for recognition and provincialisation it takes any number of months to get the inspection report from the Inspectors and inspectiong officers. These things are going on for the last 38 years; whereas we have seen that this budget allocatin is increasing, it is rebounding. Last year it was only Rs. 174 crores and from Rs. 174 crores this year it has jumped to Rs. 210 crores. Therefore, Sir, the educational allocation of the State has increased by more than 25%, whereas can we claim any improvement in the performance of the Education Department ? No Sir. Of course these are very old figures which are given, these are 1979 figures in the Education Statistics, if we go to page 11, if we compare the rural mass and the urban mass and the literacy per centage in the rural as well as urban areas, we will see that the fruit of education has not reached the people at large. For instance in Kamrup in 1961

the male rural population was 11,03, 384 and out of that only 855 were literate. In 1971 it is urban 1,777. And female in rural areas was 1,07,636 and therefore the total population in 1961 in rural areas was 1,44,508. But what is the rate of literacy in rural areas ? Out of this 11 lakh people only 15,000 people were literate in 1961. In 1971 it increased to 42,000. So, in 1971, these are the last recognised figures, out of 16 lakh people only 42,000 were literate. Sir, we can see that the rate of literacy in the State is not as expected. I have dealt with the most educationally advanced district in the State, that is Kamrup. There is a small booklet that is given to us in 1983. The rate of literacy is like this. In Kamrup out of the total population only 112 scheduled caste are literate. Out of the total population of Kamrup district in 1971 only 112 scheduled caste are literate and for scheduled tribe the figure is 220 literate. The percentage of male litaracy is 20% and the total percentage is 31.6%. But if we study and compare the tribal areas in the State then we will find that in Lakhimpur it is as low as 28% and in Karbi Anglong it is 19% and in a populous area like my district Darrang it is 20%. Therefore, we see, Sir, there is a major defect in the policy of education. Now we see that whatever the people starts is accepted by the State. Whereas we have come to know that in other States it is the Education Department who conduct survey and enquiry

to find out the need and decides such area and such requires a school or a college and the Govt. first establishes a building. But here in Assam we start with venture schools, that is with people's efforts. But what happens after the venture school or college is taken over? One of the condition for recognition and provincialisation is that the school or college must have building and the building should be well maintained. These facilities should be there. But as soon as these schools are recognised and provincialised, the Govt does not provide any fund even for the maintenance of the buildings. Now in the recognised High Schools, there are no Managing Committees. They have the Development Committees, and all the schools are run by the Head Masters, as the Secretaries. There are innumerable complaints against the Secretaries who are running those schools at their sweet will. The Government, inspite of repeated charges of mismanagement of these institutions, have failed to correct their action. Then Sir, as regards University Education, we have seen that there are two Universities Dibrugarh and Gauhati. Now, I happen to be the chairman in a College where I could not get teaching staff of a particular Department—Assamese. There is a general scarcity of Assamese Lecturer according to the norms of the UGC. There is scarcity also for English, Mathematics and Education. Therefore, Sir, these two Universities have failed to produce the teachers required by the State. Again,

what is the condition of the University Education ? These Universities are centres of Chauvinistic elements and centres of agitation. These Universities, I am very sorry to repeat it, are discriminatory against the tribal students. The other day, there is a charge that a tribal boy of Management & Business Administration belonging to my district was thrown out of the Hostel: He was the only tribal student in Business Administration. Not only that, one boy from Kokrajhar was seriously beaten. Now out of fear, he has developed a phobia. I understand now, the Students Union has asked him to come back to the University. Is it that these institutions have been mortgaged to the Students Union ? Sir, we have just now heard that son of Shri Ranendra Narayan Basumatari, our hon'ble Minister and also the sons and daughters of other Ministers and MLAs have become Pariahs in the State, Therefore, a man like Shri Basumatari who has sufficient money is in a position to send his son outside the State. He sent his son to Madras. The Assamese students at Madras stabbed him and he has been seriously injured. What is this ? The tribals cannot get any higher education in the State and also outside the State, Therefore, this Govt. should do something and act properly. It is observed that during the last two years the University Court meeting has not been held properly in the University campus. It is held either in the Stadium or elsewhere. The Question hour in the Court meeting

has been eliminated. They are unable to conduct this question and answer session in the University Court. Therefore, Sir, I want that this Govt. should take proper steps against these Universities. Now, the incidents I have enumerated here have brought a sense of insecurity amongst the tribal people. This agitation started in 1979. Then the agitation did not affect the agitation did not affect the tribal people as the schools and colleges were functioning normally. Even then, the tribal students could not sit in the examination. It was decided then that the tribal schools should be affiliated to some other Universities. What is the price we have got ? When we became good boys, we had to suffer, when we become bad boy, we will have to suffer. Yesterday, the Gaurang Mission School Hostel was raided because there was some unhappy incident going on in Kokrajhar. You know that a sense of discipline and strict rules prevail only in the Mission Schools where the students are not allowed to participate in any agitation. Even then the Police raided the Hostel of the Gaurang H. E. School. That is very unjustified. Then Sir, what about technical education and Junior Colleges ? Sir, recently, the Junior Colleges which have two years course have been brought under the Secondary Board and the Senior Colleges which have 3 years course have remained with the University. There is a regular complaint that the PU Science teachars teaching in the Higher Secondary Schools are

not adequately qualified to teach the students. This thing as I expressed earlier has become a reality. Therefore, Sir, since the Govt has already upgraded so many schools, they should ensure the availability of adequately qualified teachers. Now Sir. what is the procedure being adopted for the appointment of the Lecturers in Higher Schools ? If you go to the DPI Office, some officers will frankly say, you get the application either signed or attested by the Minister, then you can expect selection or appointment. So there is so much of interference from the Minister in the matter of recruitment of teachers in the Higher Secondary Schools.

Sir, even the appointments of clerks are interfered. In this way I do not see if there is anything new in this budget and in fact there is nothing to be encouraged by studying this budget. Then, Sir, I would like to mention here about the scholarships of the Scheduled castes and Scheduled Tribe students. The special scholarships for Scheduled castes and Scheduled Tribe students are held up in the Directorate for the Welfare of Scheduled castes and Scheduled Tribes Deptt. Sir, what is the intention of the scholarships for the tribal students if we cannot give them in time and when they are required. Sir, from the report of the Commissioner for Scheduled Castes and Scheduled Tribes placed in the Parliament we find that it has been repeatedly requested that the scholarships of the

students of Scheduled Castes and Scheduled Tribe students should be released monthly or if it is not possible to release the same in every month then it is to be released at-least bi-monthly or at-least at the time of their admissions. But, Sir, here in our State our boys get the scholarship only after the session is over. Therefore, Sir, we find in most cases parents are required to borrow the money or to sell their lands at the time of giving admission of their children and by the time they get these scholarships they are misused or misutilised. Therefore, sir, in support of the cut-motion, I would like to request the Govt. to look into the matter. Lastly, Sir, I would like to mention a point which is a very old problem and I have pointed out this problem repeatedly on many occasions in this House. Our Bodo students were not allowed to enter into Rowta Dandasaharia School for the last several years. The students and the local public did not allow our students to get the admission in this School. When this was brought to the notice of the Govt. then it was decided that this Rowta Dandasharia school would be bifurcated and accordingly a new School was started by the 'Bodos' in the name of J. B. Hagjer School. Though it was assured that this school will be fully equipped, but even today the school is not equipped properly. Teachers are not provided and the School building is not yet completed. Similarly, in 1978-79, Kolaigaon High School was bifurcated and Sanjourang

High School was established. But this school is not yet equipped fully. Then, Sir, both Khoirabari and Khatalguri High Schools were provincialised by the Govt. I am told that the provincialisation letters have gone to the Finance Deptt. and wherefrom clearance is not received probably and as a result of that these two schools are not yet provincialised. Sir, I do not want to take much time of the House. What I find here is that there is nothing new in the budget and I say that this Govt. has failed to give a new trend in this education budget of the State. With these words, Sir. I support my cut-motion.

* শ্ৰীহেমেন দাস – মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ সম্পৰ্কত কোৱাৰ আগতে মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই উত্থাপন কৰা এটা অভিযোগৰ সম্পৰ্কত মই কব বিচাৰিছো। তেখেতে কৈছে যে অসমীয়া ল'ৰাই ট্ৰাইবেল ল'ৰাক স্কুলত পঢ়িবলৈ নিদি স্কুলৰ পৰা উলিয়াই দিছে। আচলতে সেইটো অসমীয়া ল'ৰাই কৰিছে বুলি মই নকওঁ। সেইটো কৰিছে কোনোবা সমাজ দ্ৰোহী মানুহে। আমাৰ দুৰ্ভাগ্য যে কিছুমান সমাজদ্ৰোহী লোকে আমাৰ মাজত বিভাজন আনিব বিচাৰিছে। সকলো অসমীয়া মানুহেই বা সকলো অসমীয়া ছাত্ৰই ইয়াৰ বাবে জগৰীয়া নহয়। কিছুমান সমাজদ্ৰোহী শক্তিহে ইয়াৰ বাবে জগৰীয়া। যোৱা ৪ বছৰে এই সমাজদ্ৰোহী শক্তি বিলাকে আমাৰ দেশখনত কি কৰিলে সেইটো আমি সকলোৱেই দেখি আহিছো। ইয়াৰ বাবে আমি সকলোৱেই ভুগি আহিছো। মই আশা কৰিছো আমাৰ যি বিলাক জাতি অসমত বসবাস কৰিছে কোনোবা এজন লোকে কিবা কৰিলেই গোটেই জাতিটোকে দোষাৰোপ কৰিলে ভুল কৰা হ'ব আৰু তাকে কৰিলে আমি মিলা প্ৰীতিৰে বসবাস কৰি থাকিব নোৱাৰিম।

---

* Speech not corrected.

মই এতিয়া শিক্ষা বিষয়ত কব বিচাৰিছো যে শিক্ষাৰ সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা একোৱেই কৰা হোৱা নাই। ৰাইজে স্কুল পাতিছে চৰকাৰে গ্ৰাণ্ট দিছে। কিন্তু চৰকাৰৰ ফালৰ পৰা কেতিয়াবা পিচ পৰা অঞ্চলত কোনোবা স্কুল পাতিছেনে? নাই পতা। কিন্তু পাতিছে, যি বিলাক স্কুল সমাজৰ উচ্চস্তৰৰ বাবে প্ৰয়োজন হয়, সেই স্তৰৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে চৰকাৰে কেইবাটাও শিক্ষানুষ্ঠান পাতিছে। কোটি কোটি টকা খৰচ কৰি অসমত কেইবাখনো বিশ্ববিদ্যালয় পাতিছে। যি খন চৰকাৰে পিচপৰা অঞ্চলত এখন এল পি স্কুল পাতিব নোৱাৰে সেইখন চৰকাৰে কোটি কোটি টকা খৰচ কৰি কেইবাখনো বিশ্ববিদ্যালয় পাতিব পৰিছে কেনেকৈ? এই বিলাক বিশ্ববিদ্যালয় কাৰ কাৰণে? মই কোৱা নাই যে বিশ্ববিদ্যালয় পাতিব নালাগে। কিন্তু যি চৰকাৰে আখৰিক জ্ঞান দিবৰ কাৰণে এলপি স্কুল পাতিব নোৱাৰে, সেই চৰকাৰে বিশ্ববিদ্যালয় পাতিবলৈ প্ৰস্তুত হব পাৰে? ৰাইজে ভেঞ্চাৰ স্কুল পাতিছে, ভেঞ্চাৰ কলেজ পাতিছে চৰকাৰে সেই বিলাকত গ্ৰাণ্ট দিয়াৰ ব্যৱস্থা কৰি আহিছে। কিন্তু নীতিৰ ফালৰ পৰা একোৱেই হোৱা নাই। কিন্তু আজি দেশ আগবাঢ়ি গৈছে। আজি ক'ত ক'ত কি স্কুল পাতিব লাগে সেইটো চিন্তা কৰাৰ সময় আহি পাৰিছে। এল পি স্কুল ক'ত পাতিব লাগিব। হাইস্কুল ক'ত পাতিব লাগিব আৰু আগৰ দৰে যিহকে তিহকে শিকুৱাৰ সময় নাই। এতিয়া বান্দৰে গছত উঠা অংক উঠি গৈছে, সুতকচা অংক উঠি গৈছে। আমাৰ অসমত ৪ হাজাৰ এম ই স্কুল আছে। এই ৪ হাজাৰ এম ই স্কুল কেনেকৈ চলি আছে আমি সেই কথা কব নোৱাৰো। এম ই স্কুল বিলাকৰ যি বিলাক পাঠ্যক্ৰম সেই বিলাক কেনেকৈ শিকাইছে সেইটো কব নোৱাৰো। এম ই স্কুল বিলাকত চাইন্স গ্ৰেজুয়েট নাই। ২০ বছৰৰ আগতে নৰ্মাল পাচ কৰা বা ২০ বছৰৰ আগতে মেট্ৰিক পাচ কৰা শিক্ষকেই আজিৰ দিনৰ অংক বিলাক শিকাই আছে। আজি ২০ বছৰৰ পিচত যে দেশখনত ভয়ানক পৰিবৰ্ত্তন আহিছে সেই বিলাক কিমান গম পাইছে কব নোৱাৰো। অকল স্কুল পাতিলেই নহব। ভাল শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। এই ভাল শিক্ষা দিয়াৰ ব্যৱস্থা

নোহোৱাৰ ফলতেই আজিলৈকে ভাৰতবৰ্ষই এজন প্ৰখ্যাত বৈজ্ঞানিক উলিয়াব পৰা নাই। মানুহ উৎপাদনৰ কাৰণে প্ৰথমে তলৰ ফালে মন দিব লাগিব। তাকে নকৰি কেৱল ওপৰৰ ফালে বিৰ্চাচত সা-সুবিধা দিলেই নহব। এতিয়া শিক্ষা বিভাগে ব্লক লেভেলতো কিছুমান অফিচ পাতিব বিচাৰিছে। অতি আচৰিত কথা যে আমাৰ খেতিয়কৰ ল'ৰাবো আজি প্ৰাইভেট টিউটৰৰ প্ৰয়োজন হৈছে।

মাননীয় চেয়াৰমেন মহোদয়, আজি আমাৰ শিক্ষা ব্যৱস্থাৰ এনে অৱনতি ঘটিছে যে আজি আমাৰ গাৱঁৰ খেতিয়কৰ ল'ৰা-ছোৱালীবোৰেও প্ৰাইভেট টিউটৰ লবলগীয়াত পৰিছে। কিন্তু চৰকাৰে টকা খৰচ কৰিবলৈ কমোৱা নাই। ১৯৭৯ চনৰ আগলৈকে যিবোৰ স্কুল পতা হৈছিল তাৰ কাৰণে ৪ হেজাৰ পদৰ মঞ্জুৰী দিছিল। কিন্তু সেই পদ পূৰণ কৰাৰ পিচতো আজিলৈকে ১৯৭৯ চনতে পতা স্কুলৰ লিষ্ট শেষ হোৱা নাই। বৰং বাঢ়িছেহে, কিয়নো ইয়াত স্কুল বিভাগৰ ডি, আই আদি বিষয়াই চাৰ্টিফিকেট দিয়ে যে উক্ত স্কুলখন ১৯৭৯ চনতে পতা। সেই কাৰণে আমি শিক্ষা বিভাগৰ টকা খৰচ কৰোতে যাতে লোকচান নহয় সেই কথা লক্ষ্য কৰিব লাগিব। ইমান টকা খৰচ কৰাৰ পিচতো আমি যদি স্কুল কলেজৰ পৰীক্ষাৰ ফলাফললৈ চাও তেন্তে দেখিবলৈ পাম যে যোৱা মেট্ৰিক পৰীক্ষাত পাচৰ শতকৰা হাৰ আছিল ২৮ জন। সেইদৰে পি-ইউ পৰীক্ষাত আছিল শতকৰা ২১ আৰু ডিগ্ৰী পৰীক্ষাতো আছিল শতকৰা ২১ ভাগ। এইক্ষেত্ৰত আমি অকল স্কুল কলেজৰ ল'ৰা-ছোৱালীক বেয়া বুলি কলেই নহব। আমি তলৰ পৰাই ইয়াক গঢ় দিব লাগিব। সেই কাৰণে শিক্ষা বিভাগৰ শিক্ষকৰ নিয়োগৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু শিক্ষা বিভাগৰ প্ৰশাসনৰ ওপৰতো গুৰুত্ব দিব লাগিব।

চেয়াৰমেন মহোদয়, এইখিনিতে মই বিশ্ববিদ্যালয়ৰ কথা কওঁ। কিছুদিন আগতে গুৱাহাটী বিশ্ববিদ্যালয়ে শ্ৰীকুমুদ শৰ্মা নামৰ এজন লোকক আইন কলেজত ৰীডাৰ হিচাবে নিয়োগ কৰে। কিন্তু তেখেতৰ নিযুক্তিৰ ক্ষেত্ৰত যিখিনি আইন-কানুন মানিব লাগিছিল সেইবোৰ ঠিক মতে মনা

হোৱা নাছিল। এই পদটোৰ কাৰণে যেতিয়া তেখেতে দৰখাস্ত কৰিছিল তেতিয়া তেওঁ এল, এল, এম পৰীক্ষাত শতকৰা ৫৫ ভাগ নম্বৰ পোৱা বুলি দেখুৱাইছিল। কিন্তু আচলতে তেওঁ নম্বৰ পাইছিল শতকৰা ৫৪'৮৬ ভাগহে। তেখেতৰ বিশ্ববিদ্যালয়ৰ আটাইবোৰ মাৰ্ক চিটেই মোৰ হাতত আছে। ১৯৬৪ চনত এল, এল, এম পাৰ্ট ওৱান পৰীক্ষাত তেওঁ পাছ কৰা দেখুৱাইছে। কিন্তু ১৯৬৮ চনত সেই পৰীক্ষাতে তেওঁ ফেইল কৰিছে। আনহাতে তেওঁ পিউ-বিজ্ঞানৰ পৰীক্ষাত পাছ কৰোতে তেওঁৰ পঞ্জিচন দেখুৱাইছে ১৫ বুলি আচলতে তেওঁৰ পঞ্জিচন আছিল ২৫ হে। পিচত তেখেতক কৰ্তৃপক্ষই সোধাত এইটো টাইপিং মিষ্টেক বুলি কলে। এতিয়া কথা হ'ল আমাৰ শিক্ষাৰ গুৰিকেন্দ্ৰ গুৱাহাটী বিশ্ববিদ্যালয়তে যদি এনে কৈ লোকে ঠগ, প্ৰবঞ্চনা কৰি নিয়োগ পত্ৰ পাই তাৰ বাবে চেঞ্চেল-ৰজনো দোষমুক্ত হব নোৱাৰে। আজি এনেকুৱা মানুহ এজনকেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ মূৰব্বী কৰি ৰখা হৈছে। ইয়াৰ ভিতৰত এক গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ থকা বুলি ভবাৰ থল আছে।

চেয়াৰমেন মহোদয়, লক্ষীমপুৰ জিলাৰ চিলাপথাৰত এখন কলেজ আছে। তাৰ প্ৰতিস্থাপক অধ্যক্ষ হিচাবে আছিল শ্ৰীপদ্মধৰ পেগু। তেখেতক কলেজৰ গৰ্ভনিং বডীয়ে খেদি দিছে। তেখেতে 'এপিল' কৰিলে। আৰু ডি, পি, আয়ে কলে যে এইটো বিচাৰ চলি আছে। কিন্তু এই বিচাৰ শেষ নহওঁতেই গৰ্ভনিং বডীয়ে এই প্ৰিন্সিপাল পদৰ বাবে বিজ্ঞাপন দিলে। আৰু সেই মতে কলেজৰ চেক্ৰেটৰী জনকে অধ্যক্ষ হিচাবে নিযুক্তি দিলে। এতিয়া সেই কলেজখনত দুজন প্ৰিন্সিপাল হোৱাৰ কাৰণে বিৰাট খেলি-মেলিৰ সৃষ্টি হৈ শেষত আইন-শৃংখলাৰ পৰিস্থিতি উদ্ভৱ হল। অৱশেষত সেই পৰিস্থিতি চম্ভালিবলৈ শ্ৰীৰাজেন তামুলি নামৰ এচ, ডি, চি এজনক অধ্যক্ষৰ আসনত বহুৱা হৈছে। এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে এনেধৰণৰ খেলিমেলিবোৰ অতি সোনকালে নিস্পত্তি কৰিব লাগে। শ্ৰীপেগুৱে যদি বিচাৰত চাকৰি নেপায় তাত আমাৰ আপত্তি নাই। তেওঁক আতৰাই বেলেগক দিয়ক। কিন্তু তেওঁ যদি

পোৱাৰ যোগ্য তেনেহলে সোনকালে তেওঁৰ কেছ নিষ্পত্তি কৰি চাকৰিত নিয়োগ কৰিব লাগে।

চেয়াৰমেন মহোদয়, ইয়াৰ পিচত মই বদৰপুৰৰ এখন কলেজৰ কথা কব খুজিছো। নবীন চান্দ নামৰ এই কলেজখনৰ গৰ্ভনিং বডীয়ে তাৰে এজন অধ্যাপকক কামৰ পৰা দিচমিচ কৰিছে। কিন্তু শিক্ষা বিভাগে তেওঁৰ দিচমিচেল অৰ্ডাৰটো এপ্ৰ'ভ কৰা নাই। বোধহয় এই ক্ষেত্ৰটো চৰকাৰৰ কিবা স্বাৰ্থ জড়িত হৈ আছে। আমাৰ কথা হ'ল চৰকাৰে ৰাজনীতি কৰক কিন্তু স্কুল কলেজৰ নিযুক্তিৰ ক্ষেত্ৰত ৰাজনীতি কৰি দুখীয়া জনসাধাৰণৰ ল'ৰা-ছোৱালীক ক্ষতি কৰাহে হৈছে।

চেয়াৰমেন মহোদয়, এই খিনিতে হেড মাষ্টৰ নিয়োগৰ কাহিনী এটা কওঁ। ডিব্ৰুগড় জিলাৰ বৰ পথাৰৰ ওচৰত ল'ৰাৰ হাইস্কুল এখনত এটা হেডমাষ্টৰৰ পদ খালী হ'ল। সেই পদটোত এম, ই স্কুলৰ যিজন হেডমাষ্টৰ তেওঁক হেডমাষ্টৰ হিচাবে নিয়োগ কৰা হ'ল। কিন্তু চৰকাৰৰ নিয়ম মতে যিজনে সহকাৰী হেডমাষ্টৰ হিচাবে কাম কৰি থাকে তেওঁকহে নিয়োগ কৰিব লাগে। সম্প্ৰতি এই কেছটো গুৱাহাটী হাইকৰ্ট পৰ্য্যন্ত পাইছেগৈ।

এই খিনিতে মই এম, ভি স্কুলৰ কথা এটাও উল্লেখ কৰো। আমাৰ এম, ভি স্কুলবোৰ সম্প্ৰতি উঠাই দিয়া উচিত। কিয়নো এইবোৰৰ প্ৰয়োজন এতিয়া নাই বুলি ভাবো। কাৰণ এম, ভি স্কুলত যি পৰ্যায়ৰ শিক্ষা দিয়া হয়, এম, ইতো তাকেই দিয়া হয়। গতিকে এই এম, ভি নামটো নেৰাখি সকলো এম, ই কৰিব লাগে। আৰু চৰকাৰে সকলোবোৰ এম, ই স্কুলত চায়েন্সৰ শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আনহাতে আমাৰ হাই মাদ্ৰাছা, টাইটোল মাদ্ৰাছা, চিনিয়ৰ মাদ্ৰাছা—এনেকৈ ৩-৪ বিধমান মাদ্ৰাছা আছে। মোৰ বোধেৰে এইবোৰ মিলাই এবিধ বা দুবিধ মাদ্ৰাছা কৰিব লাগে আৰু এই মাদ্ৰাছাবোৰ প্ৰাদেশিকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। আন হাতে মহকুমা ভিত্তিত যিবোৰ এডভাইচৰী কমিটি গঠন কৰা হৈছে সেই বোৰত সকলো ধৰণৰ

লোককেই প্ৰতিনিধিত্ব কৰাৰ সুবিধা দিব লাগে। আমি দুই ঠাইত দেখিবলৈ পাইছো যে যোৱা নিৰ্ব্বাচনত কংগ্ৰেছী টিকত লৈও জিকিব নোৱাৰা বা নিৰ্ব্বাচন নোহোৱাকৈ থকা সমষ্টিৰ কংগ্ৰেছী প্ৰাৰ্থী সকলকহে এনে কমিটিত প্ৰতিনিধিত্ব কৰিবলৈ দিয়া হৈছে। কিন্তু বিৰোধী দলৰ তেনে সদস্যক প্ৰতিনিধিত্ব কৰিবলৈ দিয়া নাই। এইটো কেনেধৰণৰ কথা? চৰকাৰ কংগ্ৰেছী বুলিয়েই অকল কংগ্ৰেছ প্ৰাৰ্থীকে নিয়োগ কৰাটো ঠিক হোৱা নাই। সুবিধা সকলোকে দিয়া উচিত।

চেয়াৰমেন মহোদয়, মই এইখিনিতে চৰকাৰে কেনেকৈ শিক্ষাৰ বিৰুদ্ধে কাম কৰি আছে তাৰ এটা উদাহৰণ দিও। দেওৰাই মাদ্ৰাছাৰ যি জন অধ্যক্ষ, তেওঁ এই বিধান সভাৰেই এগৰাকী সদস্য। তেখেতেই আকৌ শিক্ষা বোৰ্ডৰো সভাপতি পদত আছে, অকল এয়ে নহয় এই গৰাকী সদস্য চুগাৰ মিলৰো সভাপতি। চৰকাৰে যদি এজন মানুহৰ ওপৰতেই ইমানবোৰ দায়িত্ব জাপি দিয়ে তেনেহলে সেই স্কুল খনৰ ল'ৰা-ছোৱালীৰ কি উন্নতি হব? তেখেতে কিমানকণ সময় স্কুলৰ প্ৰতি মনোযোগ দিব পাৰিব?

শেষত মই আৰু এটা কথা কওঁ যে—আমাৰ এল, পি স্কুলৰ শিক্ষক সকলৰ দৰমহা চেণ্টাৰ চেক্ৰেটৰী জনে নিয়াটো বন্ধ কৰি দিব লাগে। কিয়নো তেওঁ এই দৰমহা অনা-নিয়াৰ অজুহাতত মাহটোৰ ১৫ দিনমান স্কুলত নেথাকেই। আজিকালি যিহেতু শিক্ষা বিভাগৰ ব্লক অফিচাৰ হ'ল— এই ক্ষেত্ৰত এই শিক্ষক সকলক ব্লক অফিচাৰৰ যোগেদি দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

চেয়াৰমেন মহোদয়, আজি-কালি আমাৰ ব্লকবোৰত যথেষ্ট কামৰ ভীৰ হয়। বিশেষকৈ দি, আৰ, দি, এ আদি স্কীম হোৱাৰ পিচত। কিন্তু এই ব্লকৰ কাৰণে ঘৰৰ বৰ নাটনি হয়। তেওঁলোকৰ থকা ঘৰৰ কথাই নাই অফিচ ঘৰো অতি সৰু আৰু ঠেক-ঠুক। আনহাতে কিছুমান ঠাইত অফিচ ঘৰো পাবলৈ নাই। সিদিনা এজন ব্লক অফিচাৰে মোৰ ওচৰলৈ ঘৰ বিচাৰি আহিছিল—মই দিও ক'ব পৰা। তাতে এতিয়া

শিক্ষা বিভাগে নন ফৰমেল এডুকেচনও জাপি দিছে। এইটো কি বস্তু মই বুজি পোৱা নাই। মোৰ সমষ্টিতে এখন স্কুলত দুটা নন-ফৰমেল শিক্ষক, আৰু এজন এডাল্ট এডুকেচনৰ শিক্ষক নিয়োগ কৰা হৈছে—তেওঁলোকৰ কি কাম মই বুজি পোৱা নাই। চেয়াৰমেন মহোদয়, আজি শিক্ষাৰ শিতানত অজস্ৰ টকা দিয়া হৈছে, কিন্তু এই টকাবোৰ খৰচ কৰোতে আমাৰ শিক্ষাৰ মানদণ্ড যাতে উন্নত হয় তালৈ চৰকাৰে দৃষ্টি ৰাখিব লাগে। ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীমথুৰা ডেকা—চেয়াৰমেন মহোদয়, প্ৰথমতে মই আপোনাক এটা কথা অনুৰোধ কৰো যাতে উপাধ্যক্ষ মহোদয়ে যেনেকৈ বাৰে বাৰে বেলটো বজাই থাকে, আপুনি যেন তেনেকৈ বেলটো নবজায়. কিয়নো বাৰে বাবে বেলটো বাজি থাকিলে মোৰ কথাৰ আঁত হেৰাই যায়। আজি আমাৰ শিক্ষাৰ শিতানত ২১০ কোটিৰো অধিক টকাৰ এখন বিৰাট ডাঙৰ বাজেট আনিছে। গতিকে এই শিতানত মই তুযাৰমান কম বুলি ভাবিছো।

প্ৰথমতে মই আমাৰ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ক এটা কথাত ধন্যবাদ জনাও যে ইমান শ ত টকাৰ বাজেট এখন উত্থাপন কৰি আৰু ইমান এটা ডাঙৰ বিভাগ চলোৱাৰ পিচতো তেখেতৰ চুলি পকা নাই, মূৰৰ চুলি সৰা নাই আৰু তেখেতে অনবৰতে হাঁহি থকাই দেখিছো। সেই ফালৰ পৰা বুজা যায় যে তেখেতে ইমান গধুৰ দায়িত্ব এটা লৈ থকাৰ পিচতো ইয়াক গধুৰ যেন অনুভব কৰা নাই আৰু সেই বিষয়ে অকণো চিন্তাও কৰা নাই।

(সদনত হাঁহি)

পোন প্ৰথমতে আমাৰ শিক্ষামন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাও এই কাৰণেই যে তেখেতৰ অনুগ্ৰহতে সিদিনা মই এখন প্ৰকাশন পৰিষদৰ পৰা সম্পাদন কৰা চিনেমা চালো। এই চিনেমাখনৰ ক্ষেত্ৰত মই এটি কথা কব খোজো যে আমাৰ যিবোৰ পুৰণি শিলালিপি আছে, শুক্লেশ্বৰৰ শিলালিপি, অন্যান্য ঠাইৰ শিলালিপি—বিভিন্ন ঠাইৰ মূৰ্ত্তি সমূহ এইবোৰ চিনেমাখনত ভালদৰে প্ৰতিফলিত হোৱা নাই। সেইবোৰ ভালদৰে সংগ্ৰহ

কৰি সংলগ্ন কৰি প্ৰতিফলিত কৰাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ বিভিন্ন চুক-কোনে থকা অসংখ্য শিলালিপি মূৰ্ত্তি আৰু বুৰঞ্জীমূলক কাহিনীবোৰ লগতে বিভিন্ন ঠাইৰ প্ৰাকৃতিক দৃশ্য সমূহ সামৰি এই চিনেমাখন গোটেই অসমতে দেখুৱাব ব্যৱস্থা কৰিব লাগে। এনে ধৰণৰ চিনেমা প্ৰদৰ্শন স্কুল সমূহত অতি প্ৰয়োজন। এই বোৰে শিক্ষা মূলক আহিঁ। অকল বিদ্যাৰ্থীৰ মাজতে নহয় পাৰিলে প্ৰতিখন গাওঁতে দেখুৱাব লাগে।

মাননীয় চেয়াৰমেন মহোদয়, চিলাৰায় বুলি এখন চিনেমাও সিদি-নাখন দেখিলো। এই চিনেমাখনত কালাপাহাৰে কামাখ্যা মন্দিৰ ভাঙি দিয়া বুলি দেখুৱাইছে। কালাপাহাৰ বুলি সেই সময়ত কোনো মানুহ নাছিল। গতিকে কালাপাহাৰে ভঙা নাছিল। এই কালাপাহাৰ মুছলমান বিদ্বেষী সম্পৰ্কে এটা কাহিনী আছে। এই কালাপাহাৰ শব্দটোৱে মুছল-মান সম্প্ৰদায়ক খুন্ন কৰি তুলিছে। সেই কাৰণে এই শব্দটো উঠাই দিব লাগে। কালাপাহাৰ নামৰ কোনো ব্যক্তিয়ে কামাখ্যা মন্দিৰ ভঙা নাছিল। বা কালাপাহাৰ নামৰ কোনো ব্যক্তিৰ প্ৰমান পোৱা নেযায়। অসম বৌদ্ধ বিহাৰ সমিতিৰ পৰা ইয়াৰ যথাযথ প্ৰমান ডাঙি ধৰিছে। মই আশা কৰো এই দুটা কথাৰ বিষয়ে মন্ত্ৰী মহোদয়ে যাতে চিন্তা কৰে।

তৃতীয়তে এটি কথা হল, যোৱা বছৰ বাজেটত কৈছিল বুলি কোনো শিক্ষা নাই। মুছলমান শিক্ষা, হিন্দু শিক্ষা, খৃষ্টান শিক্ষা হিচাপে ক'তো নাই। বাজেটৰ ৪৮ পৃষ্ঠাত আছে, মুছলমান শিক্ষা বোলা শব্দ উঠাই দিব লাগে। মন্ত্ৰী মহোদয়ৰ পৰা আজি আকৌ তৃতীয়বাৰ প্ৰতিশ্ৰুতি পাম বুলি আশা কৰিছো। আন এটি কথা, অসমীয়া সাহিত্যত ইংৰাজী অনুবাদ, হিন্দী অনুবাদৰ কিতাপ বেছি অনুবাদিত হৈছে। অসমীয়া ভাষাত বেছি অনুবাদ সাহিত্য প্ৰকাশ হোৱা নাই। অসমীয়া ভাষাত বহু মূল্যবান গ্ৰন্থ প্ৰকাশ হৈছে আৰু ভৱিষ্যতেও হব। কিন্তু অসমীয়া গ্ৰন্থ সমূহৰ ইংৰাজীলৈ বা হিন্দীলৈ প্ৰকাশ হোৱা নাই। চেয়াৰমেন মহোদয়, ইংৰাজীত অনুবাদ কৰাটো অলপ টান। প্ৰকাশন পৰিষদে ইংৰাজীত অনুবাদ কৰিব পাৰে। তাত এজন ভাল অনুবাদ কৰিব পৰা

মানুহ আছিল । তেখেত কিয় গুছি গ'ল কব নোৱাৰো । অৱশ্যে এতিয়াও দুই চাৰিজন মানুহ আছে । প্ৰকাশন পৰিষদে হওক বা শিক্ষা বিভাগেই হওঁক ভাল কিতাপ অনুবাদ কৰিবৰ ব্যৱস্থা লব লাগে । মইও অনুবাদ নকৰা নহয়, 'সন্ধাবেলা' অনুবাদ কৰিছো । আপোনালোকেও অনুবাদ সাহিত্য সৃষ্টি কৰাৰ যত্ন লওক । প্ৰকাশন পৰিষদে অনুবাদ সাহিত্য প্ৰকাশ কৰি উলিয়াইছে । আমাৰ সাহিত্য সমূহ যদি ভাৰতীয় ভাষালৈ অনুবাদ নহয় বা আন্তৰ্জাতীয় ভাষালৈ অনুবাদ নহয়, আমাৰ সাহিত্যৰ কোনো পৰিচয় নেথাকিব । এতিয়া আমাৰ যিবিলাক কিতাপ লিখকে প্ৰকাশ কৰে বা কোনো ব্যক্তিয়ে প্ৰকাশ কৰে সেই ব্যক্তিৰ বিক্ৰীৰ প্ৰধান সমস্যা । বিক্ৰী কৰিবলৈ দিয়া কিতাপবোৰত দোকান সমূহক শতকৰা ৪০ টকা কমিচন দিব লগা হয়, তেনেহলে কিতাপখনৰ দাম কিমান হব ? কমিচন দিয়াৰ ওপৰিও ছপা কৰা বন্ধোৱা আদি খৰছ আছেই । এইটো চিন্তা কৰিবলগা কথা । এইটো কথা মই যোৱা বেলি কৈছিলো । আমাৰ বহুত কিতাপ দোকানীয়ে লিখকৰ পৰা প্ৰকাশকৰ পৰা কিতাপ লয় । প্ৰথমে কিতাপ নেলাগে বুলি, কোনোজনে থবলৈ ঠাই নাই বুলি দোকানীয়ে কয় । আনকি নানা ধৰাৰ বেয়া ব্যৱহাৰও কৰা দেখা যায় । এইধৰণৰ বহুত দোকানী আছে । প্ৰথমতে কয়, আমাৰ থবলৈ ঠাই নাই । বিক্ৰী হয়, তাৰ পিচতো বিক্ৰী হোৱা পইচাখিনিও দিবলৈ ইচ্ছা নকৰে । এবাৰ দুবাৰ কৈ লৈ কাট কৰিব লগা হয় । এনে ধৰণে বহুলোকে নিজৰ কিতাপৰ প্ৰাপ্য পইচাও নেপায় । নিজৰ প্ৰাপ্য পইচা বিচাৰি গলে মগনীয়াৰ দৰে ব্যৱহাৰ পোৱা যায় । অসমীয়া সাহিত্যত এইটো বেয়া কথা । তেখেতসকলে মনৰ আৱেগত মনৰ ভাষা প্ৰকাশ কৰিব খোজে । কিন্তু তাক সাহিত্যত ৰখা ধৰনে হব পৰা নাই । শিক্ষা বিভাগত এটা কথা ওলাইছে যে আমাৰ অসম চৰকাৰৰ পাঠ্যপুথি নিগম আছে, অসম প্ৰকাশন পৰিষদ আছে । লিখক সকলক সহায় কৰাৰ বাবে তেওঁলোকৰ লিখা বা প্ৰকাশ কৰা পুথি চৰকাৰী দোকানে গ্ৰহণ কৰি সহায় কৰে । বহুত লিখক আজি ওলাইছে । ভাল ভাল লিখক আছে । কিন্তু দোকানীৰ সেই ব্যৱহাৰ বিলাক প্ৰচাৰ হৈ

আছে। তেওঁলোকে কিতাপ ক'ত বিক্ৰী কৰিব। এইটো কথা মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে সকলো লিখকৰে ৫ খন বা ১০ খন কিতাপ বিক্ৰীৰ ব্যৱস্থা হয়। শতকৰা ৪০ ভাগ ৰেহাই দিয়া প্ৰথা বন্ধ কৰিব লাগে। এইখিনি কথা সাহিত্যৰ ক্ষেত্ৰত কোৱা হ'ল। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো—অসমীয়া সাহিত্য সভাই ৭০ হেজাৰ টকা অনুদান পায়। সেই টকা বাজেটত ৰখা আছে। কিন্তু তেওঁলোকে নিয়া নাই। ৰাখি থোৱা আছে। কথাটো কি বুজি পোৱা নাই। যদি বাজেটত ধৰা আছিল কিয় নিয়া নাই। শিক্ষা মন্ত্ৰী মহোদয়ে মানা কৰিছে নেকি?

চেয়াৰমেন মহোদয়, আমাৰ অসমত আৰু দুখন সাহিত্য সভা আছে। এখন অসম প্ৰগতি শিল্পী সাহিত্য সভা আছে আৰু এখন নতুন সাহিত্য পৰিষদ আছে এখনৰ সভাপতি হ'ল নববৰুৱা আনখনৰ উমা শৰ্মা। আৰু এটা কথা হৈছে, যিহেতু বড়ো ভাষাক চৰকাৰে স্বীকৃতি দিছে এতিয়া বড়ো সকলকো বাদ দিব নোৱাৰিব। হিন্দীক যিদৰে চৰকাৰীকৰণ কৰিছে বড়ো ভাষাকো তেনেকুৱা ব্যৱস্থা হব লাগিব। তাৰ কাৰণে হাইস্কুলবিলাকত শিক্ষক দিয়াৰ ব্যৱস্থা কৰিব লাগিব। বড়ো সাহিত্য সভাকো অনুদান দি টকা দিয়াৰ ব্যৱস্থা কৰিলে মই সুখ পাম।

চেয়াৰমেন মহোদয়, আমাৰ প্ৰকাশন পৰিষদত যি টকা ধাৰ্য্য কৰা হৈছে এইটো কম হৈছে। জনা মতে মুঠেই ৫ লাখ টকা ধাৰ্য্য কৰা হৈছে। প্ৰকাশন পৰিষদৰ কিতাপত বহু দাম। এখন কিতাপত বহুত মূল্য পৰি যায়। ইয়াৰ অনুদান কিছু বঢ়াব লাগে। প্ৰকাশন পৰিষদৰ যত্নত দুষ্প্ৰাপ্য বহুকেইখন অমূল্য পুথি প্ৰকাশ পালে। যি সমূহ অসমৰ সম্পদ, যাক লৈ আমি গৌৰব কৰিব পাৰো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ হাইস্কুল, প্ৰাইমাৰী স্কুল আৰু কলেজৰ শিক্ষক সকল আছে, অৱশ্যে কলেজৰ শিক্ষক সকলৰ বিচাৰৰ কাৰণে সময়ৰ অভাৱ। প্ৰাইমাৰী আৰু হাইস্কুলৰ শিক্ষক সকলক লগাই এডাল্ট এডুকেচন যোগেদি এবছৰৰ ভিতৰতে মানুহ বিলাকক শিক্ষিত

কৰি লব নোৱাৰিনে ? আমাৰ এটা নিয়ম কৰি দিয়ক যে প্ৰতিজন শিক্ষকে ইমানজন লোকক শিক্ষিত কৰি তুলিব লাগিব । প্ৰাইমাৰী স্কুলবিলাকতো আজিকালি শনিবাৰে নাথাকে, গতিকে তেওঁলোকক এই কামত লগাই দিয়ক, প্ৰত্যেকখন গাওঁকে, চুবুৰীকে এডাল্ট এডুকেচনৰ ক্ষেত্ৰত ভাগ কৰি দিয়ক । মই নিজেও এডাল্ট এডুকেচনৰ চেয়াৰমেন ; মোক কোনোদিনে মিটিঙলৈ নামাতে, মোক মাতি মিটিঙত আলোচনা কৰা নাই । মিটিং যোৱাৰ পাছতহে মই চিঠি পাওঁ । গতিকে এইদৰে এডাল্ট এডুকেচন হব নোৱাৰে । অৱশ্যে তেওঁলোক দৰ্মহা খোৱা লোক তেওঁ-লোকক দৰ্মহা পোৱাৰ পৰা বঞ্চিত কৰিব কোৱা নাই, নহলে পাপ হব । শনিবাৰে শনিবাৰে প্ৰাইমাৰী স্কুল বন্ধ যেতিয়া শিক্ষক সকলক ভাগ কৰি দিয়ক ৩০-৪০ ঘৰ মানুহ । তেওঁলোকে তাত প্ৰাপ্ত বয়স্ক শিক্ষা প্ৰচলন কৰক তেতিয়া দেখিব এই শিক্ষা কামত আহিব । আমাৰ শিক্ষা মন্ত্ৰীয়ে চাগৈ শুনা নাই তেখেতে তামোল খাই আছে পাহৰি যাব পাৰে ।

তাৰ পিচত আমাৰ বহুতো হাইস্কুল আছে য'ত ক্লাচিকেল টিচাৰ নাই । ক'ৰবাত সংস্কৃত, ক'ৰবাত পাৰ্চি শিক্ষক নাই । শিক্ষা মন্ত্ৰী মহো-দয়ক মই এটা কথাই কব বিচাৰিছো যে তেখেতে ভাল কৰিব খুজিলে দেশখনৰ ভাল হব আৰু তেখেতৰ ইচ্ছা নাথাকিলে দেশখন ধ্বংশৰ পথলৈ গুচি যাব । এই আন্দোলন আজি কিয় হৈছে ? আজি শিক্ষাবিদ শিক্ষক সকলে আন্দোলনৰ গুৰি ধৰিছে । তেখেত সকলে ভাল পথ নেদেখুৱালে দেশখন আৰু আন্ধাৰলৈ গুছি যাব । আমাৰ গৃহ বিভাগে অৰ্থাৎ পুলিছে মানুহ কেতিয়াও ভাল কৰিব নোৱাৰে । মানুহক পিটি ভাল কৰিব নোৱাৰি । কিন্তু আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে যদি চিন্তা কৰি চায় যে এই দেশ খন কেনেকৈ ভাল কৰা যায় তেখেতে নিশ্চয় কৰিব পাৰে নানা -ন কৌশল অৱলম্বন কৰিব পাৰে । আমাৰ চুবু-ৰিয়ে চুবুৰিয়ে যিবিলাক পুথিভৰাল আছে সেই পুথিভৰাল বিলাকত পঢ়ুৱৈৰ অভাবত পুথিভৰালত বন গজিছে । এই শিক্ষক সকলক এই পুথিভড়াল বিলাকৰ এটা বিশেষ দায়িত্ব দিব লাগে । আমাৰ শিক্ষা মন্ত্ৰীয়ে অৱশ্যে গ্ৰন্থ মেলা পাতিলে । এই গ্ৰন্থ মেলাত কমিউনিজিমৰ

কিতাপ অকল পাচ লাখ টকাৰ বিক্ৰী কৰা হল। কিতাপৰ অভাৱত কলিকতাৰ পৰা দিল্লীৰ পৰা কিতাপ বাই এয়াৰ অনা হ'ল। দেখা গৈছে যে আমাৰ মানুহে কিতাপ পঢ়া আৰম্ভ কৰিছে। লাইব্ৰেৰি বিলাকত শিক্ষকসকলক দায়িত্ব দিয়ক। আমাৰ যে মেণ্টেল হস্পিটাল আছে তাত চিকিৎসাৰ কাৰণে গ'লে প্ৰথমতে বাল্টিটো ফুটাই দি সেই ফুটা বাল্টিৰে পানী আনিবলৈ দিয়ে। এয়া এটা চিকিৎসা। কাম নেথাকিলে মানুহ বেয়া হয়। ল'ৰা-ছোৱালী বোৰক যদি কাম দিব নোৱাৰে সিহঁতে কু-পথ লবই। সেই বাবে যেন ধেমালিৰ মাজেৰে সিহঁতক ব্যস্তৰখা হয়। আমাৰ যে কিছুমান পৰিয়াল এই যে আপোনালোকে টি ভি উলিয়াইছে, এতিয়া আকৌ টি ভিৰ লাইচেন্স ফ্ৰি কৰিছে সেই টি ভি চাই কিছু-মান পৰিয়ালৰ ল'ৰা ছোৱালী ধ্বংসৰ মুখলৈ যাব যেন পাওঁ। এওঁলোকৰ ভৱিষ্যৎ অন্ধকাৰ। যাৰ ঘৰত টি ভি আছে তেওঁলোকৰ ল'ৰা ছোৱালী পঢ়িব নোৱাৰে। আমাৰ এম-এল-এ হোষ্টেলত দেখিলো পিচদিনা ল'ৰা ছোৱালীৰ পৰীক্ষা আছে আগদিনাখন টি-ভি চাই আছে। মই অস্বীকাৰ নকৰো যে মানুহক বৈজ্ঞানিক অৱদান নালাগে কিন্তু এই বৈজ্ঞানিক অৱদান গ্ৰহণ কৰিবও জানিব লাগিব আৰু ব্যৱহাৰো শিকিব লাগিব। যাৰ ঘৰতে টি-ভি আছে সেই সকলৰ দায়িত্বও আছে। গৌৰৱতে যদি টি-ভি চাই থাকে তেনেহলে সকলো শেষ হব উঠি অহা ডেকা ল'ৰা-ছোৱালী বিলাক কিবা যেন এটা চাপ পৰি গৈছে। এইটো কথা চিন্তা কৰিব লগীয়া হৈছে। আমি টি-ভি সম্পৰ্কে এতিয়া প্ৰচাৰ প্ৰত্ৰিকা উলিয়াবৰ সময় হৈছে। আৰু এই টি-ভিৰ উপকাৰ অপকাৰ সম্পৰ্কে ঘৰে ঘৰে প্ৰচাৰ পত্ৰিকা বিলাকৰ সময় হৈছে যি হওক আমাৰ আগতে ট্ৰেনিং স্কুল বিলাক আছিল। বেচিক ট্ৰেনিং বা নৰ্ম্মাল ট্ৰেনিং। কিন্তু আজি সেই ট্ৰেনিং স্কুল বিলাকত শিক্ষাৰ সেই মানদণ্ড নাই। মানদণ্ড কমি গৈছে। কিছু বছৰ আগতে যেতিয়া হাইস্কুল বিলাকত মঞ্জুৰী দিয়া হৈছিল তেতিয়া নিয়ম কৰা হৈছিল যে মেট্ৰিকৰ ৰিজাল্ট বেয়া হলে তেওঁলোকৰ স্কুলৰ মঞ্জুৰী বাতিল কৰি দিয়া হব। তেতিয়া শিক্ষকসকলে ৰাতিপুৱা গধুলি বিশেষ শ্ৰেণীৰ আয়োজন কৰিছিল। কিন্তু এতিয়া সেইটো নোহোৱাৰ কাৰণে আকৌ একেই অৱস্থা হৈছে।

এতিয়া আকৌ নিয়ম কৰিব লাগে যে একোখন প্ৰাইমাৰী স্কুলৰ ল'ৰা ছোৱালীয়ে তিনি বছৰতো বৃত্তি নাপালে সেই স্কুলৰ শিক্ষকৰ ইন্‌ক্ৰিমেণ্ট বন্ধ কৰি দিয়া হব। মোৰ বোধেৰে তেতিয়া শিক্ষকৰ পাঠদানৰ প্ৰতি ধাউতি বাঢ়িব! অৱশ্যে শিক্ষকসকলৰ পৰা চৰকাৰক সমালোচনা কৰিব। কিন্তু সমালোচনালৈ আওকাণ কৰি প্ৰতিযোগিতাৰ মনোভাৱেৰে সেই-বিলাক নিয়ম প্ৰৱৰ্ত্তন কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ক মই এতিয়া ধিক্কাৰ দিয়াৰ ব্যৱস্থা কৰিম। পাঠ্য পুথি প্ৰণয়ন নিয়ম এটা বিৰাট অনুষ্ঠান। কিন্তু এই পাঠ্যপুথি নিগমে আজি দুবছৰে কিতাপ ছপা কৰিব পৰা নাই। নাজানো টকাই নাই নে অন্য কিবা কাৰণত পৰা নাই। এই নিগম নকৰাৰ আগতেই ভাল আছিল। মই নিজেই আঠখন পাঠ্যপুথি লিখি ছপা কৰিছিলো আৰু কৰি যথেষ্ট খিনি ধন লাভ হৈছিল। ক-খ শ্ৰেণীৰ পৰা টৈনলৈকে কিতাপ লিখিছিলো। কিন্তু এতিয়া নিগমে কিয় পাঠ্য-পুথি প্ৰকাশ কৰিব নোৱাৰে বুজি নাপাওঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটীৰ বহুত মানুহে কিতাপ প্ৰকাশ কৰি লাখ লাখ কোটি কোটি টকা উপাৰ্জন কৰিছে। কিন্তু পাথ্য পুথি প্ৰণয়ন নিগম কিয় তললৈ গৈছে? কিতাপ ছপাব নোৱাৰে কিয়? কিতাপৰ আকাৰ কিয় সৰুহৈ যাব ধৰিছে? এই সকলো বিলাক কথাই আজি আমাৰ ৰাজ্যখনত ঘটিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৫ চনত হঠাৎ কিছুমান শিক্ষকক অৱসৰ দিলে। কিন্তু অৱসৰ পোৱা এই শিক্ষক সকলে আজি 'গ্ৰেটুইটি' পোৱা নাই।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কে প্ৰশ্ন আছে। তেতিয়া মাননীয় সদস্য জনে কোৱাৰ সুবিধা পাব নহয়?

শ্ৰীমথুৰা ডেকা—মাননীয় উপাধ্যক্ষ মহোদয়, তথাপিও কওঁ। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ শিক্ষামন্ত্ৰী ধৰ্ম্মমনা মানুহ। গতিকে এই অৱসৰ পোৱা

শিক্ষক সকল সকলোৱেই বুঢ়ামেঠা মানুহ। তেখেত সকলক এই 'গ্ৰেটুইটি'ৰ টকা খিনি দিলে তেখেত সকলৰ পৰা যিকন আশীৰ্বাদ তেখেতে পাব তাৰে তেখেত আৰু কেইবছৰ মান জীয়াই থাকিব পাৰিব। ইচ্ছা কৰিলে তেখেতে এইটো কৰিব পাৰিব কিন্তু তেখেতে কথা বৰ পাহাৰে। তাৰোপৰি, উপাধ্যক্ষ মহোদয়, আমাৰ যি বিলাক ভেন্সাৰ এল, পি, এম, ই আৰু এম, ভি স্কুল আদি আছে সেইবিলাক লোৱাৰ ব্যৱস্থা চৰকাৰে অনতিপলমেই কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, ইচ্ছা কৰিলে আমাৰ মাননীয় শিক্ষা মন্ত্ৰীয়ে অসমখন সুন্দৰকৈ সজাব পাৰে। শিক্ষক সকলক একে ঠাইতে নেৰাখি ২০ মাইলৰ আতৰলৈ বদলি কৰি সেই মতে তেওঁবিলাকৰ কাৰণে সুন্দৰকৈ একেলগে শাৰি শাৰিকৈ কোৱাৰ্টাৰ আদি সাজি দিলে বৰ ধুনীয়া হব। বৰ্ত্তমানে প্ৰায় গাঁৱতে দুই তিনিখন কৈ প্ৰাইমেৰী স্কুল। তাৰ উপৰি চাৰি পাঁচ খন গাঁৱৰ মাজত একোখন হাইস্কুল গঢ়ি উঠিছে। স্কুলৰ শিক্ষক সকল যদি একেটি কেন্দ্ৰৰ ওচৰত থাকিবৰ ব্যৱস্থা কৰা হয় তেতিয়া দেখিব এশ / ডেৰশ শিক্ষক এখন বা দুখন গাওঁৰ মাজত থাকিবলৈ লব তেতিয়া গাওঁৰ মানুহৰ পৰা গাখীৰ, শাকচৰুজী, খৰি, মাছ আদি কিনি গাঁৱৰ মানুহ খিনিক সামান্য হলেও পইচা দেখুৱাব পাৰিব। গাঁৱৰ মাজত শিক্ষাৰ পোহৰ পৰিব। ছাত্ৰ সকলেও শিক্ষকক ভয় কৰি পঢ়াত মনোনিবেশ কৰিব। তাকে কৰিলে তেওঁ লোকৰ কৰা আমাৰ ওচৰত থকা গাৱঁলীয়া লোক সকলে গাখীৰ বেচিব পাৰিব, খৰি বেচিৰ পাৰিব। সেইদৰে অন্যান্য বস্তু আদিও বিক্ৰী কৰি নিজৰ পেট প্ৰৱৰ্তোৱাত সহায়ক হব। ল'ৰা-ছোৱালী বিলাকো অনুগত হৈ থাকি পঢ়া শুনাত মনোনিবেশ কৰাত অনুপ্ৰেৰণা পাব। কিয়নো তেওঁলোকে ইফালে গলেও শিক্ষক সকলকে পাব, সিফালে গলেও শিক্ষক সকলকেই পাব। শিক্ষক সকলেও তাগিদা দি থাকিব পাৰিব। এইদৰে ইয়াৰ ফলত এক সুন্দৰ বাতাৱৰণৰ সৃষ্টি কৰিব পৰা যাব। এজন শিক্ষকৰ আৰম্ভণীৰে বা একেখন স্কুলতে বহুত দিন ৰাখিব নেলাগে। একোজন শিক্ষক প্ৰধানকৈ প্ৰধান

শিক্ষক আৰম্ভণীৰে পৰা একেখন ঠাইতে থাকিলে বাকী শিক্ষক সকলে তেওঁ যে আছে এই কথাটো চিন্তাই নকৰে। গতিকেই শিক্ষক সকলক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে অন্ততঃ ২০ মাইলৰ আতৰলৈ বদলি কৰি ৰাখিব লাগে। সেইদৰে প্ৰমোচনৰ কথাটোও চিন্তা কৰিব লাগে। এজন শিক্ষকক হেড্‌মাষ্টৰ কৰাৰ কাৰণে ৫০০ শ টকাকৈ ভেটি পায়। এই বিলাক যাতে হব নোৱাৰে শিক্ষাকাল, বয়স আদি কথা বিলাক লক্ষ্য ৰাখিহে প্ৰমোচনৰ ব্যৱস্থা কৰিব লাগে।

তাৰোপৰি, আৰু এটা কথা যে, যি সকল 'গ্ৰেজুৱেট' "আন্দাৰ গ্ৰেজুৱেট স্কেল'ত খাতি আছে সেই সকলক মুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে 'গ্ৰেজুৱেট স্কেল' দিয়াৰ যোগেদি। যিসকল মাষ্টাৰ ডিগ্ৰীধাৰীয়েও 'আন্দাৰ গ্ৰেজুৱেট স্কেল'ত খাতি আছে সেই সকলকো অচিৰেই নিজৰ ডিগ্ৰী অনুপাতে দৰ্মহা দি মুক্তিৰ ব্যৱস্থা কৰিব লাগে। এখন হাইস্কুলত এজন শিক্ষকে আন্দাৰ গ্ৰেজুৱেট স্কেলত ১৬ বছৰ এইদৰে থাকিব লগীয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰীৰ হাতত আজি সকলো। তেখেতে অসম বচাবও পাৰে, মাৰিবও পাৰে, মুক্তিও দিব পাৰে আৰু সমস্যাও সমাধান কৰিব পাৰে। আৰু তেখেতে ইচ্ছা কৰিলে অসমক অন্ধকাৰ গহ্বৰলৈও পুনৰ ঠেলি দিব পাৰে। এই খিনিকে কৈ মই বহিলো।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত উত্থাপিত কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কেইআষাৰমান কব খুজিছো। এইটো থিক যে শিক্ষা বিৰোধী এটা ন্যস্ত স্বাৰ্থৰ প্ৰৰোচনাত অসমত শৈক্ষিক বাতাবৰণ একেবাৰেই নষ্ট হৈছিল। তথাপিও পলমকৈ হলেও সেই পৰিবেশৰ সাম কাটিছে আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। যি সকলে কলেজৰ শিক্ষা সাং কৰি উচ্চ শিক্ষাৰ কাৰণে বাট চাই আছিল সেই সকলে এতিয়া উচ্চ শিক্ষা লবৰ কাৰণে সুবিধা পাব। এই পৰিপ্ৰেক্ষিতত মই এইটোৱেই কব খোজো যে, এই উচ্চ শিক্ষাৰ কাৰণে যি ঘৰৰ প্ৰয়োজন, যিমান সংখ্যক শিক্ষকৰ প্ৰয়োজন সেই সকলো সা-সুবিধা দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। চৰকাৰে

ইতি মধ্যে কলেজ সমূহত তিনিবছৰীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰী সকল বিশেষ অসুবিধাৰ সন্মুখীন হৈছে।

উপাধ্যক্ষ মহোদয়, ইতিমধ্যে চৰকাৰে তিনি বছৰীয়া পাঠ্যক্ৰম কলেজ সমূহত আৰম্ভ কৰিছে। কিন্তু তিনি বছৰীয়া পাঠ্যক্ৰমৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ অসুবিধাৰ সমূখীন হব লগীয়া হৈছে। এইটো কথা আমাৰ দৃষ্টিগোচৰ হৈছে যে তিনি বছৰীয়া পাঠ্যক্ৰমৰ প্ৰবৰ্ত্তনৰ পিচত যি বিলাক আধাৰ পাঠ্যক্ৰম সেই ক্ৰমত সন্নিবিষ্ট কৰা হৈছে সেই আধাৰ পাঠ্যক্ৰমৰ কোনো নিৰ্ধাৰণ হোৱা নাই। আনহাতেদি আমাৰ যিবিলাক হায়াৰ চেকেণ্ডাৰি আৰম্ভ হৈছে হাইস্কুল বিলাক উন্নীতকৰণৰ যোগেদি সেই হায়াৰ চেকেণ্ডাৰিৰ আন্দাৰত প্ৰথম বাৰ্ষিক আৰু দ্বিতীয় বৰ্ষিক আৰম্ভ কৰা হৈছে। তাতো ছাত্ৰ ছাত্ৰী সকলে বিশেষ অসুবিধাৰ সমূখীন হৈছে। কিয়নো পাঠ্যক্ৰম মতে পাঠ্যপুথি বজাৰত পাবলৈ নাই। ৰাজ্যিক পাঠ্যক্ৰমৰ বাবে পাঠ্যপুথি প্ৰণয়ন নিগম আছে তেওঁলোকে সময় মতে কিতাপ বোৰ ছপা কৰি উলিওৱাৰ ব্যৱস্থা লোৱা হলে ছাত্ৰ ছাত্ৰী সকলে সময় মতে কিতাপ কাগজ পালেহেঁতেন। জানিব পৰা গৈছে যে প্ৰায় দুই কোটি টকাৰ কিতাপ কেন্দ্ৰীয় গুদামত পৰি আছে আৰু চেল চিঞ্জন পাৰ হৈ যোৱাৰ পিচতো আছে। আনহাতে প্ৰয়োজনীয় পাঠ্যপুথি বজাৰত নাপায়। অথচ এনেকুৱা কিছুমান কিতাপ বেছিকৈ ছপোৱা হৈছে আৰু কোনো কোনো বিষয়ৰ কিতাপ ছপোৱা নাই। প্ৰয়োজনতকৈ বেছি ছপোৱা বিষয়ৰ কিতাপ পৰি আছে। ইয়াৰ ফলত বজাৰত কিতাপ অভাৱ হৈছে আৰু আনহাতে ছাত্ৰ ছাত্ৰী সকলে সময় মতে কিতাপ নোপোৱাৰ ফলত পঢ়া শুনা ঠিক মতে কৰিব পৰা নাই। ফলত পৰীক্ষাৰ ৰিজাল্ট ভাল কৰিব পৰা নাই। আন এটা কথা হৈছে ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম বজাৰৰ পৰা মুকলি ভাবে কাগজ কিনি কিতাপ ছপোৱা আৰম্ভ কৰিছে যাৰ ফলত ত্ৰিশ চল্লিশ হাজাৰ টকা চৰকাৰৰ লোকচান হৈছে। এনে ধৰণে কাৰ্য্যকলাপ চলি থাকিলে প্ৰভূত ক্ষতি হব, ৰাজহুৱা ধনৰ ক্ষতিৰ লগতে ছাত্ৰ ছাত্ৰী সকলৰো ক্ষতি হব। তেনে স্থলত ছাত্ৰ ছাত্ৰী সকলে যাতে সময় মতে লাগতিয়াল

কিতাপ কাগজ সময় মতে পাব পাৰে তাৰ ব্যৱস্থা কৰা দৰকাৰ।

উপাধ্যক্ষ মহোদয়, আজি কলেজ সমূহত এটা সমস্যাৰ উদ্ভৱ হৈছে। কলেজ সমূহৰ গভাৰ্ণিং বদিয়ে কিছুমান শিক্ষকক নিযুক্তি দিছিল সেই সকলক চাকৰিৰ বয়স উকলি গৈছে বুলি আৰু ইউ-জি-চি নৰ্মচ নাই কাৰণে বিপদত পেলোৱা হৈছে। ৰাইজে পাতি দিয়া কলেজত ৰাইজ তথা গভাৰ্ণিং বডিয়ে নিযুক্তি দিয়া এই শিক্ষকসকলৰ সমস্যা সমাধান কৰিবলৈ চৰকাৰ আগবাঢ়ি অহা নাই। আমি নকওঁ যে ইউজিচি নৰ্মচ নথকা সকলক কলেজত নিযুক্তি দিয়ক কিন্তু কলেজত তিনি বছৰীয়া পাঠ্যক্ৰম আৰম্ভ কৰাৰ পিচত জুনিয়ৰ কলেজ কৰি প্ৰথম বাৰ্ষিক আৰু দ্বিতীয় বাৰ্ষিক থকা চৰকাৰী কলেজত নৰ্মচ বিচাৰিলেও হায়াৰ চেকেণ্ডাৰিৰ ক্ষেত্ৰত কিন্তু এই নৰ্মচ বিচৰা নাই। তেনেস্থলত কলেজ সমূহত ইউ-জি-চি নৰ্মচ নথকা অথচ বহু দিনৰ পৰা কাম কৰি থকা সকলক টাৰমিনেট পৰ্য্যন্ত কৰা হৈছে। তেওঁলোকে যেতিয়া কামত সোমাইছিল তেতিয়া কিন্তু নৰ্মচ বিচৰা হোৱা নাছিল। এই বিলাক কথালৈ চৰকাৰে সমাধান কৰিবলৈ আগবাঢ়ি অহা নাই। জাতীয় কৰণ কৰা সমূহত ইউ-জি-চি নৰ্মচ কৰা হ'ল কিন্তু বাকী সকলত কৰা নহ'ল। আমি ডিগ্ৰী লেভেলৰ কথা কোৱা নাই কিন্তু হায়াৰ চেকেণ্ডাৰি লেভেলতো কৰিব লাগে। কলেজত কাম কৰা সমূহৰ শতকৰা পঞ্চাশ নম্বৰ আছে যদিও ইউ-জি-চি নৰ্মচ হয়তো নাথাকিব পাৰে। সেই বিলাক কথা চৰকাৰে চাবলৈ আগবাঢ়ি আহিব লাগে। জুনিয়ৰ কলেজত হায়াৰ চেকেণ্ডাৰি ক্লাচ থাকিব গতিকে তাত একোমোডেট কৰিব লাগে, কিন্তু সেইটোও কৰা হোৱা নাই। ফলত এই শিক্ষকসকলৰ সমস্যা, সমস্যা হৈয়েই আছে। ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰতো সেই একেই অৱস্থা। আগতে এল-আই জি, এম-চি-এম ইত্যাদি বৃত্তি দিয়াৰ ব্যৱস্থা আছিল। কিন্তু এতিয়া এই বিলাক নাই-কীয়া কৰিছে। আমি বিনামূলীয়া শিক্ষাৰ কাৰণে দাবী কৰি আহিছো কিন্তু বিনামূলীয়া শিক্ষা দিব নোৱাৰিলেও এই যিটো বৃত্তি দিয়াৰ ব্যৱস্থা আছিল সেইটো বিলোপ কৰাৰ ফলত ছাত্ৰ ছাত্ৰীয়ে পঢ়া শুনাত উৎসাহী হব পৰা নাই। অন্ততঃ ছাত্ৰ ছাত্ৰীক উৎসাহ যোগাবলৈ হলেও বৃত্তিৰ

ব্যৱস্থা অব্যাহত ৰাখিব লাগে। বৃত্তি প্ৰথা বন্ধ কৰাৰ ফলত যি সকলৰ ইনকম কম সেই ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়া শুনা আৰু উন্নতিৰ পথত অন্তৰায় হিচাপে থিয় হৈছে।

উপাধ্যক্ষ মহোদয়, যি বিলাক এল-পি স্কুল আছে সেই বিলাক এম-ই কৰিবলৈ কমৰেড হেমেন দাসে কৈছিল। এম-ইত বড়ো মাধ্যম দিয়াৰ কথা আছিল কিন্তু হৈ উঠা নাই। কিছুমান এম-ভিতো বড়ো মাধ্যম দিয়া হোৱা নাই। বহু এম-ভি স্কুল এম-ই কৰিছে। বড়ো মাধ্যমৰ শিক্ষক দৰকাৰ হব যদিও দিয়া হোৱা নাই। যদি এম-ভি হিচাপেও ৰাখে তথাপিতো শিক্ষক নিযুক্তি দিয়া প্ৰয়োজন হব। যি সকল চাহ বাগান অথবা বনুৱা ছাত্ৰ-ছাত্ৰী সেই নিৰক্ষৰ সকলৰ মাজত স্কুল পাতি অসমীয়া বা বড়ো মাধ্যমৰ যোগেদি শিক্ষা দিয়াৰ ব্যৱস্থা চলাই যাব লাগিব। এই ক্ষেত্ৰত চৰকাৰ আগবাঢ়ি আহিব লাগে।

উপাধ্যক্ষ মহোদয়, কবলগীয়া সমস্যাৰ কথা আৰু বহুত আছিল কিন্তু এক দুই মিনিটত কোৱা সম্ভৱপৰ নহয়। মাদ্ৰাচা শিক্ষক সকলৰ প্ৰশ্ন উত্থাপিত হৈছে। মাদ্ৰাচা শিক্ষক সকলক হাইস্কুলৰ শিক্ষকৰ নিচিনা দৰমহা, হাউচৰেণ্ট, মেডিকেল ইত্যাদি দিয়া হোৱা নাই। সেই বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। বহু শিক্ষকক ই-বি ক্ৰচ কৰিবলৈ দিয়া হোৱা নাই। অৱশ্যে আন্দোলনত যি সকল জড়িত আছিল তেনে সকলৰ ই বি বন্ধ ৰাখি থৈছে যদিও যি সকল সেই সময়তো ক্লাচ আদি কৰি আছিল। সেই সকলৰ ই-বি ক্ৰচিঙৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে টি-এচ-পি আৰু টি-এচ পি নোহোৱা এই দুটা ভাগত ভগোৱা কাৰণেও শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অসুবিধা হৈছে। টি-এচ-পি এৰিয়াৰ বাহিৰতো বড়ো জনজাতীয় লোক থকা ঠাইত বড়ো মাধ্যমৰ শিক্ষক যাতে নিয়োগ কৰিব পৰা হয় সেইটো হ'ব লাগে। এই খিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছো।

Mr. Deputy Speaker—It is now 12-30. The House stands adjourned till 2-30 P.M.

(The House re-assembled at 2.30 PM with hon'ble Mr. Deputy Speaker in the Chair)

Mr. Deputy Speaker—Now I want to know the sense of the House whether time should be extended because the time is very short. Only 4 hours were fixed for 7 grants and only 3 speakers have spoken till now. So what to do?

Shri Benoy Kumar Basumatari—Sir, we will stick to the time limit. If we see that time does not allow then we will withdraw the cut motions.

মাননীয় উপাধ্যক্ষ—এতিয়া মাননীয় সদস্য শ্ৰীঅলিত বড়ো। আপুনি ৭ মিনিট কব।

শ্ৰীঅলিত বড়ো - মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো বিৰোধী পক্ষৰ পৰা আনিছে আৰু এইটো সমৰ্থন কৰি মই মোৰ বক্তব্যত দুআষাৰ কব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, আমি জানো যে প্ৰাথমিক স্কুল সমূহেই হৈছে শিক্ষাৰ মূল ভেটি। আজি শিক্ষাৰ যি নীতি সেই শিক্ষা নীতিটো ভালদৰে পৰিচালনা কৰিব লাগে। এই শিক্ষা নীতিটো পৰিচালনা কৰিবলৈ যাওঁতে ইয়াৰ আমূল পৰিবৰ্ত্তন কৰিব লাগিব। শিক্ষাৰ উন্নতিৰ কাৰণে বাজেটত বহুত টকা ধৰা হয়। এইবাৰো কোটিবো অধিক টকা ধৰা হৈছে। যি ধৰণে বাজেটত টকা ধৰা হয় শিক্ষাৰ ক্ষেত্ৰত সেইটো ঠিক মতে পৰিচালনা কৰা হোৱা নাই। এই শিক্ষাৰ উন্নতিৰ কাৰণে ভাল পৰ্য্যবেক্ষণৰ সময় হৈছে। আমি দেখিছো যে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত পৰিদৰ্শন কৰিবলৈ এচ-আই থাকে কিন্তু পৰিদৰ্শন হৈছেনে নাই সেইটো আমি দিপপুৰত থাকি কব নোৱাৰো। সেই কাৰণে মই কব খুজিছো যে প্ৰাথমিক শিক্ষাৰ মূল ভেটি যাতে ভালদৰে গঠন হব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। প্ৰাথমিক পৰ্য্যায়ত যি ধৰণে ঘৰ-দুৱাৰ নিৰ্ম্মাণ হব লাগিছিল সেই ভাবে হোৱা নাই। ঠিক তেনেকৈ স্কুলৰ ল'ৰা ছোৱালী বিলাকক অন্য আহিলা পাতিৰ যোগান ধৰি যি

ভাবে শিক্ষা দিব লাগিছিল সেইটো হোৱা নাই। এই কণ কণ ল'ৰা ছোৱালী বিলাকে যাতে উপযুক্ত শিক্ষ পাব পাৰে তাৰ কাৰণে আহিলা পাতিৰ যোগান ধৰিব লাগে। বিশেষকৈ প্ৰাথমিক স্কুলবোৰত বড়ো মাধ্যম আৰু অসমীয়া মাধ্যম একেলগে চলি আছে। এই ক্ষেত্ৰত কিছু কিছু ঠাইত অসুবিধা হৈছে। এই বড়ো আৰু অসমীয়া মাধ্যমত যি কেইখন স্কুল আছে তাৰ ভিতৰত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰী দুই এজনহে আছে। ইয়াৰ ফলত অসুবিধা হৈছে। যিবিলাক স্কুলত অসমীয়া মাধ্যমৰ কম সংখ্যক ল'ৰা-ছোৱালী আছে সেই স্কুলৰ পৰা এজন শিক্ষকৰ বাহিৰে বাকী শিক্ষকৰ পদ উঠাই দিব লাগে। গতিকে এই নিযুক্তিৰ ক্ষেত্ৰত গভীৰ মনোযোগ দিব লাগে।

উপাধ্যক্ষ মহোদয়, যি বিলাক হাইস্কুল উন্নিত কৰি হায়াৰ চেকেণ্ডাৰী পৰ্য্যায়লৈ তোলা হৈছে সেই বিলাকত অসমীয়া মাধ্যম নে বড়ো মাধ্যম প্ৰচলন কৰা হব তাৰ কোনো স্থিৰ হোৱা নাই। তেনেস্থলত আমাৰ বড়ো ছাত্ৰ ছাত্ৰী সকলৰ বিশেষ অসুবিধা আহি পৰিব। গতিকে এই স্কুল বিলাকত ইংৰাজীত মাধ্যম ৰাখিলে ভাল হয়। এইখিনিতে এটা কথা উল্লেখ কৰিব খুজিছো যে আমি বড়ো মাধ্যমত এজন জইণ্ট ডিৰেক্টৰ পাইছো। এই জইণ্ট ডিৰেক্টৰ জনে বড়ো ভাষা কেনেকৈ চলাব লাগিব তাৰ কোনো নীতি গ্ৰহণ কৰিব পৰা নাই। বড়ো মাধ্যমৰ কাৰণে বেলেগ বিশ্ববিদ্যালয় দিয়াৰ কাৰণে চেষ্টা কৰিলে ভাল হয় বুলি মই উল্লেখ ৰাখিলো। তামুলপুৰ / ববমা হাইস্কুলত বড়ো মাধ্যমৰ ঘৰ দুৱাৰ নাই কাৰণেই ৰ'দ বৰষুণ মূৰত লৈ কষ্ট কৰি ছাত্ৰ ছাত্ৰী সকলে শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছে।

ল'ৰাছোৱালী বিলাকৰ স্কুলঘৰৰ সা-সুবিধা থিনি কৰি নিদিয়ালৈকে ল'ৰাছোৱালী বিলাকৰ যিটো কষ্ট হৈছে সেইটো কেতিয়াও ওৰ নপৰিব।

(সময়ৰ সংকেট দিয়ে)

মই মাত্ৰ আৰু এটা কথা কব বিচাৰিছো যে স্কুল বিলাকৰ কিছু

মানৰ মাটিবাৰী যথেষ্ট আছে, প্ৰায় ১৫।১৬ বিঘা মাটি আছে। এই মাটিত স্কুলৰ ছাত্ৰ ছাত্ৰীক খেতি কৰিবলৈ সুবিধা দিলে বিশেষকৈ কবি আদি খেতি কৰিবলৈ বা ৰবি শস্যৰ খেতি কৰিবলৈ দিলে যথেষ্টখিনি লাভবান হব আৰু ইয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কৃষিৰ সা-সজুলি পানীৰ যোগান, সাৰ, আৰু লোণ আদিৰ সুবিধা দিলে তাৰ পৰা অন্ততঃ অতি কমেও ১০।১২ হাজাৰ টকা বছৰি পাব। তেতিয়া স্কুলৰ যাৱতীয় সা-সৰঞ্জাম আৰু ঘৰ নিৰ্ম্মাণৰ কাৰণে স্কুলখনে নিজে সুবিধা কৰি ল'ব পাৰিব। তেতিয়া চৰকাৰৰ মুখলৈ ঘৰ আদি নিৰ্মানৰ কাৰণে বাট-চাই থাকিব নালাগে। তাৰ পাচত আৰু এটা বিভ্ৰান্তি হৈছে তেজপুৰৰ এজন শিক্ষক, তেওঁ অৱসৰ পাইছে, তেওঁৰ ঠাইত বানেশ্বৰ বাঢ়ৈ নামৰ এজনক নিযুক্তি দিছে। কিন্তু সেই স্কুলতে তজু নাৰ্জাৰী বোলা এজন চিনিয়ৰ গ্ৰেজুৱেট শিক্ষক আছিল। তেওঁক নিদি জুনিয়ৰ জনক দিলে। প্ৰথমতে ইঞ্চপেক্টৰে তজু নাৰ্জাৰীক উপযুক্ত বুলি নিযুক্তি দিছিল। কিন্তু পিচত ডি, পি, আই য়ে সেইটো কেঞ্চেল কৰি বানেশ্বৰ বাঢ়ৈক দিলে। এনেধৰণৰ কাম জানো সমিচীন হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে এই বিষয়টো লৈ দৃষ্টিগোচৰ কৰিলো। শেষত বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন কৰিছো। আৰু বক্তব্য সামৰিছোঁ।

* শ্ৰীমহম্মদ আলী—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ আজি শিক্ষাৰ শিতানত যিখিনি টকা ধাৰ্য্য কৰিছে সেই টকাৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে ইয়াৰ সমৰ্থনত মই কেইষাৰমান কথা ডাঙি ধৰিবলৈ বিচাৰিছো। উপাধ্যক্ষ মহোদয়, শিক্ষাই হ'ল প্ৰধান মানদণ্ড। বাল্যকালতেই ল'ৰা-ছোৱালী বিলাকক ভালদৰে গঢ় নিদিলে সি ভবিষ্যতলৈ গঢ় লব নোৱাৰে। এল, পি, স্কুল বিলাক পাতোতে কিছুমান নৰ্মচৰ ওপৰত পতা হয়। আৰু নৰ্মচ বিলাক ফুলফিল হলেহে চৰকাৰে নিজৰ হাতলৈ আনে। কিন্তু নৰ্মচ বিলাক ফুলফিল হোৱাৰ আগতেই স্কুল বিলাক প্ৰতিষ্ঠা হয়, কোনোমতে এখন চালি দি স্কুল আৰম্ভ কৰে। আৰু সেইদৰে ৫।৬

* Speech not corrected.

বছৰমান পৰি থাকে । কিন্তু সেই স্কুলৰ শিক্ষক সকলে দৰমহা ইত্যাদি নোপোৱাৰ কাৰণে আৰু চৰকাৰৰ হাতলৈ নহাৰ কাৰণে তেওঁলোকে বাধ্যত পৰি ৰাইজৰ দান বৰঙনিৰে পেট প্ৰৱৰ্তাব লগীয়া হয় । আৰু সেই কাৰণে সেই কেইদিন শিক্ষক সকলে শিক্ষাদানত মনোনিবেশ কৰিব নোৱাৰে আৰু পালমৰা বিধৰহে শিক্ষাদান দিয়ে । যদি সৰু কালতেই পালৰৰা বিধৰ শিক্ষা, ছাত্ৰ সকলে পায় তেওঁলোকৰ ভৱিষ্যত কি হব পাৰে । গতিকে মই পৰামৰ্শ দিব বিচাৰিছো চৰকাৰে এটা চাৰ্জে কৰিব লাগে যে কোন ঠাইত স্কুল পাতিব । কিমান মাটি আছে সকলো চাই মেলি স্কুল পাতিবলৈ অনুমতি দিব লাগে । স্কুলৰ নামত নিজাকৈ মাটি পট্টন হৈছে নে নাই সেইবিলাক চাই চিন্তি নৰ্মচ বিলাক ফুলফিল হলেহে স্কুল পাতিব দিব লাগে । তেতিয়াহে স্কুলখন প্ৰতিষ্ঠা কৰা লগে লগে চৰকাৰৰ হাতলৈ আনিবলৈ সুবিধা হব আৰু সেই ব্যৱস্থা কৰিব লাগে । তাৰ পাচত ভেনচাৰ স্কুল খোলাৰ পদ্ধতি সলাব লাগে । উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা অনুভব কৰিছো সেইটো হ'ল চাবডিভিজনেল যিবিলাক এলিমেণ্টৰী এডুকেচন বোৰ্ড গঠন কৰিছে তাত দূৰ্নীতি সোমাই পৰিছে । ইয়াত নিয়োগৰ ক্ষেত্ৰত যি খন বোৰ্ড গঠন কৰি দিছে এই নিয়মটো বদলাব লাগে । আৰু বছৰৰ আৰম্ভণীতে জানুৱাৰী মাহত সেই চাব-ডিভিজনত মেট্ৰিক পৰীক্ষা পাতি প্ৰশ্ন কাকত চাই ৰিজাল্ট দিয়াৰ নিচি-নাকৈ তাতো পৰীক্ষা পাতি পৰীক্ষাৰ ৰিজাল্টৰ লিষ্ট ঘোষণা কৰিব লাগে । আৰু ইয়াৰ কাৰণে এডভাৰটাইজ কৰিব লাগে । তেতিয়া সেই লিষ্টৰ পৰা চাই চিতি য'ত যেনেকৈ ৰিজাৰভেচন পায় আৰু ক'ত পোষ্ট খালি আছে বা টেম্পোৰাৰী বা পাৰ্মানেণ্ট যি কোনো পোষ্টেই নহয় খালি হলে সেই লিষ্টৰ পৰা দিব পৰা হব । আৰু তেতিয়া কোনো আপত্তি নাথাকিব ।

( সময়ৰ সংকেট )

এতিয়া তাত নিয়োগৰ ক্ষেত্ৰত কিনা বেচা নিচিনা হৈছে । বিধা-য়কৰ এপইণ্টমেণ্ট দিয়া দায়িত্ব নহয় । কেৱল তেওঁলোকে চাব লাগে যে নিয়োগ বিলাক ন্যায়ভাবে নে অন্যায় ভাবে দিছে । আমাক দায়িত্ব দিয়া

হৈছিল যে আমাৰ নিজা নিজা সমষ্টিত যদি কোনো পোষ্ট ওলায় তাৰ কাৰণে লিষ্ট দাখিল কৰা। মৰিগাওঁ সমষ্টিত এজন মানুহৰ মৃত্যু হ'ল আৰু সেই শিক্ষক জনৰ ঠাইত মই এজনৰ নাম দিলো। দুখৰ বিষয় যে শিক্ষামন্ত্ৰী মহোদয়েও সেই পোষ্টটোৰ কাৰণে আন এজনৰ নাম লিখি দিলে। পিচত ডি, আই আৰু আই. এচ, এ এই পোষ্টটোত কাক দিব বিপাণ্ডত পৰিলে কাৰণ এজনক দিলে স্থানীয় বিধায়কে আৰু আন-জনক দিলে শিক্ষামন্ত্ৰীয়ে। তেওঁলোকে এইবিলাক ক্ষেত্ৰত পাল্লা ধৰে। পিচত এই নিয়োগৰ ক্ষেত্ৰত নানা ধৰণৰ দূৰ্নীতি সোমাই পৰে।

( সময়ৰ সংকেট )

গতিকে মই আগতে কোৱামতে যদি পৰীক্ষা পাতি লিষ্ট প্ৰকাশ কৰি তাৰ পৰা নিযুক্তি দিয়ে তেতিয়া কোনো ধৰণৰ আপত্তি কোনো ফালৰ পৰা নাথাকিব। তেতিয়া মেৰিট বেচিচত কাম বিলাক হব। তাৰ পাচত কিছুমান সময়ত দেখা যায় এল, পি, স্কুলৰ ক্ষেত্ৰত টি, বি বেমাৰীৰ চাৰ্টিফিকেট আনি ১৮।১৯ মাহ চুটিত থাকি ডি. আই ৰ লগত লগ লাগি নিজৰ ল'ৰাক এপইণ্টমেণ্ট দিয়াৰ কাৰণে ব্যৱস্থা কৰে আৰু নানা ধৰণৰ দূৰ্নীতি তেতিয়া সোমাই পৰে। আৰু এটা কথা কৈ মই শেষ কৰিম এই যে ক্লাচিকেল শিক্ষকৰ ক্ষেত্ৰত দেখা যায় এই শিক্ষক সকলে ৬।৭ বছৰ ধৰি কাম কৰি দৰমহা পোৱা নাই। মই শিক্ষামন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে এই সকল শিক্ষকক যেন দয়াৰ চকুৰে চায়। যিহেতু শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত নানা ধৰণৰ খেলিমেলি দেখা গৈছে আৰু দূৰ্নীতি হৈছে তেনেক্ষেত্ৰত নিয়োগ সম্পৰ্কত তেখেতে হাত নিদিয়াই ভাল। কিয়নো এনে এটা কাৰণতেই মই সমাজৰ ওচৰত বৰ হীন হবলগীয়া হৈছিলো। তেখেতে আন ভাবে যেন নলয়। জৰাবাৰী এল, পি স্কুলত শিক্ষক এজন ঢুকাল। তেওঁলোকৰ পৰিয়ালটোৰ অৱস্থা শোচনীয় কাৰণে ৰাইজৰ অনুৰোধত তেখেতৰ উপযুক্ত ল'ৰা জনক এই পোষ্টটো দিবৰ কাৰণে লিখি দিছিলো। কিন্তু ল'ৰা জনৰ চুৰা কাৰ্য্য ১১ দিনলৈকে চলি থকাৰ কাৰণে ১১ দিনৰ পাচত আহিবলৈ সময়

ললে। কিন্তু এই সময় চোৱাৰ ভিতৰতেই আমাৰ মন্ত্ৰী ডাঙৰীয়াই হাজৰিকাক নিযুক্তি দিলে। এই কথাত ৰাইজ বিতুষ্ট হ'ল আৰু মোৰ ওচৰলৈ আহি মোক নানা ধৰণে ককৰ্থনা কৰিলে। আৰু ক'লে মই ভুৱা দিছো। মই মন্ত্ৰীমহোদয়ক ফোন কৰি সুধি লৈছিলো। আজি তেখেতে আইন কৰি দিয়াৰ কাৰণে সেইটো প্ৰমান কৰিবলৈ আমি গৈছিলো।

( সময়ৰ সংকেট )

গতিকে আপোনাৰ জৰিয়তে মই পৰামৰ্শ দিও এই যে চাৰডিভিজনেল এলিমেণ্টৰী এডুকেচন বোৰ্ড বিলাক উঠাই দিব লাগে। আৰু বহুতো কবলগীয়া আছিল যদিও সময় কম হোৱাৰ কাৰণে এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি এইখিনি কথা আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰি সামৰণি মাৰিলো।

শ্ৰীমতী মৃদুলা চহৰীয়া—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে শিক্ষাৰ শিতানত ২,১০,১১,২৬,০০০ টকাৰ অনুমোদন বিচাৰিছে আৰু ইয়াৰ বিৰোধীতা কৰি মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী আৰু আন আন সদস্যসকলে যি কৰ্ত্তন প্ৰস্তাব আনিছে তাৰ বিৰোধীতা কৰি মই মাথোন সামান্য কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। মই বাজেটত কোৱা নাই। গতিকে ১৫ মিনিট সময় দিব বুলি আশা কৰিছো। উপাধ্যক্ষ মহোদয়, শিক্ষা মানব জীৱনৰ অমূল্য ধন। এই ধন বোধকৰো কোনেও চুৰ কৰি নিব নোৱাৰে আৰু ধাৰ কৰিও নিব নোৱাৰে। এই শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰে আমাৰ দেশৰ ভৱিষ্যত। আমাৰ সমাজৰ উন্নতিয়েই হওঁক বা ৰাজ্যখনৰ উন্নতিয়েই হওঁক নিৰ্ভৰ কৰে আমাৰ ৰাজ্যখনৰ চলিত শিক্ষা ব্যৱস্থাৰ ওপৰত। সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই কব বিচাৰিছো আমাৰ ৰাজ্যখনৰ প্ৰাক প্ৰাথমিক স্তৰৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় মহলালৈ শিক্ষা ব্যৱস্থা এই যুগৰ চাহিদা পূৰণ কৰিব পাৰা বিধৰ হব লাগে। প্ৰাথমিক স্তৰত ছয় বছৰত এডমিচন দিয়া

হয়। আগতে চাৰি বছৰ আছিল এতিয়া ছয় বছৰ কৰিছে। প্ৰাক প্ৰাথমিক স্তৰ খোলা হ'ল। চাৰি বছৰৰ পৰা ছয় বছৰলৈ এই প্ৰাক প্ৰাথমিক স্তৰত শিক্ষা দিয়া হয়। যি কেইখন আমাৰ প্ৰাথমিক স্তৰৰ স্কুল আছে সেইখিনি যথেষ্ট নহয়। অভিভাৱকসকল এই চাৰি বছৰৰ পৰা ছয় বছৰীয়া শিশুসকলক লৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হব লাগে। সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক আমাৰ ৰাজ্যখনত যিমানখিনি প্ৰাথমিক বিদ্যালয় আছে সকলোখিনিতে প্ৰাক প্ৰাথমিক স্তৰ খুলিবলৈ পৰামৰ্শ আগবঢ়ালো। উপাধ্যক্ষ মহোদয়, এই প্ৰাক প্ৰাথমিক স্তৰৰ শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণৰ ব্যৱস্থা আছে সেই প্ৰশিক্ষণ ব্যৱস্থা পশ্চিমীয়া আৰ্হিত হলে ভাল আমি ইংৰাজী শিক্ষাৰ মাধ্যমৰ প্ৰতি আকৰ্ষিত হওঁ কিয়? কাৰণ সেইবিলাক স্কুল আকৰ্ষনীয়। সেয়েহে ল'ৰা ছোৱালীবিলাকৰ বেলেগ আগ্ৰহ জন্ম এনে স্কুলৰ প্ৰতি। ইংৰাজী মাধ্যমৰ স্কুল আৰু প্ৰাথমিক বিদ্যালয় যিবিলাক আছে তাৰ মাজত আকাশ পাতাল পাৰ্থক্য। প্ৰাথমিক বিদ্যালয়ৰ প্ৰতি অকনো আমাৰ শিশুসকল আকৰ্ষিত নহয়। এই স্কুল সমূহৰ অৱস্থা উন্নত কৰিব লাগে। লগতে আমাৰ শিক্ষয়িত্ৰী সকলৰ প্ৰশিক্ষণ পশ্চিমীয়া আৰ্হিত হলে ভাল হয়। কাৰণ আমাৰ এই শিশুসকলৰ ওপৰত দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে, তেওঁলোক আমাৰ ভৱিষ্যতৰ নাগৰিক। গতিকে আমাৰ ইংৰাজী মাধ্যমৰ স্কুল নুখুলিলেও সেই আৰ্হিত যাতে শিক্ষা দিব পাৰে তাৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। ঠিক তেনেকৈ প্ৰাথমিক স্তৰৰ আমাৰ শিক্ষক শিক্ষয়িত্ৰীসকলৰ প্ৰশিক্ষণ বৰ্তমান যুগৰ লগত খাপ খোৱা বিধৰ হব লাগে। এতিয়া প্ৰাথমিক বিদ্যালয়সমূহত এলিমেণ্টেৰী এডুকেচন বৰ্ডৰ জৰিয়তে নিযুক্তি দিয়া শিক্ষক-শিক্ষয়িত্ৰী যিবিলাক প্ৰশিক্ষণ প্ৰাপ্ত নহয়, সেই বিলাকক নিযুক্তি পোৱাৰ লগে লগে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ভিতৰুৱা অঞ্চলত যি বিলাক প্ৰাথমিক বিদ্যালয় আছে যত নেকি যাতায়তৰ ভাল ধৰণৰ ব্যৱস্থা নাই, তেনেকুৱা ঠাইৰ স্কুলবিলাকৰ পৰিদৰ্শন নহয় বুলিয়েই কব পাৰি। আমাৰ এই

প্ৰাথমিক বিদ্যালয়ৰ হেড পণ্ডিত আৰু এচ, আই সকলে যোগা-যোগ কৰি চলে। পৰিদৰ্শনৰ তেনে ধৰণৰ ব্যৱস্থা নাই। গতিকে আমাৰ এই প্ৰাথমিক বিদ্যালয় সমূহৰ যাতে ঘনাই পৰিদৰ্শন হয় তাৰ কাৰণে যাতে আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰে। লগতে এতিয়া বিদ্যালয় সমূহত যি চাৰপ্ৰাইজ ভিজিটৰ ব্যৱস্থা কৰিছে, এই চাৰপ্ৰাইজ ভিজিটৰ ব্যৱস্থা সকলোবিলাক স্কুলত হব লাগে। মজলীয়া, উচ্চ, উচ্চতৰ মাধ্যমিক সকলো বিদ্যালয়তে এই চাৰপ্ৰাইজ ভিজিটৰ ব্যৱস্থা হব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ সমাজত অতি দুখীয়া আৰু দুৰ্দশাগ্ৰস্ত মহিলা আছে। তেওঁবিলাকক সংস্থান দিবৰ কাৰণে সেইসকল মহিলাই হাইস্কুল শিক্ষান্ত পৰীক্ষা হয়তো পাচ কৰিব পৰা নাই, তেওঁলোক প্ৰায়ে দুৰ্যোগৰ সন্মুখীন হয়। তেওঁলোকক আজি সংস্থান দিয়াৰ কাৰণে আমি যথেষ্ট চেষ্টা কৰিব লগা হয়। উপাধ্যক্ষ মহোদয়, এইখিনিতে মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো এনে মহিলা-সকলক যাতে স্কুল মাতৃ হিচাবে নিযুক্তি দিয়া হয়। প্ৰাক প্ৰাথমিকৰ পৰা আৰম্ভ কৰি প্ৰাথমিক বিদ্যালয় অসমত যিমান আছে প্ৰত্যেকতে যদি এনে স্কুল মাতৃৰ ব্যৱস্থা হয় তেন্তে নিশ্চয় এনে ধৰণৰ মহিলাসকল উপকৃত হব পাৰিব।

আমাৰ অসমৰ এজনীয়া শিক্ষকৰ হিচাব শিক্ষামন্ত্ৰী মহোদয়ে সদনত দাঙি ধৰিছে আৰু ইয়াৰ সংখ্যা হল ৭৭২১ খন স্কুল। তাৰ ভিতৰত হয়তো এতিয়ালৈকে ২·৩ হাজাৰত নিযুক্তি দিয়া হৈছে। বাকীখিনিত এতিয়াও হোৱা নাই। গতিকে যিবিলাক তেনেধৰণৰ এজনীয়া শিক্ষক থকা স্কুল আছে, সেইবিলাকত দ্বিতীয় শিক্ষক নিযুক্তি দিব লাগে। ঠিক তেনেকৈ বড়ো মাধ্যমৰ এজনীয়া শিক্ষকৰ স্কুলতো দ্বিতীয় শিক্ষক নিযুক্তি দিব লাগে। আমাৰ গাৱৰ প্ৰাথমিক স্কুলবিলাকৰ অৱস্থা অতি শোচ-নীয়, অতি দুখলগা। আমাৰ প্ৰিয় প্ৰয়াত নেতৃ ইন্দিৰা গান্ধীৰ কুৰি দফীয়া আঁচনিত এন, আৰ, ই, পি আৰু এল, ই, জি, পিৰ

জৰিয়তে যদিও স্কুল লোৱাৰ ব্যৱস্থা কৰা হৈছে সেইখিনি যথেষ্ট নহয়। একোটা উন্নয়ণ খণ্ডত আৰ, এল, ই, জি, পিত ছয়খন আৰু এন আৰ ই, পিত ৮ খন স্কুল পাইছো। এইখিনি যথেষ্ট নহয়। আমাৰ বহু হাজাৰ স্কুল আছে। গতিকে এই আঁচনিত নপৰা এনে বিদ্যালয় সমূহলৈ উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ বিল্ডিং গ্ৰাণ্ট বৃদ্ধি কৰিব লাগে। এইবাৰ মাত্ৰ দুখন স্কুলত ৬ হাজাৰ কৰি টকা দিছে। সেইখিনি একোৰেই নহয়। আৰু এটা কথা উপাধ্যক্ষ মহোদয়, কব বিচাৰিছোঁ আমাৰ ৰাজ্যখনৰ প্ৰতিভা বৃত্তিৰ হাৰ প্ৰাইমেৰী স্তৰৰ পৰা উচ্চ বিদ্যালয়লৈকে স্বাধীনতাৰ পিচৰ পৰা একেটা হাৰতে আছে। প্ৰাইমেৰী শিক্ষাৰ প্ৰতিভা-বৃত্তি ৫.০০ টকা আৰু মজলীয়া শিক্ষাৰ ৭ টকা আৰু উচ্চ বিদ্যালয়ৰ ক্ষেত্ৰত ৫৫.০০ টকা। আগৰ দিনত ৫.০০ টকা যেতিয়া বৃত্তি পাইছিল তেতিয়া সেই টকাৰ দ্বাৰা মাহতো চলিব পাৰিছিল। কিন্তু এতিয়া দাম ইমান বৃদ্ধি পাইছে যে, আমাৰ সকলো কৰ্ম্মচাৰীৰ সকলো বিষয়াৰ দৰমহাৰ হাৰ বৃদ্ধি হৈছে। কিন্তু প্ৰতিভা বৃত্তিৰ ক্ষেত্ৰত এই হাৰটো আগৰ দৰেই আছে। গতিকে উপাধ্যক্ষ মহোদয়, মই শিক্ষামন্ত্ৰী মহোদয়ক প্ৰতিভা বৃত্তিৰ হাৰ বৃদ্ধি কৰিবলৈ অনুৰোধ কৰিলো। বাজেটত টকা আৰু বেছি ধৰক, আমাৰ আপত্তি নাই। আমাৰ শিক্ষা ব্যৱস্থাৰ উন্নতি হব লাগে। যাতে আমি আন আন দেশৰ লগত, বিশেষকৈ পশ্চিমীয়া শিক্ষাৰ লগত সমানে ফেৰ মাৰি আগবাঢ়ি যাব পাৰো।

উপাধ্যক্ষ মহোদয়, আমাৰ সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত চাহ বাগান বিলাকত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে। এইটোৰ বাবে আমি সন্তোষ পাইছো। বাকী বিলাক প্ৰাথমিক স্কুলতো যাতে মধ্যাহ্ন আহাৰৰ ব্যৱস্থা কৰে তাৰ বাবে অনুৰোধ কৰিলো। উপাধ্যক্ষ মহোদয়, আমাৰ যিসকল অৱসৰ প্ৰাপ্ত স্কুলৰ শিক্ষক আছে প্ৰাইমেৰীৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ পেঞ্চন আৰু গ্ৰেচুইটিৰ ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান আমাৰ কৰ্ম্মমুখী শিক্ষাৰ ওপৰত যোৰ দিব লাগে আৰু গুৰুত্ব আৰোপ কৰিব লাগে। এই কৰ্মমুখী শিক্ষা দিবলৈ হলে

উচ্চতৰ মাধ্যমিক স্তৰলৈকে ভকেচনেল শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে। আৰু কিছুমান স্তৰত য'ত সুবিধা হয় তাত টি-টেকনিকেল (Tea technology) চুগাৰ টেকনিকেল (Sugar technology) শিক্ষা উচ্চতৰ মাধ্যমিক স্তৰত প্ৰয়োগ কৰিব লাগে। এইখিনিতে মই দৰং জিলাৰ প্ৰাইমেৰী শিক্ষকৰ কথা কব বিচাৰিছো। আমাৰ দৰং জিলাৰ মঙ্গলদৈ আৰু ওদালগুৰি মহকুমাত প্ৰায় ১৪ জন শিক্ষক দুৰ্নীতিৰ অভি-যোগত নিলম্বিত কৰা হৈছিল। এইটো ১৯৭৫ চনৰে কথা। প্ৰায় ১০ বছৰেই হ'ল। শিক্ষক সকলক অলপতে নিযুক্তি দিয়া হ'ল আৰু তাৰ ঠাইত যিকেইজন শিক্ষক আছিল তেওঁলোকক চাকৰিৰ পৰা আত-ৰাব লগা হ'ল। এতিয়া তেওঁলোকক কি স্তৰত ৰাখিছে আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে জানিব পাৰিব। যি সকলক পুনৰ মকৰল কৰা হ'ল তেওঁলোকেও আগৰ দৰমহা লৈয়ে আছে। দুৰ্নীতিৰ অভিযোগত নিলম্বিত কৰা হৈছিল যদিও আচলতে হব নালাগিছিল। তেওঁলোকক সুবিচাৰ দিয়াৰ বাবে মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এইখিনিতে মই আৰু এটা কথা কব বিচাৰিছো যে, আমাৰ দৰং জিলা নতুনকৈ গঠিত হোৱা জিলা। সকলো জিলাতে জিলা পুথিভৰাল আছে। গতিকে দৰং জিলাতো জিলা পুথিভৰাল খোলাৰ ব্যৱস্থা কৰিব লাগে। এই সম্পৰ্কে বোধকৰো অনুমোদন দিছে নেকি? আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে জানিব। গতিকে মই এদমিনিচট্ৰেটিভ এপ্ৰভেল দিয়াৰ বাবে অনুৰোধ কৰিলো। মই শেষত স্ত্ৰী-শিক্ষাৰ বিষয়ে কবলৈ বিচাৰিছো। যিহেতু আমাৰ দেশত মুঠ জন সংখ্যাৰ ৫২ ভাগেই এতিয়া মহিলা, গতিকে আমাৰ সমাজৰ উন্নতি হবলৈ হ'লে মহিলা সকলৰ সৰ্বাঙ্গীন উন্নতি হব লাগিব। মহিলাৰ শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিব লাগিব। কাৰণ মহিলা সকলৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। আপোনালোকে ইয়াত যি বাজেট উত্থাপন কৰিছে সেই বাজেট বহু অভিজ্ঞ অফিচাৰ সকলে লগলাগি কৰিছে। সেই ধৰাই মহিলা সকলেও ঘৰৰ বাবে বাজেট তৈয়াৰ কৰে আৰু তাৰ বাবে শিক্ষাৰ প্ৰয়োজন হয়। মহিলা শিক্ষিত

নহলে ভাল ধৰণে কেনেকৈ চলাব ? ঘৰেই শিশুৰ আচল শিক্ষাৰ ঠাই' অৰ্থাৎ ঘৰেই শিশুৰ প্ৰকৃত শিক্ষাৰ ঠাই। মাতৃ শিক্ষিত নহলে ল'ৰা-ছোৱালী শিক্ষিত হব নোৱাৰে। আৰু এই শিশু সকলক দেশৰ ভবিষ্যত হিচাবে গঢ়ি তুলিব নোৱাৰি। গতিকে শিক্ষামন্ত্ৰী মহোদয়ে যাতে স্ত্ৰী শিক্ষাৰ ওপৰত বিশেষ ভাবে গুৰুত্ব দিয়ে তাৰ বাবে অনুৰোধ কৰিলো। স্ত্ৰী শিক্ষাৰ কাৰণে একেবাৰে প্ৰাক প্ৰাথমিক স্তৰৰ পৰা আৰম্ভ কৰি উচ্চতৰ মাধ্যমিক স্তৰলৈকে য'ত বিশেষ সুবিধা আছে বা একেটা প্ৰাঙ্গনতে খুলিব পৰা ব্যৱস্থা আছে সেই বিলাকত আচুতীয়া কিছুমান স্ত্ৰী শিক্ষানুষ্ঠান খুলিব লাগে। এই খিনিতে মই মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ নিজৰ স্কুল এখনৰ কথা অৰ্থাৎ টংলা উচ্চ বালিকা বিদ্যালয়ৰ কথা কবলৈ বিচাৰিছোঁ। এই স্কুলখন প্ৰাক-প্ৰাথমিক স্তৰৰ পৰা উচ্চতৰ মাধ্যমিক স্তৰলৈ নিব পৰা সকলো সুবিধা আছে। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে এই স্কুল নিজেও দেখিছে। গতিকে সেই আৰ্হিত এই স্কুল কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ যুৱ-নেতা ভাৰতৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়েও মহিলা শিক্ষাৰ ওপৰত, মহিলাৰ সৰ্ব্বাঙ্গীন উন্নতিৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। মই আশা কৰিছো আমাৰ মাননীয় মুখ্য মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী মহোদয়ৰ যুটীয়া প্ৰচেষ্টাৰে আমাৰ ৰাজ্যখনত স্ত্ৰী-শিক্ষাবিকাশ সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰিব আৰু এইখিনিতে কৈ মই বৰ্ত্তমান প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীমহম্মদ নুৰুল হুছেইন—উপাধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুআষাৰ কবলৈ আগবাঢ়িছো। আপোনালোক সকলোৱে জানে যে আমাৰ প্ৰাইমেৰী স্কুলত যিবিলাক ল'ৰা ছোৱালীয়ে পঢ়ে তেওঁলোকেই আমাৰ দেশৰ ভৱিষ্যত। কিন্তু আজি আমি দেখিবলৈ পাইছো আমাৰ বহুতো প্ৰাইমেৰী স্কুলত এজনহে শিক্ষক দিয়া হৈছে। এজন শিক্ষকে চাৰিটা শ্ৰেণীৰ ল'ৰা ছোৱালী পঢ়োৱা বৰ অসুবিধাৰ কথা গতিকেই দেখা যায় যে, ল'ৰাছোৱালী স্কুললৈ আহে আৰু গুচি যায়। গতিকে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে, অতি সোনকালে

* Speech not corrected.

চৰকাৰে আমাৰ এই এজনীয়া শিক্ষকৰ স্কুল বিলাকত আৰু অধিক শিক্ষক দি প্ৰবলেম চলভ্ কৰিব লাগে। নহলে এই স্কুলবিলাক ৰখাৰ কিবা আৱশ্যকতা আছে বুলি মই অনুভব নকৰোঁ। মোৰ দ্বিতীয় কথা হৈছে, চাৰ্ভিচ ৰুলমতে এল পি স্কুলৰ শিক্ষকে অৱসৰ লৈ আছে। কিন্তু চাৰি পাচমাহ যোৱাৰ পিচত তেওঁক আকৌ লৈ অহা হয়। ৰিটায়াৰ কৰা শিক্ষক জনে ছয়মাহৰ বেতন লৈ যায়, পিচত তেওঁ আকৌ কেনেকৈ বেতন বিচাৰে? আমি দেখা পাইছোঁ যে ৰিটায়াৰমেণ্টৰ নটিচ পালেই তেওঁ কোনোবা স্কুলৰ পৰা চাৰ্টিফিকেট সংগ্ৰহ কৰে। মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ চাৰ্ভিচবুকৰ ভিত্তিত এওঁলোকে ৰিটায়াৰ কৰেনে চাৰ্টিফিকেটৰ ভিত্তিত কৰে? এল পি স্কুলত দুটা ভাগে শিক্ষক নিযুক্তি দিয়ে—এটা হৈছে মাদ্ৰাছা আৰু আনটো হৈছে মোক্তাব। এই মোক্তাৱ শিক্ষক সকলে আৰবী শিক্ষা দান কৰে। কিন্তু আৰবী শিক্ষা দিয়াৰ ব্যৱস্থা আজিলৈকে হোৱা নাই। ইয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। নহ'লে দুটা পৰ্য্যায় ৰখাৰ কোনো লাভ নাই।

উপাধ্যক্ষ মহোদয়, মই আন এটা কথা কব খুজিছোঁ। সেইটো হৈছে, চেণ্টাৰ চেক্ৰেটৰী লৈ। এই সকলে ৰাতিপুৱাই হাতত বেগ লৈ ওলায় যায় আৰু ৰাতি ঘূৰি আহে। এওঁলোকে কেতিয়া শিক্ষকতা কৰে আমি বুজি নাপাওঁ। এখন বিদ্যালয়ত যদি দুজন শিক্ষক থাকে আৰু তাৰে এজন যদি চেণ্টাৰ চেক্ৰেটৰী হয় তেন্তে দুজন শিক্ষক নাহিলে সেইদিনা সেই স্কুল শিক্ষা দানেই নহয়। গতিকে, এই ব্যৱস্থা উঠাই দিয়াৰ বাবে মই শিক্ষা মন্ত্ৰীক অনুৰোধ জনালোঁ।

উপাধ্যক্ষ মহোদয়, আমি শুনিছোঁ আৰু এহেজাৰ মান ভেনচাৰ স্কুল লব। লোৱাত আমাৰ আপত্তি নাই, কিন্তু এজনীয়া শিক্ষকৰ যি সমস্যা আছে সেই ঠাইত আৰু এটা সমস্যা বাঢ়িব। এই স্কুলবোৰ লোৱাৰ সময়তে যাতে দুজনীয়া শিক্ষকৰ ব্যৱস্থা হয় তাৰ বাবে চৰকাৰে ব্যৱস্থা ৰাখিব লাগে। শেষত মই আন এটা অনুৰোধ কৰি মন্ত্ৰী মহোদয়ক কব খুজিছোঁ যে যিবিলাক হাইস্কুলত আৰবী আৰু পাৰ্চি আছে সেই বিলাকৰ পৰা আৰবী ভাষাটো উঠাই দি পাৰ্চি বাধ্যতামূলক কৰিব

লাগে। ইয়াকে কৈ মই সামৰণি মাৰিছোঁ।

* শ্ৰীবিমল গয়াৰী—মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত অনা মঞ্জুৰী দাবী সমৰ্থন কৰি বিৰোধী পক্ষৰ পৰা উত্থাপন কৰা কৰ্ত্তন দাবীৰ মই বিৰোধীতা কৰিছোঁ।

সময় মাত্ৰ মোক পাঁচ মিনিট দিছে, সেই বাবে মই এটা বিষয়ে কব খুজিছোঁ। মই এটা কথা চৰকাৰৰ পৰা এতিয়ালৈকে স্পষ্টভাবে জানিব পৰা নাই। ১৯৬৩ চনৰে পৰা বড়ো ভাষা মাধ্যম হিচাবে দিয়া হৈছে, কিন্তু কিছুমান সমস্যা এতিয়াও চলিয়েই আছে। এই সম্পৰ্কে চৰকাৰৰ লগত বড়ো সাহিত্য সভা, বিভিন্ন সমিতি বা শিক্ষক সকলে আলোচনা-বিলোচনা কৰি আহিছে, কিন্তু এই এশ এটা সমস্যাৰ এটাও এতিয়াও সমাধান নোহোৱাৰ বাবে মই দুখ পাইছোঁ। বড়ো মাধ্যম অসমৰ ধুবুৰীৰ পৰা শদিয়ালৈকে ৩,০০০ তিনি হাজাৰ খন স্কুলত প্ৰচলন হৈছে। ঠিক তেনেকৈয়ে উচ্চতৰ মাধ্যমিক স্কুল আৰু কলেজ পৰ্যায়তো এম, আই, এল, হিচাবে বড়ো ভাষা লোৱা হৈছে। কিন্তু দুখৰ বিষয় এই হেজাৰ হেজাৰ ল'ৰা ছোৱালীয়ে বড়ো ভাষা কেনেকৈ শিকিছে চৰকাৰে জানেনে নাই মোৰ সন্দেহ। কিয়নো বড়ো মাধ্যমৰ শিক্ষাৰ অভাবৰ কথা বাৰে বাৰে সদনত উত্থাপন কৰা স্বত্তেও চৰকাৰে একো কৰা নাই। শিক্ষকৰ অভাৱ, শ্ৰেণীৰ কোঠাৰ অভাব, পাঠ্য পুথিৰ অভাব আদি এশ একুৰি সমস্যা এতিয়ালৈকে চলি আছে। দুখৰ বিষয় ৩,০০০ (তিনি হেজাৰখন) বড়ো মাধ্যমৰ বিদ্যালয়ত চৰকাৰী ভাবে শিক্ষক নিযুক্তি কৰা হৈছে, এই স্কুলবিলাক পৰিদৰ্শন কৰাৰ কোনো ব্যৱস্থা নাই। এই বোৰৰ বাবে মাত্ৰ ১৬ জন চাব ইন্সপেক্টৰ দিয়া হৈছে। কিন্তু চৰকাৰৰ নীতিমতে প্ৰতি ৭০ খন বিদ্যালয়ৰ মাজত একোজন চাব ইন্সপেক্টৰ দিব লাগে। কিন্তু ধেমাজী, নলবাৰী আৰু জোনাই মহকুমাত বৰ্ত্তমান কোনো পৰিদৰ্শক নাই। বড়ো মাধ্যমৰ শিক্ষক হাইস্কুলবিলাকত নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে কিন্তু এতিয়ালৈকে

* Speech not corrected.

পদ মঞ্জুৰী দিয়া নাই। উদাহৰণ হিচাবে লক্ষীমপুৰ বগী নদী হাইস্কুলত এজনো শিক্ষক দিয়া নাই। ধেমাজী মহকুমাৰ গগামুখ আৰু মোৰ নিজৰ সমষ্টিৰ নিকাচী প্ৰভিন্সিয়েলাইজত হাইস্কুল আৰু নিকাচি এম, ই স্কুলত এজনো বড়ো শিক্ষকৰ পদ মঞ্জুৰী নাই। ঠিক তেনেকৈ অন্যান্য বহুতো হাইস্কুল আৰু এম, ই স্কুলত যথেষ্ঠ পৰিমাণৰ বড়ো শিক্ষকৰ অভাব। মই এটা হিচাব দিব বিচাৰিছোঁ—এল, পি স্কুলৰ পৰা হাইস্কুললৈ প্ৰতি খনত ১০০ জনকৈ ছাত্ৰ-ছাত্ৰী গড়ে ধৰিলেও (৩) তিনি হাজাৰ খন বিদ্যালয়ত প্ৰায় ৩ লাখ ল'ৰা- ছাৱালীয়ে বড়ো মাধ্যমত শিক্ষা গ্ৰহণ কৰিছে। এই ৩ লাখ বড়ো ল'ৰা-ছোৱালীয়ে বড়ো ভাষাত শিক্ষা লৈ আছে। প্ৰতি-জন ল'ৰা-ছোৱালীৰ বিপৰীতে ১০ (দহ) জনকৈ পৰিয়াল ধৰিলে ৩০ লাখ বড়ো অভিভাৱক পৰিয়াল হয়গৈ। এই ৩০ লাখ মানুহক চৰকাৰে অৱমাননা কৰা নাইনে? সেই কাৰণেই মই শিক্ষা মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছোঁ যে বড়ো ভাষাৰ ক্ষেত্ৰত যিটো জলন্ত সমস্যা আছে সেই সমস্যা সমধান কৰিবলৈ চেষ্টা কৰে যেন। বড়ো ভাষাক যেতিয়া চৰকাৰে স্বীকৃতি দিছেই গতিকে তাৰ চৰকাৰী ভাষা কৰিব আৰু তাৰ উত্তৰোত্তৰ উন্নতি কৰিব লাগিব। যেনে পুথি প্ৰনয়ণ আৰু অন্যান্য আনুসঙ্গিক অভাৱ অভিযোগ পূৰণ হলেহে এই ভাষাটোৰ উন্নতি কৰিব পৰা যাব। এই খিনিকে কৈ মই এই দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তৃতা সামৰণি মাৰিলোঁ।

*শ্ৰীতজমূল আলী লস্কর—উপাধ্যক্ষ মহোদয়, আমি শিক্ষা বিভাগের উপর উত্থাপিত কর্ত্তন প্রস্তাব সমর্থন করে কয়েকটি পরামর্শ তুলে ধরছি। উপাধ্যক্ষ মহোদয়, আমাদের শিক্ষামন্ত্রী বা শিক্ষাবিভাগ এখন পর্য্যন্ত এরাজ্যের অনেক ভেঞ্চার এল, পি স্কুল অধিগ্রহণ করেছেন। এই সরকার এই বছর প্রায় ১৪০০ এবং তার আগের বছর ২৪০০ মোট প্রায় ৪০০০ ভেঞ্চাৰ স্কুল অধিগ্রহণ করেছেন। তাছাড়া আরো ১০০০ স্কুল অধিগ্রহণ করবেন বলে সিদ্ধান্ত নিয়েছেন। এটা নিঃসন্দেহে খুব ভাল পদক্ষেপ। কিন্তু আমদের এই রাজ্যে কয়েকটি এম,

---

*Speech not corrected.

ভি স্কুল রয়েছে যেখানে অনেক শিক্ষক-শিক্ষয়েত্রী প্রায় ৮-১০ বছর ধরে কাজ করেছেন। এদের অনেকের বয়স পার হয়ে গেছে এবং অনেকেই ট্রেইন্দ টিচার। এই ব্যাপারে অনেক মাননীয় সদস্যও উল্লেখ করেছেন। সেইজন্য আমি মাননীয় শিক্ষা মন্ত্রীকে অনুরোধ করছি তিনি যেন এই ভেঞ্চার এম ভি স্কুলগুলিও অধিগ্রহনের ব্যবস্থা করেন।

উপাধ্যক্ষ মহোদয়, আপুনি জানেন যে এই সরকার গত বছর অনেক হাইস্কুলকে আপ-গ্রেডেড করে হাইয়ার সেকেণ্ডারী স্কুলে পরিনত করেছেন। কিন্তু এই স্কুল গুলিতে সব সাব্‌জেক্ট টিচারের নিযুক্তি হয় নাই। বিশেষ করে ইংলিশ এবং হিস্‌টরী সাবজেক্ট টিচার নিযুক্তি হয় নাই। এবং এইসব সাব্‌জেক্ট টিচারের অভাবে স্কুলগুলিতে ছেলে-মেয়েদের পড়াশুনার বিস্তর ক্ষতি হচ্ছে। সেইজন্য আমার পরামর্শ হলো যেসব ছেলে এম এ প্রিফিয়াস পাস তাদেরকে কুয়ালিফিকেশন রিলাক্স করে গ্রেজুয়েট স্কেলে নিযুক্তি দিলে ছেলে-মেয়েদের পড়াশুনা হবে বলে আমি মনে করি। আশাকরি মন্ত্রী মহোদয় এ ব্যাপারে চিন্তা করবেন।

উপাধ্যক্ষ মহোদয়, সমস্ত আসামের এম ভি স্কুলগুলিতে চৌকিদার নিযুক্তি দেওয়া হয়েছিল। এইসব চৌকিদারেরা অনেকেই রাত জেগে কাজ করেন এবং স্কুলগুলিকে পাহারা দেন। অথচ তারা ৪র্থ শ্রেণীর কর্মচারী হিসাবে আজও পয়সা সরকার থেকে পাচ্ছে না। এই ব্যাপারে তারা দাবী জানিয়ে অনেক মেমোরেণ্ডামও দিয়েছে। আমি এই ব্যাপারে শিক্ষামন্ত্রী মহোদয়কে অনুরোধ করছি যে এইসব গরীব চৌকিদারদের চাকরী ৪র্থ শ্রেণীর কর্মচারী হিসাবে স্বীকৃতি দিয়ে তাদের যেন বেতন দেবার ব্যবস্থা করেন।

উপাধ্যক্ষ মহোদয়, কোন কোন এম ই স্কুলে সংস্কৃত, আরবি এবং এসামিস টিচার ক্লাসিকেল টিচার হিসাবে অনেক দিন যাবত কাজ করছেন অনেকের চাকরী প্রায় ৬-৮ বছর হয়ে গেছে। কিন্তু এই পোষ্টগুলির কোন সেংশন হচ্ছে না। এই ব্যাপারে আমি গত বাজেট ভাষণেও বলেছিলাম এবং শিক্ষামন্ত্রী মহোদয় প্রতিশ্রুতিও দিয়েছিলেন যে তাদের

পোষ্টগুলি সেংশন করবেন। কিন্তু তাদের কোন ব্যবস্থা আজও হয় নাই। এই ব্যাপারে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

উপাধ্যক্ষ মহোদয়, গত বছর আমার এক প্রশ্নের উত্তরে মাননীয় মুখ্যমন্ত্রী মহোদয় কেন্দ্রীয় সরকারের একটি সারকুলার পড়ে শুনিয়ে বলেছিলেন যে ১৫ দফা মাইনোরিটি প্রোগ্রাম চালু করা হবে এবং এটা চালু হলে মাইনোরিটি এরিয়ার ছেলে—মেয়েরা পড়া-শুনার ক্ষেত্রে অনেক সুবিধা পাবে। কারণ এইসব এরিয়াতে স্পেসিয়েল পলিটেকনিক স্কুল খোলা হবে। কিন্তু দুঃখের বিষয় কেন্দ্রীয় সরকার থেকে নির্দ্দেশ আসার পরও কোন ইমপ্লিমেন্টেচন হয় নাই। কারন আমার এরিয়াতে কোন পরিকল্পনা আজ পর্যন্ত হয় নাই। তাছাড়া ইউনিভারসিটিতে এইসব ছেলেমেয়েদের জন্য কোচিং ক্লাস খোলারও কথা আছিল কিন্তু এখন পর্যন্ত হয়ে উঠে নাই। এই ব্যাপারে আমি মন্ত্রী মহোদয়কে দৃষ্টি দিতে অনুরোধ করছি।

স্যার, আমি কয়েকদিন আগে সেক্রেটারী এবং ডি পি আইর সঙ্গে দেখা করে হায়ার সেকেণ্ডারী এবং হাইস্কুলগুলিতে শিক্ষক নিযুক্তির ব্যাপারে নানা ধরনের কেলেংকারীর কথা বলেছিলাম। বিশেষ করে ডি. পি আই অফিসের এষ্টাব্লিস্‌মেন্ট ব্রাঞ্চের রি-অরগানাইজেশনের কথা বলেছিলাম। কারন এই রি-অরগেনাইজেশন খুবই দরকার। কারণ যতক্ষন পর্যন্ত এইসব বিভাগে পয়সা খরচ করা হয় না ততক্ষন তাদের কোন কাজ হয় না।

( সময় সংকেত )

স্যার, আর একটি কথা বলেই আমি আমার বক্তব্য শেষ করবো। মাননীয় সদস্য আলতাফ হোসেন মহোদয় মাদ্রাসা এবং সংস্কৃত শিক্ষার প্রসারের জন্য একটা আলদা ডাইরেক্টরেট খোলার পরামর্শ দিয়েছিলেন।

( সময় সংকেত )

আমিও এই পরামর্শ দিয়ে আমার বক্তব্য শেষ করছি।

*শ্ৰীআমিৰ হামচা তালুকদাৰ—মাননীয় উপাধ্যক্ষ মহোদয়, আজি শিক্ষাৰ শিতানত, শিক্ষা মন্ত্ৰী মহোদয়ে তুশ দহ কোটি ছয় লাখ চাপন্ন হাজাৰ টকাৰ বাজেট উত্থাপন কৰিছে। তাৰ সমৰ্থনত যি কাট মোচন আছে তাৰ ওপৰত মই কেইটামান কথা কবলৈ আগবাঢ়িছোঁ। আজি শিক্ষাৰ কথা উপলব্ধি কৰিবলৈ গ'লেই দেখা যায় যে শিক্ষাই হ'ল দেশৰ মানদণ্ড। শিক্ষাৰ ওপৰতেই দেশৰ ভূত ভৱিষ্যত নিৰ্ভৰ কৰে, দেশৰ নাগৰিক গঢ়াৰ ক্ষেত্ৰত নিৰ্ভৰ কৰে। আজি শিক্ষাৰ যদি মত পৰিবৰ্ত্তন কৰা নহয় তেতিয়া হলে একো নহব। শিক্ষাৰ লগত প্ৰত্যেক ব্যক্তি, প্ৰত্যেক ছাত্ৰ আৰু প্ৰত্যেক শিক্ষক ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। প্ৰত্যেক মানুহেই শিক্ষাৰ প্ৰতি সচেতন নহলে এনেয়ে শিক্ষা শিক্ষা কৈ চিঞৰি থাকিলে একো নহব। আৰু শিক্ষা নহ'লে সমাজতন্ত্ৰৰ ফালে বা উন্নতিৰ ফালে দেশ আগবাঢ়ি যোৱাটো সম্ভৱ নহয়। সেই কাৰণেই মই বিশেষকৈ গাওঁৰ স্কুলৰ পৰিবেশৰ কথা কব খুজিছোঁ। গাওঁৰ প্ৰাথমিক স্কুলবোৰলৈ যাবলৈ মন নকৰে। সেই কাৰণে মই স্কুলৰ পৰিবেশৰ কথা কৈছোঁ। এই পৰিবেশৰ পৰিবৰ্ত্তন ঘটাব লাগিব। গাওঁৰ স্কুল বিলাকৰ ঘৰ দুৱাৰ অৱস্থা অতি শোচনীয়।

আমাৰ দুখীয়া গাঁৱৰ ৰাইজে দুবেলা দুমুঠি খাই নাখাই স্কুল গঢ়িছে সেই স্কুল বিলাক চৰকাৰে লওঁতেও শিক্ষক সকলকহে লয় ঘৰটো নলয়। ঘৰৰ কাৰণে যি খিনি মঞ্জুৰি দিয়ে সেই খিনি তেনেই নগণ্য। মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আমাৰ যাতে স্কুল ঘৰৰ পৰিবেশ বিলাক ভাল হয় তাৰ কাৰণে মনোনিবেশ কৰিব লাগে। মই এটা কথা যোৱা বাজেট অধিবেশনতেই কৈছিলো যে আমাৰ চহৰত যি বিলাক প্ৰাইমাৰী স্কুল আছে সেই বিলাকত প্ৰি-প্ৰাইমাৰী শাখা আছে কিন্তু গাওঁ অঞ্চলত যি বিলাক প্ৰাইমাৰী স্কুল আছে সেই বিলাকত প্ৰাক-প্ৰাইমাৰীৰ শাখা নাই সেই কাৰণে গাওঁ বিলাকত থকা প্ৰাইমাৰী স্কুল বিলাকতো প্ৰাক-প্ৰাইমাৰী শাখা খোলাৰ ব্যৱস্থা কৰিব লাগে। আমি আৰু এটা

* Speech not corrected

কথা অলপতে জানিবলৈ পাইছো যে যেতিয়া ইলিমেণ্টৰী এডুকেচন চেকে-ণ্ডাৰী এডুকেচনৰ পৰা বেলেগ হৈ আহিল তেতিয়া সেই বিলাকক পাৰমিচন দিয়া হৈছিল যদিও এতিয়াও সেই বিলাকে কমপেনচেটৰী গ্ৰাণ্ট পোৱা নাই। আগতে যি অৱস্থাত আছিল এতিয়াও সেই অৱস্থাতেই ৰৈ আছে। ইয়াতে আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো মাদ্ৰাচা সম্পৰ্কে। আমাৰ চৰকাৰ হোৱা দুই বছৰ হ'ল যদিও মাদ্ৰাচাৰ ক্ষেত্ৰত কোনো নীতি লোৱা নহ'ল। বছৰৰ পিচত বছৰ ধৰি যদি এই দৰেই মাদ্ৰাচাৰ শিক্ষক সকলে দৰ্মহা নাপায় তেনেহলে নিশ্চয় আমি অভিসাশ লব লাগিব। মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো গোটেই অসমতে কিমানখন মাদ্ৰাচা আছে সেইটো চাৰভে কৰি ইয়াৰ কাৰণে এটা সুকীয়া ব্যৱস্থা কৰিব।

আমাৰ চৰকাৰে আৰু এক হাজাৰখন এল, পি স্কুল লোৱা হব বুলি কৈছে আৰু ইয়াৰ কাৰণে চৰকাৰে ৰাইজৰ ফালৰ পৰা অভিনন্দন পাব। ইয়াৰ লগতে আৰু এটা কথা চাব লাগিব যে গোটেই অসমতে দুখীয়া ৰাইজে কষ্ট কৰি ১৯৭৮ চনৰ ২১ মাৰ্চৰ পৰা যি বিলাক স্কুল কৰিছে সেই বিলাকৰ চাৰভে কৰি সেই বিলাক চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিব।

বড়ো মাধ্যমৰ স্কুল বিলাকৰ কথা আমাৰ মাননীয় কেইবাজনো সদস্যই কৈ গৈছে। এই সম্পৰ্কত বড়ো সাহিত্য সভাৰ ফালৰ পৰাও চাৰভে কৰি এখন লিষ্ট দাখিল কৰিছে। সেই মতেই শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বিশেষ ব্যৱস্থা লৈ বড়ো সাহিত্য সভাই দাখিল কৰা তালিকা-মতেই যাতে বড়ো মাধ্যমৰ শিক্ষক নিয়োগ কৰে তাৰ কাৰণে অনুৰোধ জনালো। মোৰ বহুত কথা কবলগীয়া আছিল যদিও সময়ৰ অভাৱত কব নোৱাৰি আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট আনিছে সেই খন সমৰ্থন কৰি আৰু বিৰোধী পক্ষৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীকীৰ্ত্তি দত্ত—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সদনত কেইবাজনো বিৰোধী

---

* Speech not corrected

পক্ষৰ মাননীয় সদস্যই অনা কৰ্ত্তন প্ৰস্তাৱটো বিৰোধিতা কৰি আৰু মাননীয় শিক্ষা মন্ত্ৰীয়ে যি ২১০ কোটি ১১ লাখ ২৬ হাজাৰ টকাৰ শিক্ষাৰ ক্ষেত্ৰত বাজেট উত্থাপন কৰিছে সেইটো সমৰ্থন কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। শিক্ষা বিভাগটো অতি গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৰ কাৰণে বাজেটত যিমান টকা ধৰা হৈছে সেইটো প্ৰকৃততে কবলৈ গ'লে অতি কম হৈছে। সেয়েহে মই বিত্তমন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে তেখেতে শিক্ষাৰ ক্ষেত্ৰত যেন আগলৈ অধিক টকা ধৰাৰ ব্যৱস্থা কৰে। ভাৰতবৰ্ষ স্বাধীন হোৱা ৩৭ বছৰ হ'ল যদিও আজি সৰ্বভাৰতীয়ৰ শিক্ষিতৰ শতকৰা হাৰ হৈছে শতকৰা ৩৭ ভাগ। কিন্তু অসমৰ তুলনাত সেই হাৰ তাতকৈয়ো কম মাত্ৰ শতকৰা ২৮ ভাগহে। আমি যিহেতুকে গণতান্ত্ৰিক পদ্ধতিৰে কাম কৰি যাব বিচাৰিছো সেই কাৰণে শিক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্ব দি এই শিতানত টকা ধৰিব লাগিব আনকি আমাৰ পূৰ্বাঞ্চলতে শিক্ষিতৰ শতকৰা হাৰ আমাতকৈ বহুত বেচি।

আমাৰ যে শিক্ষাৰ ক্ষেত্ৰত কিছু হলেও পৰিবৰ্ত্তন আনিব পাৰিছো সেইটো সঁচা কথা। যোৱা বছৰত আমাৰ ১৪৯৭ খন প্ৰাইমেৰী স্কুল চৰকাৰীকৰণ কৰা হৈছে আৰু এই বছৰ এক হাজাৰ খন স্কুল চৰকাৰীকৰণ কৰা হব। তেনেধৰণেৰে আমাৰ এম ই স্কুল, হাইস্কুল, কলেজ হৈছে আনকি এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় পাতিবলৈকো উদ্যোগ কৰা হৈছে। এই ধৰণেৰেই আমি শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব ধৰিছো। হলেও আমাৰ নীতিগত ভাবে যিমান বিলাক কাম হব লাগিছিল সিমানখিনি হোৱা নাই। প্ৰাথমিক শিক্ষাক আমি সাৰ্বজনীন কৰিব লাগিব যাতে প্ৰাথমিক শিক্ষা আমাৰ সকলোৱে পায়। আমাৰ অসমত শিক্ষিতৰ সংখ্যা শতকৰা ২৮ ভাগ। কিন্তু আমাৰ পূৰ্বাঞ্চলতে শিক্ষিতৰ হাৰ শতকৰা এশৰ ভিতৰত এশ ভাগেই আছে। আমি এতিয়াও বহুত পিচ পৰি আছো। সেই কাৰণে এই বিভাগত অধিক টকা পৰবৰ্ত্তী বাজেটত ধৰাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া যিখিনি ধৰা হৈছে সেইখিনি যাতে প্ৰকৃত কামত খৰচ হয় সেই কথা শিক্ষা মন্ত্ৰীকে আদি কৰি বিভাগীয় সকলোৱেই চাব লাগিব।

আমি আজি শিক্ষাৰ ক্ষেত্ৰত প্ৰকৃততে কোনো এটা পদ্ধতিকেই লব পৰা নাই। আমি এতিয়াও টেচটিং অৱস্থাতে আছো। এতিয়া আমি সাধাৰণ শিক্ষাতকৈয়ো কাৰিকৰি শিক্ষাতহে বেচি গুৰুত্ব দিব লাগিব। আমাৰ প্ৰধান মন্ত্ৰীয়েও ব্যক্তিগত শিক্ষাতহে গুৰুত্ব দিছে। আমাৰ শিক্ষা ব্যৱস্থা বিলাক যাতে অহা বছৰৰ পৰা বৃত্তিমূলক হয় তাৰ কাৰণে শিক্ষা ব্যৱস্থাত পৰিবৰ্ত্তন সাধন কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ আই, টি, আই সমূহত ভৰ্ত্তিকৰণৰ কাৰণে হেজাৰ হেজাৰ ল'ৰা-ছোৱালী আমাৰ ওচৰলৈ আহে। কিয়নো আই, টি, আই পাচ কৰি উঠি কোনো ল'ৰা-ছোৱালী নিবন্নুৱা হৈ বহি থকা নাই। সকলোৱে চাকৰি পাইছে। কিন্তু সাধাৰণ শিক্ষালৈ আমি পাইছো কি? আজি অসমত প্ৰায় ৪-৫ লাখ ল'ৰা-ছোৱালী নিবন্নুৱা হৈ আছে। গতিকে যি সময়ত আমাৰ ল'ৰা-ছোৱালীয়ে কাৰিকৰী শিক্ষা লৈ নিজৰ জীৱিকা উলিয়াব পাৰিছে সেই সময়ত আমি হাজাৰ হাজাৰ ল'ৰা-ছোৱালীক নিবন্নুৱা কৰি ৰাখিছোহঁক। এইটো নিশ্চয় অন্যায় কৰিছো। গতিকে আমাৰ চৰকাৰে অতি কমেও প্ৰত্যেকখন জিলাতে একোখনকৈ কাৰিকৰী শিক্ষানুষ্ঠান পাতি আমাৰ ল'ৰাছোৱালীক কাৰিকৰী শিক্ষা লাভ কৰাত সুবিধা কৰি দিব লাগে। উপাধ্যক্ষ মহোদয়, এইখিনিতে এটা কথা মই কওঁ যে আমাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়খন যি উদ্দেশ্যত পাতিব খোজা হৈছিল প্ৰকৃততে সেই উদ্দেশ্য পূৰণ নহ'ল। এই বিশ্ব বিদ্যালয়ত বিভিন্ন বিষয়ৰ বিজ্ঞান আৰু কাৰিকৰী শাখা খোলাৰ কথা আছিল কিন্তু কাৰ্যত সেইটো আজি হোৱা নাই। আজি আমাৰ অসমত খাৰুৱা তেল যি দৰে ওলাবলৈ লৈছে তালৈ চাই আমাৰ অসমত আৰু এটা তেল শোধনাগাৰৰ প্ৰয়োজন হৈ পৰিছে। আৰু যদি এই তেল শোধনাগাৰটো অনতি পলমে পাতিব লগা হয় তেন্তে অসমৰ বাহিৰৰ পৰা মানুহ আনি চাকৰি দিব লাগিব। আমাৰ থলুৱা লোক ইয়াত বঞ্চিত হব। এইটো নহবলৈ হলে আমি এতিয়াই আমাৰ ল'ৰা-ছোৱালী বাহিৰলৈ

* Speech not corrected.

পঠাই বিভিন্ন কাৰিকৰী দিশত শিক্ষা লাভ কৰিবলৈ সুবিধা দিব লাগিব আৰু আমাৰ ডিব্ৰুগড় বিশ্ব বিদ্যালয়ত তেল সম্পৰ্কীয় টেকন'লজীকেল ক্লাচ এটা খোলাৰ ব্যৱস্থা সোনকালে কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ এম, ই স্কুলবোৰত বিজ্ঞানৰ মঞ্জুৰী বুলি আঢ়ৈ হেজাৰকৈ টকা দিয়া হৈছিল বিজ্ঞানৰ বিভিন্ন আচ-বাব কিনাৰ কাৰণে। কিন্তু আমাৰ প্ৰায়বোৰ এম, ই স্কুলতেই বিজ্ঞানৰ শিক্ষক নাই। যাৰ কাৰণে এই আচবাববোৰ এনেয়ে পৰি থাকিব লগা হৈছে। মোৰ নিজৰ সমষ্টিতেই তেনে ঘটনা মই দেখিছো। গতিকে এই টকাখিনি হাইস্কুলৰ নামত দিয়া হলেও ভাল আছিল।

আমাৰ বিভিন্ন স্কুল বোৰৰ ঘৰ দুৱাৰবোৰ সঁচাকৈয়ে বৰ দুখ লগা। মই এবাৰ আমাৰ মাননীয় শিক্ষা-মন্ত্ৰীক লগত লৈ মোৰ সমষ্টিৰ এখন ছোৱালী হাইস্কুললৈ গৈছিলো। তাত গৈ দেখিলো যে ক্লাচ কৰা কোঠাৰ খিড়িকীত ফটা বস্তা এখন আঁৰি থোৱা আছিল। আমি সেয়ে স্কুলৰ বিল্ডিং গ্ৰাণ্টৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিব লাগে। বহা-মেলাৰ সুবিধা ল'ৰা-ছোৱালী বা শিক্ষক সকলে পাব লাগে। তেহে আমাৰ শিক্ষাৰ পৰিবেশ গঢ় লৈ উঠিব। যদি প্ৰয়োজন হয় এই বাজেটৰ উপৰিও পৰিপূৰক বাজেট আনি হ'লেও এই ব্যৱস্থাৰ উন্নতি কৰিব লাগে। এই খিনিকে কৈ আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে, শিক্ষাৰ শিতানত যি বাজেট দাঙি ধৰিছে তাক মই সমৰ্থন কৰিলো আৰু বিৰোধী পক্ষই যি কাট মোচন আনিছে তাৰ মই বিৰোধিতা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীমুকুট শৰ্মা (শিক্ষা মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত যি ৰবাদ্ধৰ কাৰণে অনা হৈছে তাৰ ওপৰত কেইবাজনো মাননীয় সদস্যই অংশ গ্ৰহণ কৰি শিক্ষা বিভাগক কেনেকৈ সক্ৰিয় কৰি তুলিব পাৰি তাৰ যি পৰামৰ্শ দাঙি ধৰিছে তাৰ কাৰণে মই তেখেত সকলক ধন্যবাদ জনাইছো। ইয়াৰ পৰাই বুজা যায় যে আমাৰ মাননীয় সদস্য সকলে এই বিভাগটোৰ লগত জড়িত হবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

---

* Speech not corrected.

উপাধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই এটা কথা কৈছে আৰু আমাৰ শ্ৰীকীৰ্ত্তি দত্ত ডাঙৰীয়াইও এটা কথা কৈছে। এই ক্ষেত্ৰত মই কব খোজো যে যোৱা দুটা বছৰত অসমৰ শিক্ষা জগতৰ অৱস্থা কেনে আছিল ? আপুনি জানে যে আমাৰ চৰকাৰ গঠন কৰা হৈছিল এনে এটা সময়ত যি সময়ত আমাৰ শিক্ষা জগতত বিৰাজ কৰিছিল এক অনিশ্চয়তাৰ। আপোনাৰ নিশ্চয় মনত আছে যে এই দীঘলীয়া আন্দোলনৰ ফলত যি আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছিল সেইটো হৈছে আমাৰ শিক্ষা জগত। ১৯৮০ চনত অসমৰ ল'ৰা-ছোৱালীয়ে এটা বহুমূলীয়া বছৰ নষ্ট কৰিবলগীয়া হৈছিল কাৰণ তেওঁলোকে পৰীক্ষা দিব পৰা নাছিল। আৰু ইয়াৰ কাৰণে বিশেষকৈ আমাৰ দুখীয়া মানুহখিনিৰ ল'ৰা-ছোৱালীবোৰেই পিচপৰি গৈছিল। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ গঠন হোৱাৰ পিচতেই আমাৰ প্ৰথম কৰ্ত্তব্য হৈছিল—নষ্ট হৈ যোৱা শিক্ষাৰ পৰিবেশটো পুনৰ ঘূৰাই অনা আৰু সোনকালে পৰীক্ষা সমূহ অনুষ্ঠিত কৰা। যি সকল ল'ৰা-ছোৱালীক অন্ধকাৰলৈ ঠেলি দিয়া হৈছিল সেই সকলক আমি এই দুই বছৰৰ ভিতৰতেই শিক্ষাৰ বাতাবৰণ ঘূৰাই দিবলৈ সক্ষম হৈছিলো। এইটো ঠিক যে ২ বছৰৰ ভিতৰত আমি শিক্ষাৰ ক্ষেত্ৰত যিমানখিনি কৰিব লাগিছিল কৰিব পৰা নাই কিন্তু আমি তাৰ কাৰণে চেষ্টাৰ ত্ৰুটি কৰা নাই।

সভাপতি মহোদয়, আপুনি নিশ্চয় জানে যে আজি অসমৰ শিক্ষাৰ জগতত এটা সুস্থ পৰিবেশ গঢ় লৈ উঠিছে। ল'ৰা-ছোৱালীবোৰ স্কুললৈ গৈছে, তেওঁলোকে পৰীক্ষা দিছে আৰু পাছো কৰিছে। ইয়াৰ বাহিৰেও অসমৰ বহুতো ল'ৰা-ছোৱালী উচ্চ শিক্ষাৰ বাবে অসমৰ বাহিৰলৈও গৈছে। আমাৰ বহুতো ল'ৰা-ছোৱালীয়ে বি, এ পাছ কৰি আছে কিন্তু আমাৰ দূৰ্ভাগ্যৰ বিষয় যে এই ল'ৰা-ছোৱালীবোৰে এম, এ, এম, এচ, চি পাছ কৰিব পৰা নাই। কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৮০ চনৰ পৰা বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰ পতা নাছিল। সেই কাৰণে আমি চৰকাৰ গঠন কৰিয়েই গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু ৰেজিষ্ট্ৰাৰক মতাই আনি এই পৰি থকা পৰীক্ষাবোৰ তৎকালে পাতিবৰ কাৰণে নিৰ্দ্দেশ দিছিলো।

আৰু তেওঁলোকক এইটোও কোৱা হৈছিলে যে যদি এই পৰীক্ষাবোৰ এক বছৰৰ ভিতৰত পতা নহয় তেনেহলে চৰকাৰ নীৰৱ দৰ্শক হৈ বহি থাকিব নোৱাৰে। আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ত বছৰৰ পিচত বছৰ ধৰি এক শ্ৰেণী ল'ৰা হোষ্টেলত থাকে আৰু তেওঁলোকে পৰীক্ষা নিদিয়ে। কৰ্তৃপক্ষই পৰীক্ষা পাতিলেই তেওঁলোকে বাধা দিয়ে। আমাৰ নিৰ্দ্দেশ মতে গুৱাহাটী বিশ্ববিদ্যালয়ে এই পৰীক্ষা পতাৰ দিহা কৰে। কিন্তু ইয়াৰ পিচতো আমাৰ আকৌ এটা দূৰ্ভাগ্যৰ বিষয় হৈ পৰিল যে যোৱা বছৰ আমাৰ যিবোৰ ল'ৰা-ছোৱালীয়ে বি, এ, বি, এচ, চি পাচ কৰিলে তেওঁ লোক এটা বছৰ বহি থাকিব লগা হয়। কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ে এই ল'ৰা-ছোৱালীৰ কাৰণে বিশেষ ক্লাচৰ ব্যৱস্থা কৰিব পৰা নাছিল।

( At 3.58 p.m. Mr. Deputy Speaker left and Mr. Hemen Das. M.L.A. Chairman, took the chair in the House)

Shri Binoy Kumar Basumatary—Sir, there are interruptions.

Mr. Chairman—Silent please.

* শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষামন্ত্ৰী )—সভাপতি মহোদয়, মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়োৱে কোৱাৰ দৰে আমি যি সকল ল'ৰা-ছোৱালীয়ে ১৯৮৪ চনত বি, এ, বি, এচ, চি পাছ কৰিছে সেই সকলৰ সুবিধাৰ কাৰণে আমি এটা বিশেষ শ্ৰেণী খুলিবলৈ পৰামৰ্শ বিশ্ববিদ্যালয়ক দিছো। এই বিশেষ শ্ৰেণীৰ কাৰণে চৰকাৰে ২০ লাখ টকাৰ এটা মঞ্জুৰীও আগবঢ়াইছে। কিন্তু বৰ দুখৰ বিষয় যে আমাৰ এই প্ৰচেষ্টাটো কিছুমান ছাত্ৰই বাধা প্ৰদান কৰিব খুজিছে কিন্তু এতিয়া আমাক গুৱাহাটী বিশ্ববিদ্যালয়ে জনাইছে যে অহা ২ এপ্ৰিলৰ পৰা এই বিশেষ শ্ৰেণীৰ কাৰণে নতুন ক্লাচ আৰম্ভ হ'ব আৰু ২৭ মাৰ্চত ইয়াৰ বাবে নাম ভৰ্ত্তিকৰণ শেষ হব। ইয়াবোপৰি আমাৰ চৰকাৰে কটন কলেজত আৰু ৪ টা বিষয়ৰ ওপৰত এম, এ

* Speech not corrected.

এম, এচ, চি খোলাৰ ব্যৱস্থা লৈছে। কাৰণ আমি দেখিছো যে অসমৰ ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষাৰ কাৰণে যি হেপাহ সেইটো পূৰণ কৰা চৰকাৰৰেই কৰ্ত্তব্য।

সভাপতি মহোদয়, আমাৰ কিছুমান শক্তিয়ে আজিও শিক্ষাৰ পৰিবেশ বিনষ্ট কৰিবলৈ কাম কৰি আছে। সেই কাৰণে আমি গুৱাহাটী বিশ্ববিদ্যালয়ত যি বিশেষ শ্ৰেণীৰ ব্যৱস্থা কৰিছো সেইটো বিনষ্ট কৰিব খুজিছে। আমি যোৱা দুটা বছৰৰ ভিতৰত যি পৰিবেশ ঘূৰাই আনিবলৈ সমৰ্থ হৈছো সেই পৰিবেশ নষ্ট কৰিবলৈ তেওঁলোক উঠি পৰি লাগিছে।

সভাপতি মহোদয়, মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই এটা কথা কৈছে যে আমাৰ শিক্ষানুষ্ঠান গড়ি তোলাৰ ক্ষেত্ৰত ৰাইজ আগে আছে আৰু চৰকাৰ পিচত আছে। এইটো হয়। কিয়নো আমাৰ শিক্ষানুষ্ঠানবোৰ পোনতে ৰাইজে পাতে আৰু তাৰ পিচত চৰকাৰে সাহায্য দিয়ে। এইটো এটা পৰম্পৰা হৈ আহিছে। এনে হোৱাৰ ফলত নিজে গঢ় দিয়া শিক্ষানুষ্ঠানটোৰ প্ৰতি ৰাইজৰ মৰম চেনেহ জড়িত হৈ পৰে। অলপতে বিশিষ্ট শিক্ষাবিদ ডঃ দেবী প্ৰসাদ চট্টোপাধ্যায় ডাঙৰীয়া অসমলৈ আহোতে আমাৰ এই শিক্ষা নীতিৰ বিষয়ে জনোৱাত তেখেতে বৰ প্ৰশংসা কৰিছে। সেই কাৰণে মই আপোনালোকক এটা কথা জনাব পাৰো যে আমাৰ এই নীতিটো চলি থকাই ভাল কিয়নো আমি যেতিয়াৰ পৰা স্কুলবোৰ প্ৰভিনচিয়েলাইজ কৰিলো তেতিয়াৰ পৰা আমাৰ জনসাধাৰণৰ মাজত এটা কথাই খোপনি পুতিলে যে এই স্কুলবোৰ চৰকাৰে গ্ৰহণ কৰিছে যেতিয়া তাৰ আটাইবোৰ দায়িত্ব চৰকাৰৰেই। কিন্তু আপোনালোকে জানে চৰকাৰে ইমান ডাঙৰ বোজা এটা গ্ৰহণ কৰিব নোৱাৰে। আমি চাকৰিয়াল সকলক দৰমহা দিয়াৰ হে ব্যৱস্থা লৈছো। স্কুল ঘৰবোৰ এতিয়াও ৰাইজৰেই হৈ আছে।

আজি আমাৰ কেবাজনো সদস্যই ভেনচাৰ এল, পি স্কুলৰ কথা কৈছে। আমাৰ চৰকাৰৰ এটা নীতি আছে যে প্ৰত্যেকখন গাওঁতে একোখনকৈ এল, পি স্কুল পতাৰ। সেই হিচাবে আমি গোটেই অসমতে

---

* Speech not corrected.

২৫৮২০ খন এল, পি স্কুল পাতিছো। কিন্তু আমাৰ গাওঁ আছে ২২ হেজাৰখনহে। ইয়াৰ উপৰিও আমি আৰু তুহেজাৰখন এল, পি স্কুল পাতিব খুজিছো। এইবোৰ সাধাৰণতে চৰ অঞ্চল, চাহ বাগান, ফৰেষ্ট ভিলেজ আৰু যি অঞ্চলত এখনো স্কুল নাই তেনে ঠাইত পাতিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

এইখিনিতে আমাৰ সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়া আৰু কেইবাজনো সদস্যাই স্কুলৰ পৰিদৰ্শনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সভাপতি মহোদয়, আমাৰ চৰকাৰে ইতিমধ্যে পৰিদৰ্শন আৰু প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মই পৰিপূৰক বাজেটৰ ওপৰত আলোচনা কৰোতেও এইটো কথা কৈছিলো যে আমি গোটেই এলিমেণ্টৰী এডুকেচনৰ এডমিনিষ্ট্ৰেচনটো ব্লক পৰ্য্যায়লৈ নিব বিচাৰিছো আৰু সেই কাৰণে যোৱা ২৭ ফেব্ৰুৱাৰী তাৰিখে প্ৰত্যেক ব্লকতে একোজনকৈ ব্লক অফিচাৰ নিয়োগ কৰিছো। আৰু এজন মাননীয় সদস্যাই চেণ্টাৰ চেক্ৰেটৰীৰ কথা উল্লেখ কৰিছে। মই তেখেতক এটা কথা কব পাৰো যে এই বিষয়টোৰ ওপৰত চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু চেক্ৰেটৰীজনে যাতে দৰমহা অনা নিয়া কৰিব লগা নহয় তাৰ ব্যৱস্থা হাতত লোৱা হৈছে। যিজন ব্লক অফিচাৰ নিয়োগ কৰা হৈছে তেওঁৰ ওপৰত এইবোৰ দায়িত্ব দিয়া হব। ইয়াৰ বাহিৰেও কাম হব গাওঁৰ স্কুলবোৰ পৰিদৰ্শন কৰি তাৰ এটা পৰিসংখ্যা লোৱা। আমি পৰিসংখ্যা এই কাৰণে লব লগা হ'ল, আমাৰ কিছুমান ঠাইত এনে স্কুল আছে—য'ত ১০০ ল'ৰা-ছোৱালী আছে তাত শিক্ষক আছে ৪ জন আৰু য'ত ২০০ জন ল'ৰা-ছোৱালী আছে তাত শিক্ষক আছে তুজন। সেই কাৰণে এই বিষয়াজনৰ যোগেৰে আমি পৰিসংখ্যা আহৰণ কৰিম আৰু ক'ত কিমান শিক্ষক নিযুক্তি দিব লাগে সেইটো বিচাৰ কৰি চাম

চেয়াৰমেন মহোদয়, ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ শিক্ষকবিলাক বিতৰণ কৰিব পাৰি। এইবিলাক খেলিমেলি বহুতখিনি দূৰ কৰিব পাৰিম। আমাৰ মাননীয় সদস্যসকলে কৈছে নিজ নিজ সমষ্টিত প্ৰশিক্ষণ দিয়াৰ

ব্যৱস্থা কৰাৰ কথা। মই এই ক্ষেত্ৰত সহযোগ কৰিব খোজো আৰু এই কথাটো মই দৃষ্টিগোচৰ কৰিবলৈ চাম। এইবিলাক বহু ক্ষেত্ৰত কিছুমান অসুবিধা আহিব পাৰে, সেই বাবে মই সদস্যসকলৰ সহযোগ কামনা কৰিছো। এলিমেণ্টৰী এডুকেশ্বনৰ অফিচাৰৰ প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰা হৈছে। শিক্ষক সকলে যাতে ডি, আই অফিচত দৰমহা লবলৈ আহিব নেলাগে আৰু তেওঁলোকে ব্লকৰ জৰিয়তে দৰমহা লবৰ কাৰণে ব্যৱস্থা লৈছো। সেই বাবে মই প্ৰশিক্ষণত গুৰুত্ব দিব খোজো। স্কুলৰ যি মানদণ্ড তাক গঢ়ি তুলিবৰ কাৰণে প্ৰশিক্ষণত গুৰুত্ব দিব লাগিব। এলিমেণ্টৰীত বহুতো খেলিমেলিৰ সৃষ্টি কৰা হৈছে। দিষ্ট্ৰিক এলিমেণ্টৰী হল। মহকুমা পৰ্য্যায়ত সৰহ কৰিবৰ কাৰণে ৮ জন ডি, আই দিয়া হ'ল। তেওঁলোকে বহুতখিনি কাম কৰিছে। এই মহকুমা পৰ্য্যায়ত তেওঁলোকে সুকীয়াকৈ কাম কৰিব পাৰিব। এইদৰে প্ৰশিক্ষণৰ ক্ষেত্ৰত নিশ্চয় আগ বাঢ়িব পৰিব। হাইস্কুলৰ ক্ষেত্ৰত শ্ৰীবিনয় বসুমতাৰীয়ে কৈছে যে ৫ খন নতুন জিলা গঠন হোৱাৰ পাচত এজনকৈ এচিচ্‌টেণ্ট ইন্সপেক্টৰ নিয়োগ কৰিছে। এই সকল লোকে প্ৰশিক্ষণত আগ ভাগ লব পাৰিব। আমাৰ মঞ্জুৰীৰ ওপৰত কৈছে. এইবাৰ অসমত প্ৰথমবাৰৰ বাবে কলেজ প্ৰশিক্ষণ ব্যৱস্থা কৰা হৈছে। অসমৰ বিভিন্ন কলেজৰ বিভিন্ন খেলিমেলিৰ কাৰণে এই দায়িত্ব দিছে। স্কুলত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। আমাৰ এই প্ৰশিক্ষণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিব খোজো। তেখেতে পৰামৰ্শ আগবঢ়াইছে। প্ৰথম পৰ্য্যায়ত ৬১ প্ৰশিক্ষণ প্ৰাপ্ত আছিল। ৪৯ জন এতিয়াও প্ৰশিক্ষণ লবলৈ বাকী আছে। স্কুলত ২৫ জন প্ৰশিক্ষণপ্ৰাপ্ত আৰু বাকী শিক্ষকক প্ৰশিক্ষণ লব পৰাকৈ ব্যৱস্থা লোৱা হৈছে। হাইস্কুলত ৩০ জন লোক প্ৰশিক্ষণ প্ৰাপ্ত হৈছে। সেই কাৰণে এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব খোজো।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে ইতিমধ্যে অসমত ৪ খন বি, টি, কলেজ চৰকাৰীকৰণ কৰা হৈছে। চৰকাৰী বি, টি কলেজৰ আগতে আমি নিশ্চয় প্ৰশিক্ষণৰ ক্ষেত্ৰত বিশেষকৈ হাইস্কুলৰ ক্ষেত্ৰত আগ বাঢ়ি যাব পাৰিম। বিশ্বৰিদ্যালয়ৰ ক্ষেত্ৰত শিক্ষাৰ কাৰণে নেশ্বনেল

কাউন্সিল অব বিচার্চ ট্রেইনিং আছে। ইয়াৰ আমি ব্যৱস্থা কৰিব খোজো। আমি আশা ৰাখিছো সোনকালে এইবিলাক প্ৰচেষ্টা কৰিব পাৰিম। এচ, চি, এচ, টি, ৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে আগ বাঢ়ি যাব পাৰিম বুলি আশা ৰাখিছো। শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কৈছে এইখিনিতে বাজেটত ৰিফেলক্ট কৰিব পৰা নাই। সপ্তম পৰিকল্পনা কেনে ধৰণে হব সেইটো ভবা নাই। যি আঁচনি প্ৰথমে ধৰিছে এই বাজেটত ৰিফেক্ট কৰিব পৰা নাই। দিল্লীত যি মুখ্যমন্ত্ৰীৰ সন্মিলন হব আমাৰ যি পৰিকল্পনা লব খুজিছো সেই সপ্তম পৰিকল্পনাত আচল ৰূপত আমি পাব পাৰিম বুলি মই আশা ৰাখিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কিছুমান কথা তুলি ধৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবল অত্যাচাৰৰ কথাটো সঁচাকৈ দুৰ্ভাগ্যজনক কথা। আমাৰ মাননীয় মন্ত্ৰী শ্ৰীৰণেন বসুমতাৰীৰ ল'ৰাটোক আক্ৰমণ কৰি অত্যাচাৰ কৰাটো বৰ দুৰ্ভাগ্যজনক কথা। এই নেতা সকলে আমাৰ চৰকাৰকে জগৰীয়া কৰে। এই নেতা সকলেই সাম্প্ৰদায়িক ভিত্তি সৃষ্টি কৰিছে। আজি সঁচাই যদি আমাৰ এই জনজাতীয় ভাই ভনীসকলক কেইটামান সৰুসুৰা কথাতে অত্যাচাৰ কৰে আমাৰেই দুৰ্ভাগ্যজনক কথা। সেই সকল ছাত্ৰ-ছাত্ৰীক আন্দোলনকাৰী নেতা সকলেই উচতাইছে অসমৰ জনগোষ্ঠীক অত্যাচাৰ কৰিবলৈ। এই অসমত বিভিন্ন জনগোষ্ঠী বসবাস কৰিছে। মই আকৌ কব খোজো যিসকল দেশৰ স্বাৰ্থ বিৰোধী আজি সেই সকলে এই কাম কৰি আছে। এই নেতা সকলে বিচাৰিছে বিভিন্ন জনগোষ্ঠীৰ সংহতি ঐক্য বিনষ্ট কৰিবৰ কাৰণে সাম্প্ৰদায়িকতা বিনষ্ট কৰিবৰ কাৰণে কাম কৰি আছে। তেওঁলোকে কয় এইখন অবৈধ চৰকাৰ। এই চৰকাৰৰ ওচৰলৈ নেযায়। উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় দেখিছে জনতা ভৱনলৈ কাম আদায়ৰ বাবে তেওঁলোক কেনেকৈ আগবাঢ়ি আহিছে। যোৱা ১০ মাৰ্চ তাৰিখে অসমীয়া বোলছবিৰ সোণালী জয়ন্তী পালন কৰা হৈছিল। তাত সকলৰে অংশ গ্ৰহণ কৰিছিল। সেই উৎসৱ পালন কৰিবলৈ তেওঁ সকলক বাধা

কৰিছিল । গুৱাহাটী চহৰত জনতা সান্ধ্য আইন জাৰি কৰিছিল । উপাধ্যক্ষ মহোদয়, আপুনি নিজে উপস্থিত আছিল । আপুনি নিজে দেখিছে সেই জনতা সান্ধ্য আইন নেমানি হাজাৰ হাজাৰ লোক আহি যোগ দিছিল। তাত বহুতো শিল্পী আহি যোগদান কৰিছিল আৰু জ্যোতিপ্ৰসাদৰ প্ৰতি-মূৰ্ত্তিত শ্ৰদ্ধা নিবেদন কৰিছিল । কিন্তু আন্দোলনৰ নেতা সকল সেই সকলৰ লগত নাই । সকলোৱে চৰকাৰৰ ওচৰলৈ আহিছে আৰু চৰকাৰৰ কাম কৰিছে । বিশেষকৈ অৰ্থনৈতিক ক্ষেত্ৰত কাম কৰিছে । এই নেতা সকলে চৰকাৰৰ ওচৰলৈ আহি যথেষ্ট কাম কৰি আছে । সাধাৰণ ৰাইজৰ মাজত যি বিভেদৰ সৃষ্টি কৰিছে তাক সকলোৱে জানে । এই ভেদাভেদ সাধাৰণ ৰাইজে কৰিব খোজা নাই । মুষ্টিমেয় কিছুমান নেতাই কৰিছে । মই এই কথা চাব লাগিব । বিশ্ববিদ্যালয়ত ভৱিষ্যতে যাতে এনেকুৱা হব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লব লাগিব । ই সঁচাকৈ দুৰ্ভাগ্যজনক কথা ।

আমাৰ মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কেইটামান কথা কৈছিল বড়ো মিডিয়ামৰ কথা লৈ কেইখনমান স্কুলৰ কথা । কলাই-গাওঁ নন্দ চহৰীয়া স্কুল । এইটো ঠিক যে শিক্ষা বিভাগে দিক্ৰিমিনেটৰী এটিসিউদ নলয় । দুখন স্কুল চাঞ্জো ৰাম এম ই স্কুলক অপটুডেত কৰি হাইস্কুললৈ ৰূপান্তৰ কৰাৰ ৰিকগনিচনৰ প্ৰচেচ চলি আছে । বড়ো মিডিয়ামৰ শিক্ষাৰ কাৰণে আমি বিশেষ ব্যৱস্থা লৈছো । তেখেতে আৰু দুখনমান স্কুলৰ সমস্যাৰ কথা দাঙি ধৰিছে সেইটো আমি চাব লাগিব। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এটা ডাঙৰ আৰু ভাল কথা কৈছে । যিটো বিনয় বসুমতাৰী ডাঙৰীয়াইও কৈছে যে গুৱাহাটী বিশ্ব-বিদ্যালয়ত জনজাতি ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত আৰু আমাৰ মন্ত্ৰী ৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ডাঙৰীয়াৰ ল'ৰাৰ ওপৰত যি অত্যাচাৰ কৰিছিল সেই সম্পৰ্কে । এই বিলাক কৰিছে অসমীয়াৰ নামত সমাজ বিৰোধী দল কিছুমানে । এই সমাজ বিৰোধী দল বিলাক আজি নিস্ক্ৰীয় হৈ গৈছে । ৰাইজে আজি তেওঁলোকৰ চক্ৰান্ত বুজি পাইছে । আমি কৈছোৱেই

১৯৮০ চনত যেতিয়া স্কুল কলেজ বন্ধ হৈ গৈছিল তেতিয়া কোনে চাফাৰ কৰিছিল, শিক্ষাৰ পৰিবেশ নষ্ট হলে আজিও সেই গাওঁৰ দুখীয়া পিচ-পৰা ৰাইজৰ ল'ৰা ছোৱালীয়েহে চাফাৰ কৰিব লাগিব। ডাঙৰ ডাঙৰ নেতা যি সকলে আন্দোলন কৰাইছে তেওঁলোকৰ ল'ৰা ছোৱালীয়ে চাফাৰ নকৰে। এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্দোলনৰ আগশাৰীৰ নেতা শ্ৰীদেৱ প্ৰসাদ বৰুৱা, তেওঁ আন্দোলনৰ মুৰব্বী। অসমত যেতিয়া চলিছিল তেওঁ আন্দোলনৰ উদগনি দিছিল কিন্তু তেওঁৰ একমাত্ৰ জীয়ৰী অসমত নপঢ়ে তেওঁৰ ছোৱালী বোম্বেত পঢ়ে। গতিকে শিক্ষাৰ পৰিবেশ বিনষ্ট হলে হানি তেওঁলোকৰ নহয়, হানি হব আমাৰ দুখীয়া মানুহৰ ল'ৰা ছোৱালীৰ। নেতা সকলৰ ল'ৰা ছোৱালী বোম্বেত পঢ়িব ডাঙৰ ডাঙৰ চাকৰী লব কিন্তু দুখীয়া মানুহে যাৰ ল'ৰা ছোৱালী পিয়ন চকিদাৰ হব লোকচান হব তেওঁলোকৰ। মই অলপতে দেৰগাওঁলৈ গৈছিলো আৰু তেতিয়া আন্দোলনৰ নেতৃবৃন্দই দেৰগাওঁ বন্ধৰ আহ্বান দিছিল। কিন্তু বন্ধক নেওচি যি ১৫ হাজাৰ গোট খাইছিল তেওঁলোকক মই তেতিয়া কৈছিলো যে আপোনালোকে আন্দোলন কৰিছে দেৱ প্ৰসাদ বৰুৱাৰ উচটনিত, তেওঁৰ ঘৰ আপোনা-লোকৰ ঘৰৰ ওচৰতে গোলাঘাটত, তেখেতক সোধকচোন তেওঁৰ ছোৱালীয়ে কিয় বোম্বেত পঢ়ে? এই বিলাক লোকেই আজি নিৰীহ লোকৰ মন বিলাক ছেদেলি ভেদেলি কৰিছে।

আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ল ৰিডাৰৰ নিযুক্তি সম্পৰ্কে এটা ডাঙৰ অভিযোগ আনিছে। আচলতে এইটো এটা দুৰ্ভাগ্যজনক কথা। যিজন কুমুদ শৰ্ম্মাই দিল্লী মহা নগৰীলৈ গৈ ছাত্ৰ সন্থাৰ ইন্টাপ্ৰেটৰ হৈ ডাঙৰ ডাঙৰ কথা কয় তেওঁ কেনেকৈ ভুৱা চাৰ্টিফিকেটত নিযুক্তি পালে? তেওঁলোকে মিটিং পাতি ৰাজহুৱাভাবে বিধায়কক অবৈধ দূৰ্নীতিপৰায়ন বুলি কয় তেওঁ আকৌ মিছা কথা কয় টুৱেনটিফিফ্‌ট পজিচনত থাকি ফিফটিন বুলি কয় আৰু এতিয়া কয় টাইপ মিষ্টেক, এল এল এমত হাই পাৰ্চেণ্টেজ বুলি কয়, ৫৪.৮৪ প'ইছে। উপাধ্যক্ষ মহোদয়, আমিও এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা ল ডিগ্ৰী

লৈছো। ল ডিগ্ৰীত ৫৪ শতকৰাক হাই পাৰ্চেণ্টেজ বুলি কয় জানো ? এই বিলাক কি দূৰ্নীতি নহয় ? এই ক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। ইতিমধ্যে গোটেই অভিযোগ অহাত সকলো কথা পৰীক্ষা নিৰীক্ষা কৰি আমি চেঞ্চলৰক দাঙি ধৰিম আৰু আমি চেঞ্চলৰৰ লগত যোগাযোগ কৰি ব্যৱস্থা গ্ৰহণ কৰাৰ চেষ্টা কৰিম। সঁচাকৈ এইটো বৰ দূৰ্ভাগ্যজনক। এওঁলোকে আকৌ কয় যে এম এল এ সকলে প্ৰাইমেৰী স্কুলৰ শিক্ষকৰ চাকৰী দি ১০ হাজাৰ ২০ হাজাৰ টকা লয়, এওঁলোক দূৰ্নীতি পৰায়ন। কিন্তু সেইজন ব্যক্তিয়ে আকৌ ভূৱা চাৰ্টিফিকেট দি নিয়োগ লৈছে, দৰ্খাষ্টত অৰিজিনেল চাৰ্টিফিকেট দিয়া নাই এটেষ্টেড কপি দিছে, চিলেকচনৰ সময়ত ৰেজিষ্টাৰে দেখা বুলি কয় কিন্তু অৰিজিনেল দিয়া নাই, গতিকে সন্দেহৰ স্থল নিশ্চয় আছে। আকৌ এই ব্যক্তিয়ে দিল্লী মহানগৰীত আন্দোলনক প্ৰতিনিধিত্ব কৰে এমএলএ সকলক দূৰ্নীতি পৰায়ন বুলি কয়। উপাধ্যক্ষ মহোদয়, যি সকল লোক দূৰ্নীতি পৰায়ন তেওঁলোকেহে দূৰ্নীতি বুজে।

উপাধ্যক্ষ মহোদয়, হেমেন দাস ডাঙৰীয়াই এটা ডাঙৰ কথা কৈছে যে চৰকাৰে বিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে। এই ক্ষেত্ৰত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে বিজ্ঞান শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ। বিজ্ঞান শিক্ষাৰ কাৰণে ৭ম পঞ্চম বাৰ্ষিক পৰিকল্পনাত আমি শকত ধনৰ প্ৰস্তাৱ আগবঢ়াইছো। কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পালে আমি কাৰ্য্যকৰী ব্যৱস্থা ল'ব পাৰিম।

আমাৰ নতুন প্ৰধান মন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে দেশবাসীৰ কাৰণে যি বক্তৃতা দিছিল তাত প্ৰথমেই শিক্ষাৰ ওপৰতে গুৰুত্ব আৰোপ কৰিছিল। বিশেষকৈ বৃত্তিমূলক শিক্ষাৰ ওপৰত তেখেতে বিশেষ গুৰুত্ব আৰোপ কৰিছে। আমাৰ এটা ডাঙৰ সমস্যা হৈছে নিবনুৱা সমস্যা।

মাননীয় উপাধ্যক্ষ মহোদয় আপুনিও নিশ্চয় জানে যে শ শ, হাজাৰ হাজাৰ মানুহ মোৰ ওচৰলৈ প্ৰতি দিনে আহে কেৱল এটা কথাৰ কাৰণে

আৰু সেইটো হৈছে শিক্ষকৰ চাকৰি বিচৰাৰ কাৰণে। মাননীয় সদস্য শ্ৰীমহম্মদ হুছেইন ডাঙৰীয়াই কৈছে। এইটো কথা ঠিক যে কৰবাত কৰবাত মই লিখি দিছো। অভাৱত মানুহৰ এই অৱস্থা হৈছে। কৰবাত কৰবাত লিখি দিওঁতে বিশেষকৈ এল, পি, স্কুলৰ চাকৰিত মোৰ লিখা খিনিৰ ওপৰত হয়তো ডি আই সকলে মূল্য দিছে। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, কেইটামান এল, পি, স্কুলৰ শিক্ষকৰ পদ পূৰণ কৰিয়েই বা কেইজনমান কনিষ্টবলক নিয়োগ কৰোতেই যদি আমাৰ নিবনুৱা সমস্যা সমাধান হ'ল-হেতেন তেতিয়াহলে, বেলেগ কথা আছিল। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা নিবনুৱা সমস্যা কেতিয়াও সমাধান কৰিব নোৱাৰি। আমি নিবনুৱা সকলক দায়িত্বপূৰ্ণতাৰে সংস্থাপনৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ কাৰণে সম্পূৰ্ণ দায়িত্ব আমাৰ শিক্ষা বিভাগৰে আছে। সেই কাৰণেই বৃত্তিমূলক শিক্ষাৰ ওপৰত আমি দায়িত্ব অৰ্পণ কৰিবলৈ আৰু গুৰুত্ব দিব খুজিছো। 'কাউন্সিল অব্ হায়াৰ চেকেণ্ডেৰী'ৰ যোগেদি 'প্লাছ টু ষ্টেজ'ত আমি গুৰুত্ব দিব খুজিছো। ইয়াৰ দ্বাৰা আমাৰ কিছুমান ল'ৰাক এনে শিক্ষা দি সমাজৰ উন্নয়ণত তেওঁলোকক নিয়োগ কৰিবলৈ ব্যৱস্থা কৰিছো। এই বছৰো আমি নিশ্চয় এই বৃত্তিমূলক শিক্ষাৰ ওপৰতে গুৰুত্ব দিম।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম চৰকাৰৰ গ্ৰাম্য উন্নয়ণ বিভাগৰ জৰিয়তে আই, আৰ, ডি, পি বিভাগৰ দ্বাৰা কিছুমান যুৱকক আত্ম সংস্থানৰ ব্যৱস্থা দিব খুজিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনিও জানে যে যেতিয়া 'উদ্যোগ প্ৰদৰ্শনী' হৈছিল তেতিয়া গ্ৰাম্য উন্নয়ণ বিভাগৰ পৰা বকোৰ দুজন কায়স্থ সম্প্ৰদায়ৰ ল'ৰাই অনুদান পাইছিল। সেই অনুদানেৰে তেওঁলোকে জোতা চিলাই কৰা উদ্যোগ গঢ়ি তুলিছিল। আমি তেতিয়া তেওঁলোকক সুধিছিলো যে, তেওঁলোকে প্ৰথমে এই ব্যৱসায় আৰম্ভ কৰোতে সমাজৰ ফালৰ পৰা কিবা অসুবিধাৰ সন্মুখীন হৈছিল নেকি ? তেতিয়া তেওঁ বিলাকে ক'লে যে, প্ৰথম অৱস্থাত এই ব্যৱসায় আৰম্ভ কৰোতে মানুহ সমালোচনা মুখৰ আছিল আৰু ঘৃণা অৱজ্ঞাৰ চকুৰে চাইছিল। কিন্তু পিছত সেইটো নোহোৱা হ'ল যেতিয়া তেওঁলোকে ইয়াৰ

দ্বাৰা ভাল ব্যৱসায় কৰি বেছ পুঁজি উপাৰ্জন কৰিবলৈ সমৰ্থ হ'ল। সেইদৰে মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সমষ্টি নাজিৰাৰ দুজন ল'ৰা এজন বামুণৰ আৰু আনজন কায়স্থ মানুহৰ ল'ৰাই এই গ্ৰাম্য উন্নয়ন বিভাগৰ পৰা আঁচনিত সাহাৰ্য্য পাইছিল। সেই সাহাৰ্য্যৰে তেওঁলোকে 'পিগাৰি' খুলিলে। এই ব্যৱসায়ৰ দ্বাৰা তেওঁলোকে বেংকৰ ঋণ পৰিশোধ কৰিবলৈ সমৰ্থ হৈছে। তেওঁলোকক দেখি আৰু তিনিজন ল'ৰা এই ব্যৱসায়ৰ কাৰণে আগুৱাই আহিছে। গতিকে আমি এইদৰে আমাৰ যুৱক সকলক গঢ়ি তুলিব লাগিব। শিক্ষাৰ ক্ষেত্ৰত আমি আমাৰ কৌটিকলীয়া দৃষ্টি ভঙ্গী সলনি কৰিবৰ হ'ল। আমি আমাৰ শিক্ষা ব্যৱস্থাক গ্ৰাম্যমূখী কৰি তুলিব লাগিব। বৃত্তিমূলক শিক্ষাৰ কাৰণে আমি নিশ্চয় চেষ্টা কৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই পৰীক্ষাৰ ফলাফল সম্পৰ্কে এটা বৰ ডাঙৰ কথা কৈছে। মেট্ৰিক এইচ, এচ, এল, চিত শতকৰা ২৮ জনে পাছ কৰিছে। এইটো অপচয় হৈছে। শিক্ষাৰ মানদণ্ডত কৰবাত কেৰোণ আছে। মই জিলালৈ গলে হেড্‌মাষ্টৰ সকলক এই সম্বন্ধে উনুকিয়াই দিওঁ। এইদৰে যদি আমাৰ শিক্ষাৰ মানদণ্ড অধোমুখী হয় তেতিয়াহলে আমাৰ কাৰণে, সমাজৰ কাৰণে এটা বৰ ডাঙৰ বোজা হৈ পৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, এশজন ছাত্ৰ-ছাত্ৰীক নাম ভৰ্ত্তি কৰিলে তাৰে ৬১ জনে চতুৰ্থ শ্ৰেণী পায়গৈ আৰু ১৪ জন দশম মান শ্ৰেণী পাবলৈ সমৰ্থ হয়। মাননীয় উপাধ্যক্ষ মহোদয়, এই এশজন ল'ৰাৰ কাৰণে আমি যিমান খৰছ কৰিছো তাৰ হিচাবটো মই এইধৰণেৰে দিছো,—এজন প্ৰাইমেৰী স্কুলৰ ছাত্ৰক পঢ়াবৰ কাৰণে লাগে ১৩৩ টকাকৈ, প্ৰত্যেক জন হাইস্কুলৰ ছাত্ৰৰ কাৰণে খৰছ পৰে ২৫০ টকাকৈ, একোজন কলেজৰ ছাত্ৰক পঢ়াবৰ কাৰণে খৰছ কৰিবলগীয়া হয় ৬৮৯ টকাকৈ। শিক্ষাৰ ক্ষেত্ৰত আমি তৃতীয় স্থান লাভ কৰিছো। উত্তৰ প্ৰদেশত শিক্ষাৰ ক্ষেত্ৰত খৰছ কৰে শতকৰা ২২ ভাগ, কৰ্ণাটকত খৰচ কৰে শতকৰা ২২ ভাগ,

ৰাজস্থানত শতকৰা ২০ ভাগ আৰু পশ্চিমবঙ্গত শতকৰা খৰছ পৰে শতকৰা ২৫ ভাগ। গতিকে উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত ইমান খৰছ কৰা হয়। এতিয়া প্ৰশ্ন হৈছে এনেকুৱা এটা অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই অপচয় কিয় হ'ল ? ইয়াৰ কাৰণে আমি শিক্ষা নীতিকে দোষাৰোপ কৰিব লাগিব। শিক্ষাৰ ক্ষেত্ৰত হোৱা এই অপচয় আমি বন্ধ কৰিব লাগিব। এইটোৱেই আজি আমাৰ সন্মুখত দেখা দিয়া ডাঙৰ সমস্যা।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই চিলাপথাৰ কলেজৰ কথাটো কৈছে। যোৱাকালিও কথাটো দৃষ্টিগোচৰ হৈছে। ডি, পি, আইয়ে এই বিষয়ে অনুসন্ধান কৰি আহিছে। মইও এই ক্ষেত্ৰত চাম। নবীন চন্দ্ৰ কলেজৰ কথাটো কি অৱস্থাত আছে মই পুনৰ চাব লাগিব। তেখেতে মাদ্ৰাছাৰ কথাটো কৈছে সেইটো চাবলাগিব। হাই মাদ্ৰাছা আৰু এম, ই. মাদ্ৰাছা একেই কথা। চিনিয়ৰ মাদ্ৰাছাৰ কথা খিনিও একেই কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে। এই কথা বিলাকৰ লগত ধৰ্মীয় কথাও জড়িত আছে। গোটেই কথা-বিলাক পুংখানুপুংখভাৱে পৰীক্ষা কৰি চাইহে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

ইয়াৰ পিছত আমাৰ মাননীয় সদস্য শ্ৰীমথুৰা ডেকাই বৰ ভাল পৰামৰ্শই দিছে। আজি যোৱা দুবছৰৰ পৰাই আমি তেখেতৰ ভাষণ শুনি-আছো। প্ৰত্যেকটো কথা তেখেতে মোক খোচ্ মাৰিয়েই কয়। তেখেতৰ পৰামৰ্শ সচাঁকৈয়ে মোৰ বৰ ভাল লাগিছে। তেখেতে কেইটামান কথা বৰ গুৰুত্বপূৰ্ণ কথাই কৈছে। আজি কিন্তু তেখেতে মোক খোচ মৰা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, যিদিনা আপোনালোক উপস্থিত আছিল, প্ৰকাশন পৰিষদৰ ২৫ বছৰীয়া জুবিলী উদ্‌যাপনৰ সন্দৰ্ভত এখন তথ্য চিত্ৰ প্ৰকাশ কৰা হৈছিল। তাত পাৰ্য্যমানে সকলো বিলাক কথাই সন্নিবিষ্ট কৰিয়েই সেই তথ্য চিত্ৰ খন প্ৰস্তুত কৰা হৈছে। তেখেতে দুটামান বৰ সজ পৰামৰ্শ দিছে। ইতিমধ্যে কাম বহুখিনি আগুৱাই গ'ল। গতিকে এই বিষয়ে বিভাগৰ লগত আলোচনা কৰি শিলালিপি জড়িত কৰিব পৰা যায়নে নেযায় সেইটো চাবলাগিব। চিলাৰায়ৰ

মূৰ্ত্তিটো চৰকাৰৰ দ্বাৰা কৰা নাই, ব্যক্তিগত প্ৰডিউচাৰৰ দ্বাৰা কৰোৱা হৈছে। সিদিনা আমি দেখিছিলো। কালাপাহাৰৰ কথাখিনি চাম। পাবলিচিটি বৰ্ডত ১৩ লাখ ৪০ হেজাৰ টকা ধাৰ্য্য কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কে তেখেতে এটা কালাপাহাৰ সম্পৰ্কে অভিযোগ আনিছে। সেইটো আমি নিশ্চয় চাম। আৰু তৃতীয় এটা কথা কৈছে প্ৰকাশন পৰিষদত টকা ধাৰ্য্য কাৰ হৈছে। এইটো তেৰ লাখ চল্লিশ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে বিশেষ প্ৰদৰ্শনীৰ কাৰণে দহ লাখ টকা দিয়া হৈছে। আজি মাননীয় সদস্য মথুৰা ডেকা ডাঙৰীয়াই কৈছে যে পঢ়ুৱৈ সমাজ তৈয়াৰ কৰাৰ কাৰণে এইটো ভাল হৈছে। এটা বাতাবৰণৰ সৃষ্টি হৈছে। এনে ধৰণৰ প্ৰদৰ্শনী প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে পাতিবলৈ আশা কৰিছো। ইয়াৰোপৰি গুৱাহাটী চহৰতে আবদ্ধ নাথাকি অসমৰ বিভিন্ন প্ৰান্তৰত এই প্ৰদৰ্শনী পাতিবলৈ আশা কৰা হৈছে। তেতিয়া-হ'লে অসমীয়া লিখক সাহিত্যিক সকলৰ যি বৰ্ত্তমান দুখ লগা অৱস্থা সেইটো দূৰীকৰণতো সহায়ক হব। আজি আমাৰ অসমীয়া লিখক আৰু সাহিত্যিকক লৈয়েই অসমীয়া ভাষাৰ ভৱিষ্যত। যদি লিখক সকলে কিতাপ নিলিখে বা তেখেতসকলৰ কিতাপ যদি মাননীয় সদস্য ডেকা ডাঙৰীয়াই কোৱাৰ দৰে কোনো ব্যক্তিগত ব্যৱসায়ীৰ হাতত মূল্যায়ণ কৰা হয় তেতিয়াহলে অসমীয়া ভাষা গা কৰি উঠিব নোৱাৰিব। এইটো সঁচাকৈয়ে অতি দুখৰ কথা। আশা ৰাখিছো যে ব্যক্তিগত ব্যৱসায়ী সকলো ইয়াৰ কাৰণে লিখক সকলৰ কিতাপ প্ৰকাশনৰ কাৰণে আগবাঢ়ি আহিব। অসমীয়া ভাষা তেহে বৰ্ত্তিব। অসমত তেতিয়া এক পঢ়ুৱৈ সমাজৰ সৃষ্টি হৈ লিখক আৰু সাহিত্যিক সকলক উৎসাহ যোগাব। এইটো ঠিক যে বহুত দুখীয়া লিখকে কিতাপ প্ৰকাশ কৰিব পৰা নাই। আমাৰ প্ৰকাশন পৰিষদৰ উদ্দেশ্য হৈছে তেনে দুখীয়া লিখকৰ কিতাপ প্ৰকাশ কৰি উৎসাহ যোগোৱা প্ৰকাশন পৰিষদৰ দায়িত্বই হৈছে বহুমূলীয়া কিতাপ বিলাক প্ৰকাশ কৰা আৰু ৰাইজৰ আগত দাঙি ধৰা। আমাৰ ৰাজ্যত প্ৰকাশন ব্যৱস্থাটো ব্যক্তিগত কিতাপ ব্যৱসায়ীৰ ওপৰতে নিৰ্ভৰ

কৰিবলগীয়া হোৱাটো অতি দুখৰ কথা। কিয়নো বহুত তেনে ব্যক্তিগত ব্যৱসায়ীয়ে কিতাপৰ ওপৰত মূল্য নিদিয়ে। টেক্স বুকৰ লগতে বিতৰণ আৰু বিক্ৰিৰ ব্যৱস্থা কৰাৰ পৰামৰ্শ অতি আদৰণীয় কিন্তু এতিয়াই এই বিষয়ে একো কব পৰা নাযাব সেইটো আমি পৰীক্ষা কৰি চাম। অসমীয়া ভাষাৰ কিতাপ অন্য ভাষালৈ অনুদিত কৰা কাম কৰা হৈছে। তেখেতে আগবঢ়োৱা পৰামৰ্শৰ দৰে ইতিমধ্যে ইংৰাজী, হিন্দী, মাৰাঠী আদি ভাষালৈ অসমীয়া কিতাপ অনুদিত কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, ইতিমধ্যে প্ৰকাশন পৰিষদৰ তৰফৰ পৰা বহুতো অসমীয়া কিতাপ অনুবাদ কৰি প্ৰকাশ কৰা হৈছে। বহুমূলীয়া কিতাপ হস্তীবিদ্যাৰ্ণৱ অসমীয়া ভাষাৰ দ্বাৰা ইংৰাজী আদি ভাষালৈ অনুদিত কৰা হৈছে আৰু গোটেই ভাৰততে সমাদৰ লাভ কৰিছে। প্ৰকাশন পৰিষদৰ তৰফৰ পৰা যি চেমিনাৰ পতা হৈছিল সেই চেমিনাৰত উপস্থিত থকা বিশিষ্ট সাংবাদিক বৈশ্বায়ন পায়ন ঘোষাল, তেখেত অনুবাদ কাকতৰ সম্পাদক, তেখেতেও এই বিষয়ে পৰামৰ্শ দিছে। ইয়াৰ দ্বাৰা অসমীয়া ভাষাৰ কিতাপ আন ভাষালৈ অনুদিত কৰাৰ কাৰণে যথেষ্ট উপকৃত হৈছে পঢ়ুৱৈ সমাজ। ডঃ সূৰ্য্যকুমাৰ ভূঞা, আনন্দৰাম বৰুৱা, ডঃ মহেশ্বৰ নেওগৰ বহুত কিতাপ ইংৰাজীলৈ অনুদিত কৰা হৈছে। কিন্তু এইটো ঠিক যে সকলো বিলাক কাম প্ৰকাশন পৰিষদৰ তৰফৰ পৰা সম্ভৱপৰ নহয় সেই কাৰণে ব্যক্তিগত কিতাপ ব্যৱসায়ী সকলো আগবঢ়ি আহিব লাগিব।

উপাধ্যক্ষ মহোদয়, তেখেতে অসম সাহিত্য সভালৈ যোৱা কেইবছৰ ধৰি টকা দিয়া নাই বুলি কৈছে। আমাৰ মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব খোজো যে চৰকাৰী গ্ৰাণ্ট ইন এইড পোৱাৰ কাৰণে কিছুমান নিয়ম নীতি আছে। সেই নীতি নিয়ম যি যি অনুষ্ঠানে নামানে সেই সকলক টকা দিয়া নহয়। অতি দূৰ্ভাগ্যৰ কথা যে অসম সাহিত্য সভাই গণ সংগ্ৰামৰ অংশীদাৰ হিচাবে কাম কৰা আদি বহুতো কথাৰ কাৰণে টকা দিয়াত অসুবিধা হৈছে। যোৱা বঙ্গাইগাওঁ সহিত্য অধিবেশনৰ কাৰণে স্কুল ঘৰ এটা লাগে বুলি এখন দৰ্খাস্ত ডি-আইৰ ওচৰত দিয়া

হৈছিল। সেই দৰ্খাস্তৰ এটা ফৰৱৱাৰ্ড নকৰা কপি মোৰ টেবুলত আনি কোনোবাই থৈছিল। ডি-আইলৈ লিখা কাগজ আহি মন্ত্ৰীৰ টেবুল পোৱাইছে। এইটো মাছ বুলি নাখায় জিজি বুলি খায় এই কথা আমি মানি লবলৈ টান পাইছো। নীতি নিয়ম মানি চলা উচিত। সেই কাৰণেই আমি অসম চৰকাৰে অসম সাহিত্য সভাক ধন দিব পৰা নাই। তেখেতে যিটো নতুন সাহিত্য পৰিষদ আৰু প্ৰকাশনৰ কাৰণে পৰামৰ্শ আগবঢ়াইছ সেইটো যদি আমালৈ দৰ্খাস্ত আদি কৰি আমাৰ মাচ লিটাৰেচি কেম্পেইনত শিক্ষকসকলক নিয়োগ কৰিব লাগে বুলি আগবঢ়োৱা পৰামৰ্শ আদৰণীয়। ৭ আগষ্টৰ পৰা সপ্তাহ জোৰা প্ৰগ্ৰাম পালন কৰা হৈছিল। অসমৰ বিভিন্ন ঠাইলৈ যাওঁতে মই কৈছিলো যে শিক্ষকসকলে এই ক্ষেত্ৰত বৰঙণি যোগাব লাগে। মই শিক্ষকসকলক আহ্বান জনাইছিলো যে শিক্ষকসকলে অকল শিক্ষা দান কৰাই নহয় সেই সেই অঞ্চলৰ সমাজৰ বন্ধু দাৰ্শনিক আৰু পথ-প্ৰদৰ্শক (ফেইণ্ড, ফিল'চফাৰ এণ্ড গাইড) হিচাবে পিচপৰি থকা মানুহখিনিক আগুৱাই আনিব লাগিব। অঞ্চলৰ লোকসকলে নিজৰ ঠাইত থকা শিক্ষক সকলক নেতা হিচাবে মানি চলে। সেই কাৰণেই মই তেখেত সকলক আহ্বান জনাইছিলো যে আটাইতকৈ ডাঙৰ কথা হৈছে নিৰক্ষৰতা দূৰীকৰণ। এই ব্যৱস্থাত শিক্ষকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ বিৰাট গণতান্ত্ৰিক দেশখনত আজিও বেছি সংখ্যক লোক নিৰক্ষৰ হৈ থাকিব লগীয়া হোৱাতো প্ৰয়াত প্ৰধান মন্ত্ৰীয়ে অনুধাৱন কৰিছিল কাৰণেই তেখেতৰ ঘোষিত কুৰি দফীয়া আঁচনিৰ যোল্ল দফাৰ অধীনত এই কথা সাঙুৰি লৈছিল আৰু দেশৰ অগণন নিৰক্ষৰ লোকক আগবঢ়াই অনাৰ কাৰণে ক্ষীপ্ৰতৰ কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দ্দেশ দিছিল। ১৯৯০ চনৰ ভিতৰত নিৰক্ষৰতা দূৰীকৰণৰ লক্ষ্যত উপনীত হোৱাৰ কাৰণে লক্ষ্য স্থিৰ কৰা হৈছিল। এইটো এটা সাংবিধানিক দায়িত্ব। ডিৰেকটিভ প্ৰিন্সিপ'লত আছে। সংবিধান ৰচনা কৰাৰ সেই সময়ৰ পৰা দহ বছৰৰ ভিতৰাতে দেশৰ পৰা নিৰক্ষৰতা দূৰীকৰণ কৰিব লাগিল; কিন্তু পৰা নাই কাৰণেই ১৯৯০ চনলৈ লক্ষ্য কৰা হৈছে। এইটো কৰিব লাগিব। এই ক্ষেত্ৰত আমাৰ সমাজৰ সকলো শ্ৰেণীৰ

লোকৰ সহায় সহযোগ নিতান্ত আৱশ্যক। সেইটো আমি বিচাৰিম। সৰ্ব্বভাৰতীয় ক্ষেত্ৰত আমি অসমত বহুত পিচপৰি আছো। সৰ্ব্বভাৰতীয় শিক্ষিতৰ হাৰ শতকৰা ৩৮ আৰু আমাৰ অসমত শতকৰা শিক্ষিতৰ হাৰ মাত্ৰ ২৮ জন। ইয়াৰ পৰা দেখা যায় যে বৃহৎ সংখ্যক লোক নিৰক্ষৰ হৈ আছে। শ্ৰীমতী মৃদুলা চহৰীয়া ডাঙৰীয়ানীয়ে স্ত্ৰী-শিক্ষাৰ কথা কৈছে। এইটো আমিও অনুভৱ কৰিছো। এইটো চৰকাৰে সিদ্ধান্ত কৰিছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও ঘোষণা কৰিছিল যে সপ্তম পাচ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত অন্ততঃ বি-এ মহলালৈকে ছোৱালী সকলক বিনামূলীয়া শিক্ষাদান কৰাৰ ব্যৱস্থা কৰা হৈছে। স্ত্ৰী-শিক্ষাৰ ওপৰত নিশ্চয় গুৰুত্ব আৰোপ কৰা হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য মথুৰা ডেকা ডাঙৰীয়াইও পৰামৰ্শ আগবঢ়াইছে। এইটো সজ পৰামৰ্শ. এই ক্ষেত্ৰত শিক্ষক সমাজক অনুৰোধ কৰিছো যেন তেখেত সকল আগবাঢ়ি আহি সহায় কৰে।

উপাধ্যক্ষ মহোদয়, তেখেতে পঢ়ুৱৈৰ পৰিবেশ তৈয়াৰ কৰাৰ কথা কৈছে। আমি ইতিমধ্যে এচ-ই-বি-এ লৈ জনাইছো যে প্ৰতি সপ্তাহৰ এটা পিৰিয়ড অন্ততঃ প্ৰতিজন ল'ৰাই লাইব্ৰেৰিত গৈ কিতাপ পঢ়িব লাগিব এইটোৰ দ্বাৰা এটা পঢ়াৰ পৰিবেশ গঢ়ি উঠিব বুলিয়েই তেনে নিৰ্দ্দেশ দিয়া হৈছে। ইয়াৰোপৰি গ্ৰাম্য অঞ্চলত পুথিভঁড়াল স্থাপন কৰিবলৈ বিচৰা হৈছে। সপ্তম পাচ বছৰীয়া পৰিকল্পনাত পঞ্চাশটা তেনে গ্ৰাম্য পুথিভঁড়াল স্থাপন কৰা হব।

আজি আমাৰ মাননীয় সদস্য শ্ৰীমথুৰা ডেকা ডাঙৰীয়াই টি, ভি ৰ কথা কৈছে। এইটো ঠিক যে টি, ভি ত এটা শিক্ষামূলক দিশ আছে। ইয়াত কুইজ কম্পিটিচন বুলি এটা প্ৰগ্ৰেম দিয়ে, এইটো সৰু সৰু ল'ৰা-ছোৱালী বিলাকৰ কাৰণে ভাল, এইটো চাব লাগে। অৱশ্যে অভিভাৱকে যদি চিনেমা দেখুৱাই থাকে যেতিয়াহলে বন্ধ কৰি দিয়াই ভাল। মই ভাবো টি, ভি আমাৰ এটা শিক্ষাৰ বাহন হিচাবে গ্ৰহণ কৰিব লাগিব। আমি অডিয়'ভিচুৱেল শিক্ষাৰ ওপৰত গুৰুত্ব দিব বিচাৰিছো। তেখেতে শিক্ষাৰ মানদণ্ডৰ ওপৰত আৰু এটা ভাল পৰামৰ্শ দিছে। তেখেতে কৈছে ৩

বছৰে এখন স্কুলে বেয়া ৰিজাল্ট কৰিলে তেওঁলোকৰ মঞ্জুৰী বন্ধ কৰি দিব লাগিব। তেখেতৰ পৰামৰ্শতো মই নিশ্চয় পৰীক্ষা কৰি চাম। তাৰ পাচত তজমুল আলী লস্কৰ ডাঙৰীয়াই এম, ভি স্কুলৰ কথা কৈছে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াইও এম, ভি স্কুল, এম, ই স্কুল কৰাৰ কথা কৈছে। আমি এম, ভি স্কুল, এম, ই স্কুল নকৰি মিডিল স্কুল কৰিব বিচাৰিছো। তাৰ পাচত তজমুল আলী লস্কৰ ডাঙৰীয়াই মাদ্ৰাছা স্কুল বিলাক জাতীয়কৰণ কৰাৰ কথা কৈছে। সেইটো আমি বিবেচনা কৰি চাম। তেখেতে আই, টি, আইৰ কথা কৈছে। আই, টি, আই তো কেৱল মোৰ বিভাগত নপৰে। ইয়াত শ্ৰমমন্ত্ৰীও আছে। লেবাৰৰ কাটমোচনত এইটো গ্ৰহণ কৰিলে ভাল হয়। পলিটেকনিকৰ ক্ষেত্ৰত আমাৰ চৰকাৰে প্ৰত্যেক জিলাতে একোখনকৈ পলিটেক্‌নিক স্কুল খোলাৰ কথা বিবেচনা কৰিছে। এই পলিটেক্‌নিক ওপৰত আমি গুৰুত্ব আৰোপ কৰিছো। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে এখনো পলিটেক্‌নিক স্কুল নাই। এই বছৰতেই বঙাইগাওঁতো আৰম্ভ কৰিবলৈ বিচাৰিছো। অহা বছৰ আৰু দুখনমান কৰাৰ কথা চিন্তা কৰি আছো। সপ্তম পৰিকল্পনাৰ কাল-ছোৱাত পলিটেক্‌নিকৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰিছো। মই এই-খিনিতে এটা কথা কব খুজিছো যে শিলচৰ পলিটেক্‌নিকত এটা এলে-কট্ৰনিকৰ ডিপ্লোমা খুলিব বিচাৰিছো। যোৰহাট প্ৰিঞ্চ অৱ ৱেলচ্‌ত অটমোবাইল ডিপ্লোমা এই বছৰতেই খুলিবলৈ চেষ্টা কৰিছো। অসম ইঞ্জিনীয়াৰিং ইনষ্টিটিউতত কম্পিউটাৰ ডিপ্লোমা খোলাৰ চেষ্টা কৰিছো। আজিৰ যুগটোৱেই হৈছে কম্পিউটাৰৰ যুগ। গতিকে আমি তাত গুৰুত্ব আৰোপ কৰিছো। শিলচৰত ৬০ খন আসন বঢ়াই দিয়া হৈছে। ডিব্ৰুগড়তো ৬০ আসন বঢ়াই দিয়া হৈছে। অসমৰ আটাই কেইখন জিলাত যাতে এই আই, টি, আই শাখা প্ৰতিষ্ঠা কৰিব পাৰো তাৰ কাৰণে চিন্তা কৰি আছো। আমিৰ হামচা তালুকদাৰ ডাঙৰীয়াই স্কুলৰ বিল্ডিং গ্ৰেণ্টৰ কথা কৈছে। অৱশ্যে কথাটো তেখেতে ঠিকেই কৈছে। ল'ৰা ছোৱালী বিলাক স্কুললৈ অহাৰ পাচত নিশ্চয় পঢ়িবৰ বাবে এটা পৰিবেশৰ দৰকাৰ। উপাধ্যক্ষ মহোদয়, আপুনি জানে আমাৰ শিক্ষাবিভাগৰ বাজেটৰ

ওপৰত দুশ দহ কৌটি টকা বুলি শুনিলে সকলোৱে জিভা উলিয়াই দিয়ে অৰ্থাৎ আচৰিত হয়। এইটো কথা ঠিক শিক্ষকক দৰমহা দিওতে বাজেটৰ টকা বেছি যায়। উপাধ্যক্ষ মহোদয়, প্ৰাক প্ৰাথমিক স্কুলৰ পৰা আৰম্ভ কৰি আমাৰ বিশ্ববিদ্যালয় পৰ্য্যন্ত ১ লাখ ১৫ হাজাৰ শিক্ষকেই আছে। আমাৰ এটা সৌভাগ্যৰ কথা এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পিৰ পৰা ভালেখিনি ধন স্কুলঘৰৰ কাৰণে খৰচ কৰিব পৰা হৈছে। অহা পৰিকল্পনাত একোটা স্কুলত ৬৬ লাখ টকা খৰচ কৰিবলৈ ব্যৱস্থা কৰা হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰু চৰকাৰেও বেচি সংখ্যক স্কুল ঘৰ যাতে পৰা যায় তাৰ কাৰণে চিন্তা কৰিছে। সৌভাগ্যৰ কথা যে বিল্ডিং গ্ৰাণ্টৰ কাৰণে ২৪ কৌটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হৈছে আৰু ৫ বছৰৰ ভিতৰত সেইটো খৰচ কৰিব লাগিব। গতিকে আশা ৰাখিছো এই ঘৰসমূহ কিছু হলেও কৰিবলৈ চেষ্টা কৰিব পৰা হব। মাননীয় সদস্য শ্ৰীমতী মৃদুলা চহৰীয়াই এটা কথা কৈছে যে প্ৰাক-প্ৰাথমিক স্কুল বিলাকৰ কথা চিন্তা কৰিব লাগে। এইটো ঠিক যে ছয় বছৰ বয়সত প্ৰথম মান শ্ৰেণী পায় কিন্তু তাৰ তলত নাম ভৰ্ত্তি কৰিব নোৱাৰে। সেই কাৰণে আজি প্ৰাক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। সপ্তম পৰিকল্পনাত দহ হাজাৰ এল-পি স্কুলত প্ৰাক প্ৰাথমিক শাখা খোলাৰ কথা চিন্তা কৰা হৈছে। মুঠতে আমাৰ ২৫ হাজাৰ ৮২০ খন প্ৰাথমিক স্কুল আছে। ১৫ হাজাৰ ইউনিচেফৰ যোগেদি কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে কৰিবলৈ চেষ্টা কৰা হৈছে। স্কুলমাতৃৰ কথা যিটো পৰামৰ্শ আগবঢ়াইছে সেই সন্দৰ্ভত কওঁ যে এই বিষয়ত আমাৰ ব্যৱস্থা এতিয়ালৈকে নাই। আমাৰ বৰ্ত্তমান একজনীয়া শিক্ষকৰ স্কুল প্ৰায় ৬ হাজাৰ আছে সেই সমূহতে দুজনকৈ শিক্ষক নিয়োগ কৰিব পৰা নাই। তেনে স্থলত স্কুল মাতৃৰ কথা চিন্তা কৰিব পৰা নাই। প্ৰাক প্ৰাথমিক কৰিব খোজা স্কুল সমূহ সম্পূৰ্ণ হৈ উঠিলে সেই বিলাক স্কুলত একোজনীকৈ অন্ততঃ আয়া ৰখাৰ কথা চিন্তা কৰিছো। সেই কথাটো বিবেচনা কৰি চাম।

উপাধ্যক্ষ মহোদয়, প্ৰায়খিনি মাননীয় সদস্যই তেখেতসকলে আগবঢ়োৱা পৰামৰ্শৰ কাৰণে মই এই সুযোগতে ধন্যবাদ জনাইছো আৰু তেখেত-

সকলে দাঙি ধৰা পৰামৰ্শসমূহ কামত লগাবলৈ মই চেষ্টা কৰিম । লগতে মাননীয় সদস্য পূৰ্ণ বড়ো, মথুৰা ডেকা আৰু হেমেন দাস ডাঙৰীয়াক অনুৰোধ জনাইছো যেন কৰ্ত্তন প্ৰস্তাৱটো উঠাই দি কাম কৰিবলৈ টকা কম হলেও কিছু অন্ততঃ কাম কৰিবলৈ চেষ্টা কৰাৰ কাৰণ সুযোগ দিয়ে । মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিলো ।

Mr. Deputy Speaker—Cut motion No. 1 was moved by Shri Binoy Basumatary. Are you going to withdraw the Cut Motion ?

Shri Binoy Kumar Basumatary—Sir, after one clarification on a point. Regarding the proceedings of the House we have a consensus from the Opposition. Since the time is over we are not going to move any further Cut Motion to-day and we request you to take up all the the Cut Motions to-day, for disposal as listed. Now, the point since the Minister had very proudly declared in this House last time that there will be another University in the State, we have not seen anything in the budget for the year. There is a sense of insecurity prevailing in the minds of the tribals for their future education. May I suggest Sir, that this University should be located at Udalguri ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, এখন বিশ্ববিদ্যালয়ৰ কাৰণে আমি যোৱা বছৰ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আবেদন কৰিছিলো। তাত আমি কৈছিলো আমাক এখন চেণ্ট্ৰেল ইউনিভাৰচিটি লাগে। আৰু এইটো বিবেচনা হৈ থাকোতে আমাক জনালে কেন্দ্ৰই চেণ্ট্ৰেল ইউনিভাৰচিটি দিয়াৰ পৰিবৰ্ত্তে অসম চৰকাৰক টকা দিব আৰু সেই টকাৰে বিশ্ববিদ্যালয় কৰিব পাৰিব। ইয়াৰ পাচতো আমি পুনৰ চেষ্টা কৰি

আছিলো আৰু এতিয়া আমাক এখন চেণ্ট্ৰেল ইউনিভাৰচিটি দিব পাৰিম বুলি আশ্বাস দিছে আৰু সেই কাৰণে এতিয়াও সিদ্ধান্ত লব পৰা হোৱা নাই। খাটাংকৈ তেখেত সকলৰ পৰা নাপালে প্ৰস্তাৱিত বিশ্ব বিদ্যালয়ৰ কাৰণে আগবাঢ়ি যোৱাত অসুবিধা হৈছে আৰু ঠাই টুকুৱাও নিৰ্দ্ধাৰণ কৰিবলৈ অসুবিধা হৈছে। গতিকে এতিয়াও এই ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত লব পৰা হোৱা নাই।

Shri Binoy Kumar Basumatary—What will happen to the declaration made in the floor of the House? Will it be withdrawn?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, অসুবিধা খিনি মই প্ৰকাশ কৰিলোৱেই। এতিয়া মাননীয় সদস্য গৰাকীক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

Shri Binoy Kumar Basumatary—I beg leave to withdraw the Cut motion.

Mr. Deputy Speaker—Is it the pleasure of the House to grant leave to withdraw the Cut Motion? (Voices: yes, yes) The Leave is granted and Cut Motion is withdrawn. The second Cut Motion is moved by Shri Mathura Deka.

(Shri Mathura Deka expressed willingness to withdraw by noding).

Mr. Deputy Speaker—Is it the pleasure of the House to grant leave to withdraw the cut motion? (Voices—yes, yes) The leave is granted and the Cut Motion is withdrawn.

The Third cut Motion is moved by Shri Purno Boro (Shri Boro expresses willingness to withdraw by noding)

Is it the pleasure of the House to withdraw the Cut Motion is withdrawn. Now, I put the main grant that a sum of Rs. 2,10,11,26,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Education".

The Grant is passed.

Shri Hiteswar Saikia ( Chief Minister )—On the recommendation of the Governor of Assam, I beg Sir, to move that a sum of Rs. 76,37,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Prohibition".

( Shri Mathura Deka Expressed willingness to withdraw the Cut Motion by noding )

Mr. Dy. Speaker—Is it the pleasure of the House to grant leave to withdraw the Cut Motion ? ( Voices : yes, yes ) The leave is granted and the cut motion is withdrawn: Now, I put the main grant that a sum of Rs. 76,37,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Prohibition".

The grant is passed

Shri Mukut Sarma ( Minister )—On the recommendation of

the Governor Assam, I beg, Sir, "to move that a sum of Rs. 64,96,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the 31st March, 1986 for the administration of "Tourism".

Mr. Dy. Speaker—There is no Cut Motion on this grant, so I put the main grant that a sum of Rs. 64,96,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March. 1986 for the administration of "Tourism".

The grant is passed.

Shri Upendra Das ( Minister )—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 4,33,67,000 be granted to the Minister-in-charge to charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Fisheries".

Mr. Dy. Speaker—There are two cut motions, one is moved by Shri Chandradhar Kalita and the second one is moved by Shri Mathura Deka.

( Shri Mathura Deka by noding expressed willingness to withdraw the Cut Motion )

Mr. Dy. Speaker—Is it the pleasure of the House to withdraw the cut motion ? ( Voices—yes, yes ) Now, I put the main grant that sum of Rs. 4,33.67.000 granted to the Minister-in-charge to defray the charges which

will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Fisheries'.

The Grant is passed.

Mr. Deputy Speaker—Now, Grant No. 7.

Shri G. C. Langthasa (Minister)—Mr. Deputy Speaker, Sir, on the recommendation of the Governor of Assam I beg, Sir, to move that sum of Rs. 10,51,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1986 for the administration of "Stamps".

Mr. Deputy Speaker—There is no cut-motian. I put the motion that a sum of Rs. 10,51,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1986 for the administration of "Stamps".

The Grant is passed.

Shri G. C. Langthasa (Minister)—On the recommendation of the Governor of Assam, I beg, Sir, move that a sum of Rs. 62,21,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March. 1986 for the administration of "Registration".

Mr. Deputy Speaker—There is a Cut Motion moved by Shri Mathura Deka.

শ্ৰীমথুৰা ডেকা—মোৰ কৰ্ত্তন প্ৰস্তাবতো উঠাই ললো ।

Mr. Deputy Speaker—Is it the pleasure of the house to grant leave to withdraw the cut motion ?

( voices : 'yes' 'yes' )

The cut motion is withdrawn. Now I put the main motion that a sum of Rs. 62,21,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Registration".

Grant No. 8 is passed.

Mr. Deputy Speaker—Grant No. 32.

Shri Hiteswar Saikia ( Chief Minister )—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 2,79,70,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Art and Culture".

Mr. Deputy Speaker—There is a cut motion to be moved by Shri Mathura Deka.

শ্ৰীমথুৰা ডেকা—মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললো ।

Mr. Deputy Speaker—Is it the pleasure of the house to grant leave to withdraw the cut motion ?

( Voices : 'yes' 'yes' )

The cut motion is withdrawn. Now I put the main motion that a sum of 1,79,70,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Art and Culture".

Grant No. 32 is passed.

Shri Md. Idris (Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 16,91,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Taxes on Income and Expenditure".

Mr. Deputy Speaker—There is no cut motion on this grant. Now, I put the main motion that a sum of Rs. 16,91,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of Taxes on "Income and Expenditure".

Grant No. 5 is passed.

Shri Md. Idris (Minister)—On the recommendation of the Governor of Assam, I beg, to move that a sum of Rs. 4,30,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Small Savings".

Mr. Deputy Speaker—There is no cut motion on this grant. I put the main motion that a sum of Rs. 4,30,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Small Savings".

Grant No. 13 is passed.

Shri Jagannath Sinha ( Minister )—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 9,07,08,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administratian of "Transport Services'.

Mr. Deputy Speaker—There are two cut motions to be moved by Shri Chandradhar Kalita, who is absent, and Shri Mathura Deka.

শ্ৰীমথুৰা ডেকা—মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললো।

Mr. Deputy Speaker—Is it the pleasure of the house to grant leave to withdraw the cut motion ?

( Voices : 'yes' 'yes' )

The leave is granted and the cut motion stands withdrawn. Now I put the main motion that a sum Rs. 9,07,08,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Transport Services".

Grant No. 11 is passed.

May I have the sense of the house to extend the time for some time more to take up two items No. 3 and No. 4.

( Voices : 'yes', 'yes' )

Now item No. 3. Shri Purno Boro.

Shri Purna Boro—Sir, I beg to call the attention of the Minister, Finance under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the newsitem appearing in the 'Janakranti' dated 17th February, 1985 under the caption—"Dobol Tax Adayor Be-aini Karbar".

* Shri Md. Idris ( Minister )—Mr. Deputy Speaker, Sir, My attention has been drawn to the newsitem published in 'Janakranti' dated 17th February, 1985 under the caption "Dobol tax Adayor Be-aini Karbar." Sir, most of the commodities subject to Sales Tax in Assam are taxable under one State law, namely, the Assam Finance ( Sales Tax ) Act, 1956. Section 13A of the Act prohibits collection of excess tax by any person is liable to forfeiture to the State Govt. under Sec. 13(B) of the Act. Section 13 C) of the Act on the other hand, provides for refund of the amount forfeited to the consumer. Besides, Section 13(B) provides for imposition of penalty on a person who wilfully collects excess

* Speech not corrected.

tax. The amount of penalty under this prevision may be two thousand rupees or double the amount of excess tax collected whichever is less. Again Sec. 25 of the Act purchaser sales tax as such at a rate higher than that payable under the Act. On conviction before Magistrate a person committing such an offence may be punishable with imprisonment for a period upto six months or with fine not exceeding one thousand rupees or with both.

There is no provision in the Central Sales Tax Act 1956 under which Central Sale Tax is payable, for forfeiture of the excess tax collected or for imposition of penalty for collecting excess tax. This Act, however, provides for prosecution of a person who (i) being an unregistered person collects Central Sales Tax in respect of any inter-State sale, or (ii) being a registered dealer makes any such collection in contravention of the Act. The agency for administration of the above Acts in Assam is the Taxation Deptt. of the Govt. of Assam. It may be observed that while the State Act contains provision for dealing with State Tax if any, collected by any person as alleged in the newspaper report, the provisions of the Central law are inadequate for this purpose. Amendment of the Cenral law in this regard is under examination of the Govt. of India.

As regards enforcement of the State law, in this

regard, it may be appreciated that while the Taxation Deptt. is eager to enforce the consumer protection provision mentioned above, it cannot act unless specific cases of collection of excess tax by any trader is brought to the notice of the Deptt. along with necessary documentary or other evidence. The Department will certainly take action as provided by law if and when specific cases are brought to its notice.

As regards purchases of Govt. Deptts. and Public Sector Undertakings, the Commissioner of Taxes, Assam has advised all concerned not to make payment of claims made by any supplier on account of tax in excess of the law.

This is the position, Sir.

Mr. Deputy Speaker—Now item No. 4— to be raised by Hon. Member, Shri Mohammad Ali.

## Matter Under Rule 301

শ্ৰীমহম্মদ আলি—উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য-পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি "বাননিয়ন্ত্ৰণ বিভাগৰ নিষ্ক্ৰিয়তাৰ বাবে দক্ষিণ শালমাৰাৰ বিস্তীৰ্ণ অঞ্চল ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল।" মই এই বিষয়টি উত্থাপন কৰিলোঁ।

উপাধ্যক্ষ মহোদয়, এই বিষয়টো উত্থাপন কৰি মই কেইটামান কথা কবলৈ বাধ্য হৈছোঁ। যোৱা বছৰ এপ্ৰিল মাহৰ পৰাই গোটেই গোৱালপাৰা জিলাৰ দক্ষিণপাৰে গৰাখহনীয়া ঠায়ে ঠায়ে আৰম্ভ হয়। বৰ্ত্তমানৰ গোৱালপাৰা জিলা ব্ৰহ্মপুত্ৰই ভাগ ভাগ কৰি পেলাইছে। ফকিৰাগজ্জৰ

পৰা আৰম্ভ কৰি জলেশ্বৰ আৰু দক্ষিণ শালমৰালৈ গড়াখহনীয়াই প্ৰবল ৰূপ ধাৰণ কৰিছে। আৰু গড়াখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে ৰাইজে আৰু বিভাগীয় বিষয়া সকলে বান নিয়ন্ত্ৰণ বিভাগৰ লগত যোগাযোগ যদিও কৰিছে তথাপিও কাম হোৱা নাই। দক্ষিণ শালমাৰাত বান নিয়ন্ত্ৰন বিভাগে কোনো বিশেষ ব্যৱস্থা লোৱা নাই। ৰাভাতাৰি গাঁৱৰ ওচৰত পানী বাঢ়ি গৈ দক্ষিণ শালমৰাৰ চাৰি ভাগৰ এভাগ পানীৰ তলত জাহ গৈছে। গড়াখহনীয়া এতিয়াও হৈ আছে। অহা বাৰিষা অহাৰ আগতে ইয়াৰ প্ৰতিৰোধ ব্যৱস্থা নকৰিলে দক্ষিণ শালমৰা একেবাৰে পানীৰ তলত জাহ যাব। সেইকাৰণেই মই এই বিষয়টো উত্থাপন কৰিলো। আমাৰ ইঞ্জিনিয়াৰৰ ওচৰলৈ আমাৰ কংগ্ৰেছৰ তৰফৰ পৰা প্ৰতিনিধি গৈছিল তেতিয়া ইঞ্জিনিয়াৰে কলে যে, মহম্মদ আলীৰ সমষ্টিৰ কাম নকৰো। আমাৰ দিষ্ট্ৰিক্ট ইয়থ কংগ্ৰেছৰ জেনেৰেল চেক্ৰেটৰি শ্ৰীআবু চৈয়দ গৈছিল। বান নিয়ন্ত্ৰন বিভাগৰ এনে ধৰণৰ মনোভাৱ হ'লে আমাৰ অঞ্চলটো নষ্ট হৈ যাৰ। দক্ষিণ শালমৰা ৰক্ষাৰ কাৰণে এডমিনিষ্টেটিভ এপ্ৰভেল অহা নাই। গতিকে এইটো সোনকালে কৰাৰ বাবে অনুৰোধ কৰিলো।

শ্ৰীবনেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি বিষয়টো উত্থাপন কৰিছে সেইটো গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়টো চমুকৈ ক'লে কৰাটো সম্ভৱ নহয়। এই বিষয়ে বিষদ বিৱৰণ দি সদনৰ মজিয়াত দিব লাগে। দ্বিতীয়তে, মাননীয় সদস্য গৰাকীয়ে যিটো অভিযোগ কৰিছে আমাৰ ইঞ্জিনিয়াৰৰ বিষয়ে সেইটো মই অনুসন্ধান কৰিম। তৃতীয়তে, দক্ষিণ শালমৰা টাউনত প্ৰটেকচন দিয়াৰ বিষয় লৈ মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি তৎকালীন ব্যৱস্থা গ্ৰহণ কৰি কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। চতুৰ্থতে মাননীয় সদস্য গৰাকীয়ে গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰি ফকিৰাগঞ্জৰ পৰা দক্ষিণ শালমৰালৈ আৰু ছোট ৰাভা অঞ্চলৰ কথা উল্লেখ কৰিছে। কাৰণ সেইটো আগতে পি, ডব্লিউ, দিৰ আছিল বান নিয়ন্ত্ৰনৰ নাছিল। এইবাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি তেখেতৰ হস্তক্ষেপত এই অংশটো

ৰোদ কাম এমবেংকমেণ্ট বান নিয়ন্ত্ৰনৰ হাতলৈ হস্তান্তৰিত কৰা হৈছে। কিন্তু আমাৰ বান নিয়ন্ত্ৰন বিভাগৰ কোনো বিষয়াই হেমাহি নাই। গতিকে তাৰ বাবে কোনো বান নিয়ন্ত্ৰনৰ বিষয়াই দাক্ষিণ শালমৰা অঞ্চলৰ প্ৰতি হেমাহি কৰা নাই আৰু এই বিবৃত্তিৰে মই অভিযোগটো খণ্ডন কৰিছো।

## ADJOURNMENT

The House then rose and stood adjourned till 10 A. M. on Wednesday the 20th March, 1985.

Shri P. D. Barua
Secretary,
Assam Legislative Assembly.

Dated, Dispur
The 19th March, 1985.